www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বতাহৰ দিশ সলনি কৰিব নোৱাৰো, কিন্তু সদায় গন্তব্যস্থানত উপনীত হ'বলৈ মোৰ পালবোৰ সামঞ্জস্য কৰি ল'ব পাৰো। — জিমি ডিন

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১৯৮ | দেওবাৰ | ২১ ছেপ্তেম্বৰ, ২০২৫ চন | ৪ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 198 | Sunday | 21th September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

■ জুবিনৰ শেষ যাত্ৰাত সিদ্ধাৰ্থক লগত থাকিবলৈ দিয়াৰ আহ্বান ■

## ভাতৃতুল্য সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে ক্ষোভ এৰিবলৈ অসমবাসীক অনুৰোধ গৰিমা গাৰ্গৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** মন্ত্ৰমুগ্ধকৰ গান, হৃদয়স্পৰ্শী কণ্ঠৰে দেশে-বিদেশে অজস্ৰজনৰ হৃদয়ত স্থান দখল কৰা জুবিন গাৰ্গৰ অবিশ্বাস্য মৃত্যুত আজি শোকস্তব্ধ অসমৰ জন-জীৱন। জুবিন গাৰ্গৰ এই ⏩৬ পৃষ্ঠাত

আমাৰ নিজৰ ভাইৰ নিচিনা সিদ্ধাৰ্থ আৰম্ভণিৰ পৰাই জুবিনৰ যত্ন লৈ আছে ঃ গৰিমা

জুবিন গাৰ্গৰ আকস্মিক মৃত্যু সন্দৰ্ভত আলোচনা

## কেন্দ্ৰীয় গৃহমন্ত্ৰীৰে বৈঠক মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সাংস্কৃতিক জগতৰ মহানায়ক জুবিন গাৰ্গৰ আকস্মিক ⏩৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ নশ্বৰদেহৰ সৈতে পৰিয়ালৰ বাবে নিবিড় সময় ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিদায়ৰ পিছত তেওঁৰ নশ্বৰ দেহ আজি শেষ নিশা গুৱাহাটীত উপস্থিত হ'ব। দিল্লীৰ ⏩৬ পৃষ্ঠাত

দিল্লীৰ পৰা সহযাত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিমল বৰা

## গুৱাহাটীত জুবিন গাৰ্গৰ পাৰ্থিৱ দেহ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পাছত তেওঁৰ পাৰ্থিৱ দেহ ছিংগাপুৰৰ পৰা গুৱাহাটীলৈ অনাৰ হয়। জানিব পৰা মতে, ছিংগাপুৰৰ পৰা এয়াৰ ইণ্ডিয়াৰ এক বিমান ২০ সেপ্টেম্বৰ, ২০২৫ তাৰিখে নিশা ১১: ৩০ বজাত নতুন দিল্লীত অৱতৰণ কৰে। তাৰ পিছত আন এখন বিমানেৰে জুবিনৰ নশ্বৰ দেহ গুৱাহাটীলৈ অনা হয়। এই যাত্ৰাত জুবিনৰ সহযাত্ৰী হিচাপে থাকে ⏩৬ পৃষ্ঠাত

সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি ৰখা হ'ব পাৰ্থিৱ শৰীৰ

# পুষ্পসজ্জিত বাহনত মহীৰুহৰ পাৰ্থিৱ শৰীৰ

■ অসমৰ ভূমিত জুবিন গাৰ্গৰ অন্তিম যাত্ৰা ■



**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সাংস্কৃতিক জগতৰ মহানায়ক জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ শোকত সমগ্ৰ ৰাজ্য ম্ৰিয়মাণ হৈ পৰিছে। তেওঁৰ পাৰ্থিৱ শৰীৰ ছিংগাপুৰৰ পৰা দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰত উপস্থিত হোৱাৰ পিছত এয়াৰ ইণ্ডিয়াৰ বিমানযোগে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত ⏩৬ পৃষ্ঠাত

উত্তেজিত জনতাৰ নিৰাপত্তাৰ বাবে স্থাপন কৰা বেৰিকেড লণ্ডভণ্ড; আৰক্ষীৰ লাঠিচালনা

## নিয়ন্ত্ৰণহীন পৰিস্থিতি গুৱাহাটী বিমানবন্দৰত



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সাংস্কৃতিক আকাশৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ শোকত সমগ্ৰ ৰাজ্য মুহ্যমান হৈ পৰিছে। তেওঁৰ নশ্বৰ দেহ দিল্লীৰ ⏩৬ পৃষ্ঠাত

জুবিনৰ মৃত্যুত শোক

## গুৱাহাটীৰ ব্ৰহ্মপুত্ৰত জাপ জুবিন অনুৰাগীৰ!

**ষ্টাফ ৰিপ'ৰ্টাৰ, মহানগৰ, ২০ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ ব্ৰহ্মপুত্ৰত সংঘটিত হৈছে এই অঘটন। জাহাজৰ পৰা এজন যুৱকে জাপ দিয়ে ব্ৰহ্মপুত্ৰত। ⏩৬ পৃষ্ঠাত

দক্ষিণৰ চুপাৰষ্টাৰ অভিনেতা মোহনলাললৈ দাদাচাহেব ফাল্কে বঁটা

মালয়ালম ছবি 'থিৰানোত্তম'ৰ জৰিয়তে চলচ্চিত্ৰ জগতত আত্মপ্ৰকাশ কৰিছিল মোহনলালে



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** মালয়ালম অভিনেতা মোহনলাল ⏩৬ পৃষ্ঠাত

কাহিলিপাৰাস্থিত বাসগৃহত গৌৰৱ গগৈ

## জুবিন গাৰ্গ আছিল এজন স্পষ্টবাদী, নিৰ্ভীক ব্যক্তি ঃ গৌৰৱ গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সাংগীতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পিছত গোটেই ৰাজ্যজুৰি বিৰাজ কৰিছে গভীৰ শোকৰ ছাঁ। এই প্ৰথমবাৰৰ বাবে অসমৰ জনতাই জুবিনবিহীন এটা দিনৰ সন্মুখীন ⏩৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ মৃত্যুৰ চি আই ডি তদন্ত ঘোষণা

## দুদিন ধৰি প্ৰয়োজনীয় ঔষধ-সমূহ গ্ৰহণ কৰা নাছিল জুবিনে

**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে সমগ্ৰ ৰাজ্যত শোকৰ ছায়াৰ সৃষ্টি কৰিছে। তেওঁৰ নশ্বৰ দেহ আজি, ২১ ছেপ্টেম্বৰত, ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত ভাৰতলৈ আনাৰ ⏩৬ পৃষ্ঠাত

ফেষ্টিভেল মহন্তক লৈ তোলপাৰ ৰাজ্য

## তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুক লৈ অসম চৰকাৰে তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰিছে। শনিবাৰে ⏩৬ পৃষ্ঠাত

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অবিবেচক সিদ্ধান্ত; শিক্ষাৰ্থীৰ ক্ষোভ

## জুবিন গাৰ্গৰ শোকৰ মাজতেই নিৰ্বাচনী প্ৰচাৰৰ নিৰ্দেশ গুৱাহাটী বিশ্ববিদ্যালয়ৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়া সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ শোকৰ ছায়া সমগ্ৰ ৰাজ্যত বিৰাজ কৰাৰ সময়তে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ এক অবিবেচক সিদ্ধান্তই তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। জুবিনৰ মৃত্যুৰ পাছত স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ ⏩৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ নামত সৃষ্টি নকৰিব অশান্তি

মহানগৰ আৰক্ষী আয়ুক্তৰ আহ্বান



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সাংগীতিক জগতৰ মহানায়ক জুবিন গাৰ্গৰ অকাল বিদায়ৰ পিছত তেওঁৰ শ্ৰদ্ধাঞ্জলিৰ ক্ষেত্ৰত শান্তি বজায় ৰাখিবলৈ মহানগৰ আৰক্ষীৰ আয়ুক্ত পাৰ্থসাৰথি মহন্তই ⏩৬ পৃষ্ঠাত

শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্যৰ বিৰুদ্ধে এজাহাৰ

## জুবিনৰ মৃত্যু সন্দৰ্ভত আপত্তিজনক মন্তব্য; জুবিন গাৰ্গৰ অনুৰাগীৰ ক্ষোভ

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিত অৱস্থিত শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালীৰ বিৰুদ্ধে জুবিন গাৰ্গৰ অনুৰাগীসকলে এজাহাৰ দাখিল কৰিছে। জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পাছত প্ৰফুল্ল ভৰালীয়ে তেওঁৰ ফেচবুক প্ৰফাইলত শিল্পী গৰাকীৰ মৃত্যু সন্দৰ্ভত এক আপত্তিজনক মন্তব্য ⏩৬ পৃষ্ঠাত



কফিনত স্বামী; ফুলসজ্জিত স্বামীক শেষবাৰৰ বাবে চাবলৈ পত্নী গৰিমা শইকীয়া গাৰ্গ



বিজেপি হুঁচিয়াৰ, প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী মুৰ্দাবাদ ধ্বনিত উত্তাল তিনিচুকীয়াৰ ৰাজপথ

# মটক জনগোষ্ঠীক জনজাতিকৰণ দাবীত তিনিচুকীয়াত চৰকাৰক হুংকাৰ দি বৃহৎ জোঁৰ সমদল

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ** নৱপ্ৰজন্মৰ হিয়াৰ আমঠুৰেই নহয়, সমগ্ৰ অসমৰ জনতাৰ অতি মৰমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুত মটক জনগোষ্ঠীৰ কেউটা সংগঠনৰ উপৰিও ছয় জনগোষ্ঠীৰ নেতৃত্ববৃন্দই শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই অৱশেষত ঐতিহাসিক সৌমাৰখণ্ডৰ ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ ৰাইজে তেওঁলোকৰ পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী বাহাল ৰাখি আজি সন্ধিয়া তিনিচুকীয়াত চৰকাৰৰ বিৰুদ্ধে জনজাতিকৰণৰ দাবীত বৃহৎ জোঁৰ সমদল বাহিৰ কৰে। আজিৰ দুৰ্ভাগ্যজনক খবৰে ছয় জনগোষ্ঠীৰ ৰাইজক অধিক ম্ৰিয়মাণ কৰি তোলা বুলি উল্লেখ কৰি অসমৰ জনসাধাৰণক জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পাছতো উজনি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ দুপৰীয়াৰ পৰা ৰাইজ ওলাই অহাৰ বাবেই কাৰ্যসূচী বাতিলৰ পৰা বিৰত থাকিবলগীয়া হোৱাত সমগ্ৰ অসমৰ ৰাইজৰ ওচৰত সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক স্বৰূপ গোঁহাইয়ে কেউটা সংগঠনৰ হৈ অসমৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছে। তিনিচুকীয়া আই টি আই খেলপথাৰত সমবেত হোৱা হাজাৰ হাজাৰ মটক জনগোষ্ঠীৰ ৰাইজে হাৰ্টথ্ৰৱ শিল্পী জুবিন গাৰ্গৰ প্ৰতিছবিত পুষ্পাঞ্জলি নিবেদি শ্ৰদ্ধাঞ্জলি জনায়। লগতে উপস্থিত আছুৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সমৰজ্যোতি গোঁহাই, মটক সন্মিলনৰ সম্পাদক কিৰণ ৰাজখোৱা, আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ জ্যেষ্ঠ ভাতৃ বিমল বৰুৱাকে আদি কৰি ভালেসংখ্যক লোকে জুবিন গাৰ্গৰ প্ৰতিছবিত শ্ৰদ্ধাঞ্জলি জনায়। উল্লেখযোগ্য যে, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীক ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বাৰে বাৰে কৰি অহা প্ৰতাৰণাই উজনিৰ মৰাণ, মটক ৰাইজক ক্ষোভিত কৰি তুলিছে। প্ৰতিখন চৰকাৰেই বছৰ বছৰ ধৰি কেৱল মিছা প্ৰতিশ্ৰুতি প্ৰদান কৰি জনগোষ্ঠী কেইটাক প্ৰতাৰণা কৰাৰ বাবেই এইবাৰ মাৰ বান্ধি চৰকাৰৰ বিৰুদ্ধে ৰাইজ স্বতঃস্ফূৰ্তভাৱে ৰাজপথলৈ ওলাই আহি প্ৰতিবাদত নামি পৰিছে। চৰকাৰ যিয়েই নহওক কিয় খিলঞ্জীয়া ভূমিপুত্ৰ বিৰোধী ছৱিখন স্পষ্ট ৰূপত প্ৰতিফলিত হোৱাৰ দাবীৰেই আজি মটক জনগোষ্ঠীৰ বৃদ্ধ, বৃদ্ধা, পুৰুষ, মহিলা, যুৱক, যুৱতী, ছাত্ৰ-ছাত্ৰী আনকি চৰকাৰী কৰ্মচাৰীসকলেও স্বতঃস্ফূৰ্তভাৱে ৰাজপথত নামি শাসনাধিষ্ঠ বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰৰ বিৰুদ্ধে হুংকাৰ দি জনজাতিকৰণৰ দাবী উত্থাপন কৰে। বিশ সহস্ৰাধিক ৰাইজে হাতে হাতে জোঁৰ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী মুৰ্দাবাদ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মিছলীয়া, বিজেপি হুঁচিয়াৰ, জুৱেল ওৰাং মুৰ্দাবাদ, ন' এচটি ন' ৰেষ্ট, জয় আই অসম, এই জুই জ্বলিছে জ্বলিবই, আদি বিভিন্ন চৰকাৰ বিৰোধী শ্লোগান দি জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপৰ আই টি আই খেলপথাৰখনৰ পৰা এক বৃহৎ জোঁৰ সমদল বাহিৰ কৰি বৰগুৰি কোৰ্ট তিনিআলি হৈ ৰঙাগড়া পথেৰে চাৰি কিলোমিটাৰ পথ অতিক্ৰম কৰি চহৰৰ মাজমজিয়াৰ থানা চাৰিআলিত উপস্থিত হয়। আজিৰ জোঁৰ সমদল মটক জনগোষ্ঠীৰ কেউটা সংগঠনৰ উদ্যোগত আৰু ছয় জনগোষ্ঠীয় সংগঠনৰ উপৰিও আন আন বহুকেইটা সংগঠনৰ নেতৃত্ব আৰু সদস্যই অংশগ্ৰহণ কৰে। প্ৰতিবাদী জোঁৰ সমদলত অংশগ্ৰহণ কৰা জনগোষ্ঠীটোৰ চিন্তাবিদ, লেখন, আইন পৰামৰ্শদাতা ফটিক চন্দ্ৰ নেওগে সাংবাদিকক জানিবলৈ দি কয় যে, দেশে স্বাধীনতা লাভ কৰাৰ পিছতো পিছপৰা মটক জনগোষ্ঠীৰ উন্নতিৰ বাবে কোনো এখন চৰকাৰেই উপযুক্ত মনোযোগ প্ৰদান কৰা নাই। বৰ্তমান বেংমৰা ৰাজ্যৰ প্ৰায়বিলাক কীৰ্তি চিহ্ন আৰু ঐতিহাসিক স্থান বহিৰাগত বনিকৰ দখলত। দেশৰ অৰ্থনীতিলৈ এই বেংমৰা ৰাজ্যই তেল, কয়লা চাহপাত, কাঠ আদিৰ ৰূপত সৰ্বাধিক ৰাজহ প্ৰদান কৰি আহিছে। তাৰ বিপৰীতে ভূমিপুত্ৰ মটকসকল আজি নিজ স্থানতে এক প্ৰকাৰে ভগনীয়া হৈছে। সেয়েহে মটকসকলে নিজৰ অস্তিত্ব ৰক্ষা কৰি স্বাভিমানেৰে জীয়াই থাকিবৰ বাবে সংবিধানৰ যোগেদি সংৰক্ষণ বিচৰাতো অধিকাৰ। জনজাতিকৰণৰ বিষয়ত মটকসকলে কোনো আপোচ আৰু নকৰে বুলিও উল্লেখ কৰা হৈছে। আজি সমগ্ৰ অসমবাসী শিল্পী জুবিন গাৰ্গৰ মৃত্যুত ম্ৰিয়মাণ হৈ পৰা স্বত্বেও অসমৰ জনসাধাৰণৰ ওচৰত ক্ষমা বিচাৰি মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ ৰাজত্ব কালৰ বুৰঞ্জী প্ৰসিদ্ধ বেংমৰাত স্বাভিমান আৰু জন্মস্বত্ব অধিকাৰ বিচাৰি আদিম ভূমিপুত্ৰ মটকসকলে তিনিচুকীয়াত শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনৰ জৰিয়তে তেওঁলোকৰ দাবী পূৰণৰ বাবে জোঁৰ সমদল বাহিৰ কৰিবলৈ বাধ্য হৈছে একমাত্ৰ চৰকাৰৰ বঞ্চনাৰ বাবে বুলিও সংগঠনৰ নেতৃত্বই প্ৰকাশ কৰে।

## শিল্পী জুবিন গাৰ্গৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি ছয় জনগোষ্ঠী ৰাইজৰ

বৰক্ষেত্ৰীৰ শিল্পী সমাজৰ লগতে অগণন গুণমুগ্ধৰ শোক প্ৰকাশ

# জনতাৰ শিল্পী জুবিন গাৰ্গৰ দেহাৱসানত শোকস্তব্ধ জনতা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২০ ছেপ্টেম্বৰ ঃ** সংগীতৰ সাধনাৰে অসমবাসীৰ হৃদয় জিনিবলৈ সক্ষম হোৱা জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৱে অসমবাসীক মৰ্মাহত কৰি তুলিছে। হৃদয়স্পৰ্শী গানেৰে যুৱ-প্ৰজন্মৰ মাজত অত্যধিক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হোৱা এই শিল্পীগৰাকীয়ে মাত্ৰ ৫৩ বছৰ ধৰাৰ বুকুত থাকি সকলোকে কন্দুৱাই আকস্মিকভাৱে বিদায় মাগিলে। ১৮ নৱেম্বৰ ১৯৭২ চনত মেঘালয়ৰ তুৰাত জন্ম হোৱা শিল্পীগৰাকীৰ প্ৰকৃত নাম আছিল জুবিন বৰঠাকুৰ। পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু মাতৃ স্বৰ্গীয় ইলি বৰঠাকুৰ। প্ৰসিদ্ধ গীতিকাৰ জুবিন মেহতাৰ নামেৰে নাম ৰখা হৈছিল জুবিনৰ। তামোলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা জুবিনে প্ৰথমে জগন্নাথ মহাবিদ্যালয়ত নামভৰ্তি কৰি পৰৱৰ্তী সময়ত গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়লৈ সলনি হৈছিল জুবিনৰ স্নাতক ডিগ্ৰীৰ জীৱন। পৰৱৰ্তী পৰ্যায়ত জুবিন গাৰ্গ নামেৰে পৰিচিত হোৱাৰ উপৰিও কেইবাটাও নামেৰে জনাজাত হৈছিল শিল্পীজন। জুবিন গ'ল্ডি, অসমৰ হাৰ্টথ্ৰৱ, লুইত কণ্ঠ, হামিং সম্ৰাট আদি তেওঁৰ অভিধা আছিল। আজি আকস্মিক মৃত্যুৰ ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিছে। জুবিন গাৰ্গৰ গোটেই ঘটনাটো ছিংগাপুৰত হৈছে যদিও কোনোৱে কৈছে পেৰাগ্লাইডিং কৰোঁতে সংঘটিত হয় এই ঘটনাৰ। কোনোবাই কৈছে স্কুবা ডাইভিং কৰোঁতে হৈছে এই ঘটনা। কিন্তু বিশ্বস্ত সূত্ৰৰ খবৰ অনুসৰি পেৰাগ্লাইডিং অথবা স্কুবা ডাইভিং একোৱে জুবিনৰ মৃত্যুৰ কাৰণ নহয়। প্ৰকৃততে আজি সন্ধিয়া ছিংগাপুৰত এটা অনুষ্ঠানত ভাগ লোৱাৰ কথা আছিল জুবিনৰ। ছিংগাপুৰত তেখেতে এখন নাও ভাৰা কৰি এটা আইলেণ্ড ঘূৰিবলৈ গৈছিল, সেই ঠাইতে য'ত ৰ'ব পাৰি তাত ৰৈছিল। যিখিনি ঠাইত নামি সাতুঁৰিব পাৰি। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি তেওঁ পানীত নামিব বিচাৰিছিল। প্ৰথমতে লাইভ জেকেট পিন্ধি তেওঁ পানীত নামি সাতুৰিছে। সাতুৰি উঠি আহি বিভিন্ন ধৰণৰ ধেমেলীয়া কথাও কৈছিল। তাৰ পিছত তেওঁৰ নাওখন আকৌ চলিল, আকৌ অলপ দূৰ গৈ এটা ষ্টেচনত নামিল জুবিন। তাত নামি সাতুঁৰি থাকোঁতেই দেখা পোৱা গৈছিল তেওঁৰ মুখেৰে ফেন ওলাইছে, তাৰ পিছতেই তেওঁ অসুস্থ হৈ পৰিছিল। এতিয়া গোটেইখিনি কথা ৰহস্যৰ আৱৰ্ত্তত সোমাই পৰিছে। সেয়েহে, এই ক্ষেত্ৰত অসমৰ জনগণে এক উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰিছে। এই মুহূৰ্তত জুবিন গাৰ্গ হাস্পতালৰ মৰ্গতে আছে বুলিও জানিব পৰা গৈছে। প্ৰণিধানযোগ্য যে অসমৰ জাতীয় জীৱনত এটা দশকজুৰি আপুৰুগীয়া গীত চিনেমাৰে হিয়াৰ আমঠু হৈ পৰা জনতাৰ শিল্পী জুবিন গাৰ্গে শিল্পীসকলৰ ভিতৰত অতি কম দিন জীয়াই থকা শিল্পী। জনতাৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাতকৈও কম দিন জীয়াই থাকি শিল্প সাধনাত ব্ৰতী হৈ থাকি বাস্তৱবাদী চিন্তা চৰ্চাৰে অসমীয়া কলা-কৃষ্টিক প্ৰতিষ্ঠা কৰি জাতিটোৰ মন প্ৰাণ মুহিবলৈ সক্ষম হৈছিল জুবিন গাৰ্গে। অতি সাহসী আৰু প্ৰতিভাশালী জুবিন গাৰ্গে জাতিৰ বিপদৰ সময়ত নিৰ্ভিকভাৱে মাত মাতিছিল আৰু জাতিটোক আগুৱাই যোৱাৰ সাহস দিছিল। তেওঁৰ অকাল মৃত্যুৱে অসমৰ লগতে ভাৰতবৰ্ষৰ অপূৰণীয় ক্ষতি কৰিলে। শিল্পীগৰাকীৰ মৃত্যুত সমগ্ৰ অসমৰ লগতে বৰক্ষেত্ৰীৰ শিল্পী সমাজ, অগণন গুণমুগ্ধ শোকাহত হৈ পৰিছে।

## ধমধমা-বাগানপাৰাত আছুৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, ধমধমা, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই ধমধমা আঞ্চলিক ছাত্ৰ সন্থাই আজি সন্ধিয়া ধমধমা বাছ আস্থানত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক মুস্তাক হুছেইনে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো অঞ্চলটোৰ সহস্ৰাধিক ৰাইজ তথা জুবিন গাৰ্গৰ অনুৰাগীয়ে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থায়ো বাগানপাৰাত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই সমূহীয়া বন্তিপ্ৰজ্বলন কাৰ্যসূচীৰে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## জুবিনৰ মৃত্যুত আদিবাসী ছাত্ৰ সন্থাৰ শোক

**অসম বাৰ্তা, লীলাবাৰী, ২০ ছেপ্টেম্বৰ ঃ** হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যু! ১৯ ছেপ্টেম্বৰ, বিয়লি ২ বাজি ৪৫ মিনিট, অসমৰ অসমীয়াৰ বাবে অভিশপ্ত সময়, দিন। নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ স্কুবা ডাইভিং কৰোঁতে সাগৰৰ পানীত পৰি মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাত শোকস্তব্ধ অসমৰ জনগণ। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ সভাপতি গডউইন হেমৰম আৰু সাধাৰণ সম্পাদক অমৰ জ্যোতি চুৰিণে সাম্প্ৰতিক অসমৰ সবাটোকৈ প্ৰিয় কণ্ঠশিল্পী গৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। নৰ্থ-ইষ্ট ফেষ্টিভেল দেশৰ বাহিৰত কিয়, ব্যৱসায়ী শ্যামকানু মহন্তই জবাব দিব লাগিব বুলি উল্লেখ কৰি শিল্পী গৰাকীৰ সৰলতাৰ সুযোগ লৈ এচাম অসমীয়াই জাতিৰ নামত ব্যৱসায় কৰাৰ বাবে অসম ৰাজ্যই এক উজ্জ্বল নক্ষত্ৰক হেৰুৱালে বুলি গুৰুতৰ অভিযোগ তোলে নেতাদ্বয়ে।

# এ চি এছ নূপুৰ বৰাৰ গোলাঘাটৰ গৃহত চি এম ভিজিলেঞ্চৰ তালাচী

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২০ ছেপ্টেম্বৰ ঃ** দুৰ্নীতিগ্ৰস্ত এ চি এছ বিষয়া নূপুৰ বৰাই অবৈধভাৱে ঘটা ধনৰ উৎস বিচাৰি আজি পুৱাৰে পৰা চি এম ভিজিলেঞ্চৰ এটা দলে অভিযান চলাই গোলাঘাটত। দলটোৱে প্ৰথমতেই পুৱা ৯ বজাত নূপুৰৰ পিতৃ কমল বৰাক লগত লৈ পুৰণা আমোলাপট্টিস্থিত বাসগৃহত প্ৰায় ডেৰ ঘণ্টা অভিযান চলায়। তাৰ পিছত পিতৃ থকা নতুন আমোলাপট্টিৰ ভাড়াঘৰত প্ৰায় এঘণ্টা ধৰি অভিযান চলাই দলটোৱে। দুয়োটা ঘৰতে অভিযান চলোৱাৰ পাছত গোলাঘাটৰ ষ্টেট বেংকত নূপুৰৰ ধনৰ উৎস বিচাৰি অভিযান চলায় দলটোৱে। অৱশ্যে দলটোৱে বেংকৰ পৰা কোনো আপত্তিজনক তথ্য লাভ নকৰিলে। বিশেষ সূত্ৰৰ মতে নূপুৰ বৰাৰ বৰপেটা ষ্টেট বেংকতহে এটা লকাৰ আছে। ভিজিলেঞ্চৰ এই দলটোৰ অভিযানকালতে পোহৰলৈ আহে নূপুৰ বৰাৰ পৰিয়াল কেতবোৰ তথ্য। জানিব পৰা মতে, পিতৃ-মাতৃ পুত্ৰ কন্যাৰে এখন সুখৰ সংসাৰ আছিল। অৱসৰপ্ৰাপ্ত অধ্যাপক কমল বৰাৰ পৰিয়ালটোক সঠিকভাৱেই লৈ গৈছিল। কন্যাক উচ্চ শিক্ষিত কৰাই গঢ়ি তুলিছিল এগৰাকী ৰাজপত্ৰিত বিষয়া হিছাপে। কিন্তু হঠাৎ ঘৰখনলৈ নামি আহে কাল অমানিশা। নূপুৰৰ মাতৃৰ দুবছৰ পূৰ্বে আত্মহত্যা আৰু একমাত্ৰ পুত্ৰ সন্তান ড্ৰাগছ আসক্ত হৈ প্ৰায় তিনিমাহ পূৰ্বে মৃত্যু হোৱাৰ পাছত অকলশৰীয়া হৈ পৰে পিতৃ কমল বৰা। তাৰ পিছতে কমল বৰাই নিজৰ ঘৰত নাথাকি এটা ভাড়াঘৰত থাকিবলৈ লয়। কন্যাৰ এই দুৰ্নীতি পোহৰলৈ অহাত লজ্জিত হৈ পৰে পিতৃ। আজি সংবাদ মাধ্যমৰ আগত নূপুৰক যি শাস্তি দিয়ে আইনে তেওঁ কোনো আপত্তি নাই বুলিও কমল বৰাই মন্তব্য কৰে। আজি ভিজিলেঞ্চে অভিযান চলোৱাৰ পিছত কমল বৰাক গোলাঘাট আৰক্ষীয়ে স্বাস্থ্য পৰীক্ষা কৰি যাবলৈ দিয়ে। আনহাতে চি এম ভিজিলেঞ্চৰ দলটোৱে বিশেষ কোনো ধৰণৰ তথ্য লাভ কৰা নাই বুলি উল্লেখ কৰে যদিও দেউতাকৰ এখন এল আই চিৰ পলিচি আৰু বেংকৰ পাছবুক পৰীক্ষা কৰাৰ কথা এক বিশেষ সূত্ৰৰ পৰা প্ৰকাশ পাইছে। চাৰিজনীয়া দলটোৱে এই কেইটা স্থানত অভিযান চলাই পুনৰ গুৱাহাটীলৈ ৰাওনা হয়।

# জুবিনৰ মৃত্যুত জাঁজী তামোলীছিগাৰ পিতৃগৃহত শোকাকূল পৰিৱেশ

**অসম বাৰ্তা, জাঁজী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ কোটি কোটি জনতাৰ হিয়াৰ আমঠু, সংগীত জগতৰ ভোটাতৰা জুবিন গাৰ্গৰ চিংগাপুৰত আকস্মিক মৃত্যু হোৱাৰ খবৰে সমগ্ৰ অসমৰ লগতে তেওঁৰ জাঁজী তামোলীছিগাৰ লুখুৰাখন গাঁৱত থকা পিতৃগৃহত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। এই আকস্মিক দুখৱৰৰ সত্যাসত্য জানিবৰ বাবে জুবিনৰ গুণমুগ্ধই তামোলীছিগাৰ ঘৰখনত ভীৰ কৰে। জুবিনৰ ককাকৰ ককাইভাই আছিল তিনিজন। কুমুদ বৰঠাকুৰ, মহেন্দ্ৰ বৰঠাকুৰ আৰু মাণিক বৰঠাকুৰ। কুমুদ বৰঠাকুৰৰ পুত্ৰ আছিল মোহিনী মোহন বৰঠাকুৰ অৰ্থাৎ জুবিনৰ দেউতাক। এই গোটেই কেইটা পৰিয়াল কৰ্মসূত্ৰে অসমৰ বিভিন্ন স্থানত প্ৰতিস্থিত হ'ল। মোহিনী মোহন বৰঠাকুৰে যোৰহাটৰ বঙালপুখুৰীত বাসগৃহ তৈয়াৰ কৰিলে। সেই সূত্ৰে জবিনৰ তামোলীছিগাৰ পিতৃঘৰৰ প্ৰতি এক বিশেষ টান আছিল আৰু মন গ'লেই এই ঘৰখনলৈ আহি আত্মীয় স্বজনক লগ কৰিছিল। বৰ্তমান জুবিনৰ পিতৃগৃহত থাকে সৰুজন ককাকৰ জীয়েক দেৱযানী বৰঠাকুৰ শৰ্মা অৰ্থাৎ জুবিনৰ পেহীয়েক। দেৱযানী বৰঠাকুৰে জনোৱা মতে শৈষৱত জুবিন তামোলীছিগাৰ ঘৰখনলৈ আহিলে পুখুৰীত সাতুঁৰিবলৈ যায়। জুবিনে সাতুৰি ভাল পাইছিল। গাঁৱৰ পৰিৱেশ ভাল পাইছিল। কৰ্মব্যস্ততাৰ বাবে এই ঘৰখনলৈ আহিবলৈ তেওঁৰ সময় নাছিল যদিও খবৰ ৰাখিছিল ফোন যোগে। পেহীয়েক দেৱযানী বৰঠাকুৰৰ এটা দুৰাৰোগ্য ৰোগৰ চিকিৎসাৰ খৰচ জুবিনেই বহন কৰিছিল দুইলাখ টকা। আজি জুবিনৰ বিয়োগৰ খবৰে পিতৃগৃহত থকা এই পৰিয়ালটো শোকত ভাগি পৰিছে। আনহাতে জুবিনৰ মৃত্যুত বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি জামুগুৰি চাপৰিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জাঁজী আঞ্চলিক ছাত্ৰ সন্থা, জাঁজী প্ৰেছ ক্লাব, জামুগুৰি ফুটবল কোচিং চেণ্টাৰ, জাঁজী আঞ্চলিক অলংকৃতা মহিলা সমাজ, জাঁজী নাট্য সমাজ কলা ভৱন, জাঁজী শাখা সাহিত্য সভা, জাঁজী শাখা কবি সন্মিলন, তামোলী ছিগা সৰ্বজনীন পূজা মন্দিৰ, লাহোৱাল পূজা মন্দিৰ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, জাঁজী চন্দধৰ গগৈ শংকৰদেৱ, শিশু নিকেটন, জামুগুৰি ডি, ফিটনেছ চেণ্টাৰ, শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘ, শিৱসাগৰ জিলাৰ গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা, ফুলপানীছিগা আঞ্চলিক ৰাস উদ্‌যাপন সমিতি, কৃষক ন্যাস, জাঁজী লেখিকা সংস্থা, উত্তৰ পুৰুষৰ মঞ্চ, জামুগুৰি আধ্যাত্মিক চিন্তা-চৰ্চা কেন্দ্ৰ, স্থানীয় বিভিন্ন শিক্ষানুষ্ঠান আদিয়ে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায়।

বিভিন্ন অনুষ্ঠানৰ শ্ৰদ্ধাঞ্জলি

## ৰূপহীহাটৰ লাইলুৰিত বিদ্যুৎপৃষ্ট হৈ এজনৰ মৃত্যু

**অসম বাৰ্তা, ৰূপহীহাট, ২০ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ লাইলুৰিত কালি সন্দিয়া বিদ্যুৎপৃষ্ট হৈ এজন লোকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। বিদ্যুৎপিষ্ট হৈ মৃত্যু হোৱা লোকজনৰ নাম আব্দুল মালেক(৪৫)। কালি সন্দিয়া আব্দুল মালেকে মাছ মাৰিবলৈ ঘৰৰ পৰা ওলাই গৈছিল। আব্দুল মালেকৰ মাছ মৰাৰ সঁজুলি বিদ্যুৎপৰিৱাহী তাৰত লগাৰ লগে লগে বিদ্যুৎপিষ্ট হৈ লোকজনৰ মৃত্যু হয়। বিদ্যুৎ বিভাগৰ চৰম গাফিলতিৰ বাবে লোকজনৰ মৃত্যু হোৱা বুলি স্থানীয় ৰাইজে অভিযোগ তুলিছে। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পাতাললৈ প্ৰেৰণ কৰে।

বিভিন্ন দল-সংগঠনৰ শ্ৰদ্ধাঞ্জলি

## হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ মৃত্যুত চেলেংহাটত শোঁকৰ ছাঁ

**অসম বাৰ্তা, আমগুৰি, ২০ ছেপ্টেম্বৰ ঃ** জুৱিন গাৰ্গৰ অকাল মৃত্যুত সমগ্ৰ ৰাজ্যৰ লগতে চেলেংহাটতো শোকৰ ছাঁ পৰিছে। প্ৰাণৰ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনাবলৈ স্বৰ্তস্ফুত ভাৱে ওলাই আহিল স্থানীয় ৰাইজ। চেলেংহাটৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰিলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। চেলেংহাটৰ কলীয়াপানী চাৰি আলিত চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত তথা কলিয়াপানী ব্যৱসায়ী সন্থা আৰু স্থানীয় ৰাইজৰ সহযোগত প্ৰয়াত শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। চেলেংহাট কলিয়াপানীত চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা পৰিক্ষীত ফুকনে আঁত ধৰা আৰু চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়াই বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ হৈ সভাপতি সুবিৰাজ নেওগ, প্ৰাক্তন আছুৰ হৈ প্ৰান্ত শইকীয়া, পৰিক্ষীত গগৈ, অনুৰঞ্জন দুৱৰা, সাংবাদিক দেৱবিকাশ দত্ত, জিলা পৰিষদৰ সদস্য ৰাজেন গগৈ আদিৰ লগতে আট্‌চা, আছা চেলেংহাট আঞ্চলিক শাখা, কলিয়াপানী ব্যৱসায়ী সন্থা আদিৰ লগতে স্থানীয় ৰাইজে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সেইদৰে চেলেংহাট অসম গ্ৰামীন বিকাশ বেংকৰ সন্মুখতো অসমীয়াৰ হিয়াৰ আমঠু শিল্পী গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিভিন্ন জাতীয় দল সংগঠন আৰু স্থানীয় ৰাইজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে চেলেংহাট চিৰাখুন্দা গাঁৱটো গাঁৱৰ ৰাইজে শেষ শ্ৰদ্ধাঞ্জলি জনায় শিল্পী জনাক।

## জুবিন গাৰ্গৰ মৃত্যুত চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ শোক

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ হাৰ্টথ্ৰ'ৱ হিচাপে জনাজাত, আন্তৰ্জাতিক খ্যাতিসম্পন্ন সঙ্গীত শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে আমাক স্তম্ভিত কৰি তুলিছে। তেওঁৰ মৃত্যুত ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ হৈ সভাপতি চেহিৰ আহমদ আৰু সম্পাদক এম হাছিম আলীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

## জুবিন গাৰ্গৰ মৃত্যুত ৰামধেনু শাখা সাহিত্য সভাৰ শোক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক বিয়োগত বঙালগাঁও ৰামধেনু শাখা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে। এক প্ৰেছ বিবৃতিত সম্পাদক অনিল প্ৰসাদ সিংহ আৰু সভাপতি ভূষণ জ্যোতি সন্দিকৈয়ে কয় যে জুবিন গাৰ্গে আধুনিক ৰোমাণ্টিক সংগীতৰ জগতত এক নতুন যুগৰ সৃষ্টি কৰি গ'ল। তেখেতৰ অৱৰ্তমানত সেই সংগীতৰ ধাৰা স্থবিৰ হৈ ৰ'ব।

সেৱা সপ্তাহৰ অন্তৰ্গত 'শুশ্ৰূষা সেতু' শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ সম্পন্ন

# শিৱসাগৰৰ ডিমৌত বিধানসভা সমষ্টিভিত্তিক সেৱাই সমৰ্পণ

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যজুৰি 'সেৱাই সমৰ্পণ ঃ সেৱা সপ্তাহ' পালনৰ আজি তৃতীয় দিনা শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টিৰ বাবে ডিমৌ ৰাজহুৱা খেলপথাৰত অসম চৰকাৰৰ "শুশ্ৰূষা সেতু" শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ডিমৌ পৌৰসভাৰ সভানেত্ৰী পল্লৱীতা বৰুৱা গগৈয়ে ডিমৌৰ সম-জিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্ত পৰিস্মিতা দিহিঙ্গীয়া, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতা, ডিমৌ ৰাজহ চক্ৰ চক্ৰ বিষয়া অংকন জ্যোতি ফুকন, সহকাৰী আয়ুক্তদ্বয় গণেশ চন্দ্ৰ বড়ো আৰু বিদিশা বড়া, ডিমৌ পৌৰসভাৰ কাৰ্যবাহী বিষয়া মৃত্যুঞ্জয় ভৰালীৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। আজিৰ এই অনুষ্ঠানত স্বাস্থ্য সেৱাৰ বিভিন্ন বিভাগৰ চিকিৎসক, স্বাস্থ্যকৰ্মীসকলকে ধৰি বিভাগীয় বিষয়া কৰ্মচাৰী-কৰ্মচাৰী আৰু গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। আজি অনুষ্ঠিত হোৱা শিবিৰটোত ৰাইজৰ বিপুল সঁহাৰি লাভ কৰাৰ লগতে ১৭৯৩ গৰাকী লোকৰ পঞ্জীয়ন কৰা হয় আৰু ইয়াৰে ১১১ গৰাকীক বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ বাবে চয়ন কৰা হয়। শিবিৰত স্বাস্থ্য সেৱাৰ সুবিধাৰ বাবে পঞ্জীয়ন ডেস্ক, মোবাইল লেবৰেটৰী, জেনেৰেল লেবৰেটৰী, জেনেৰেল অ'পিডি, আয়ুষ আৰু কেন্সাৰ অ'পিডি স্থাপন কৰা হয়। আজিৰ শিবিৰত ১০টা বিশেষজ্ঞ বিভাগৰ অধীনত স্বাস্থ্য পৰীক্ষণ আৰু চিকিৎসা সেৱা প্ৰদান কৰা হয়। উক্ত স্বাস্থ্য শিবিৰত ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ- কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ উপৰিও হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষাৰ সুবিধা উপলব্ধ কৰোৱা হয়। তদুপৰি পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণৰ ব্যৱস্থা, ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা ইত্যাদি সেৱাও অন্তৰ্ভুক্ত কৰোৱা হয়।

'প্ৰকৃতিৰ সৈতে, প্ৰগতিৰ পথে' সেৱা সপ্তাহৰ লগত সংগতি ৰাখি বৰপেটা

# জিলাত জিলা-ব্যাপী বৃক্ষৰোপণ অভিযান

**অসম বাৰ্তা, বৰপেটা সদৰ, ২০ ছেপ্টেম্বৰ ঃ** চলিত সেৱা সপ্তাহৰ লগত সংগতি ৰাখি আৰু মাননিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিন উদযাপন উপলক্ষে বৰপেটা জিলাত জিলা-ব্যাপী এক বৃহৎ বৃক্ষৰোপণ অভিযান অনুষ্ঠিত হয়। বৰপেটা জিলাৰ বিভিন্ন শিক্ষা খণ্ডৰ অন্তৰ্গত প্ৰায় ৬০০টা বিদ্যালয়ে এই উদ্যোগত অংশগ্ৰহণ কৰে। প্ৰতিখন বিদ্যালয়ে ৭৫টা কৰি গছৰ পুলি ৰোপণ কৰাৰ ফলত মুঠ প্ৰায় ৪৫, ০০০টা গছৰ পুলি ৰোপণ কৰা হয়। ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় বাসিন্দাসকলৰ সক্ৰিয় অংশগ্ৰহণে এই কাৰ্যসূচীক উৎসৱমুখৰ পৰিৱেশ প্ৰদান কৰে। এই বিশেষ উদ্যোগে সকলোতকৈ বেছি গুৰুত্ব আৰোপ কৰিছে পৰিৱেশ সংৰক্ষণ আৰু ভৱিষ্যতৰ সুস্থ আৰু সেউজ পৰিবেশ গঢ়ি তোলাত। কৰ্তৃপক্ষই মন্তব্য কৰে যে "প্ৰকৃতিৰ সৈতে, প্ৰগতিৰ পথে" এই বাৰ্তাখনে সম্পূৰ্ণ ৰূপে প্ৰতিফলিত হৈছে। তেওঁলোকে কয় যে, প্ৰকৃতিক সেয়া কৰাটো স্থায়ী উন্নয়নৰ দিশে এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই অভিযানৰ মূল লক্ষ্য পৰিৱেশ সংৰক্ষণৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ মাজত পৰিৱেশ-সচেতনতা বৃদ্ধি কৰি এক স্বাস্থ্যকৰ, সেউজ বৰপেটা গঢ়ি তোলা। শ্ৰীমতী গীতাশ্ৰী লাচিত, অতিৰিক্ত আয়ুক্ত (শিক্ষা) আৰু ডিএমচি, এছএছএ, বৰপেটাই নিজেও এই অভিযানত অংশগ্ৰহণ কৰে। তেওঁ দক্ষিণ বৰপেটা বিদ্যমন্দিৰ উচ্চ মাধ্যমিক বিদ্যালয়, জুৰোৱাম পাঠক গাৰ্লছ হাই স্কুল আৰু পৰমেশ তালুকদাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত গছৰ পুলি ৰোপণ কৰে।

## সদৌ অসম মইনা পাৰিজাতৰ দৈয়াং আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, মেৰাপানী, ২০ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলা মেৰাপানী সোণেশ্বৰ বৰা ভৱনত আজি দৈয়াং আঞ্চলিক মইনা পাৰিজাত গঠনৰ সম্পৰ্কত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে মেৰাপানী টাউন মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক শ্ৰী কেশৱ চন্দ্ৰ ফুকন দেৱে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ভদ্ৰেশ্বৰ বৰাই। সভাত সদৌ অসম মইনা পাৰিজাতৰ সদস্য চন্দ্ৰ দ্বীপ গগৈ, দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ সম্পাদক পাথপ্ৰতীম শইকীয়া, উপদেষ্টা খগেন বৰাৰা উপস্থিতিত কেশৱ চন্দ্ৰ ফুকনক সভাপতি, অজিত শইকীয়াক কাৰ্যকৰী সভাপতি ভদ্ৰেশ্বৰ বৰাক সাধাৰণ সম্পাদক, ৰূপাংকৰ বৰুৱাক সম্পাদক আৰু লোহিত শইকীয়াক সহকাৰী সম্পাদক হিচাপে লৈ দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ সমিতিখন গঠন কৰা হয়। সভাত দৈয়াং ছিনিয়ৰ ছেকেণ্ডী স্কুলৰ শিক্ষক সুনিল বৰা, শংকৰদেৱৰ পাব্লিক স্কুলৰ সঞ্চালক বোপাৰাম হাছদা, জ্যোতি বাল্য বিদ্যাভৱনৰ সঞ্চালক খগেন শইকীয়া, মেৰাপানী নৃত্য তৰংগিনী কলাকেন্দ্ৰৰ অধ্যক্ষ ৰূপাংকৰ বৰুৱা, সংবাদ কৰ্মী দেৱ দাস, আদি দৈয়াংৰ শিশুপ্ৰেমী সকল উপস্থিত থাকে।

## মায়াবিনী ৰাতিৰ বুকুত গীতেৰে জুবিনলৈ আমগুৰিবাসীৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, আমগুৰি, ২০ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি নগৰৰ মাজমজিয়াত আজি সন্ধিয়া সদ্যপ্ৰয়াত শিল্পী, যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰ'ৱ জুবিন গাৰ্গৰ প্ৰতি অন্তিম শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। টাই আহোম ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, আহোম সেনা, বীৰ লাচিত সেনা, কৃষক মুক্তি, ছাত্ৰ মুক্তি, আমগুৰি সাংবাদিক গোষ্ঠী, লেখিকা সমাৰোহ সমিতি আদি সমূহ সংগঠনৰ উদ্যোগত আমগুৰি বাসী ৰাইজে নগৰৰ অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ কৰি চাৰিআলিলৈ ওলাই আহি স্বতঃস্ফুৰ্তভাৱে শ্ৰদ্ধাৰ্ঘ্য নিৱেদন কৰে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাই আৰু সহযোগ কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ্য ইন্দ্ৰ কমল ফুকনে। অনুষ্ঠানত আমগুৰি পৌৰসভা, পূবেৰুণ শিল্পী সমাজ, অসম গণ পৰিষদ, আমগুৰি ব্যৱসায়ী সন্থা, চালক সন্থা, কান্টি উইমেনচ, লেখিকা সমাৰোহ, সাহিত্য সভা আমগুৰি মাৰোৱাৰী সমাজ, বেঙ্গলী সমাজ, শঙ্কৰদেৱ কলা-কৃষ্টি প্ৰশিক্ষণ কেন্দ্ৰ, প্ৰেছ ক্লাব, প্ৰিণ্ট মিডিয়া, জ্যেষ্ঠ নাগৰিক সমাজ, আমগুৰি মিনি ট্ৰিপাৰ সন্থা, পোহৰ ইত্যাদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰিয় শিল্পী গৰাকীক শেষ শ্ৰদ্ধা নিবেদন কৰে।

## জুবিন গাৰ্গৰ মৃত্যুত গৰৈমাৰীত দল-সংগঠনৰ শোক

**অসম বাৰ্তা, গৰৈমাৰী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আজি ছিংগাপুৰত আকস্মিকভাৱে হোৱা মৃত্যুত গৰৈমাৰীৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। গৰৈমাৰী-কালাতলী-সোণতলী চমুকৈ জি কে এছ প্ৰেছ ক্লাবৰ সভাপতি-সম্পাদকে যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ অসহনীয় আৰু অকল্পনীয় বুলি অভিহিত কৰি জুবিন গাৰ্গ অসমবাসীৰ বাবে চিৰস্মৰণীয় হৈ থাকিব বুলি প্ৰকাশ কৰে। আন এক শোক-বাৰ্তাত বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ বহুবাকৰ প্ৰধান সম্পাদক দীপক শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুক পৰ্বতত কৈ গধুৰ সংবাদ বুলি কয়। অসমৰ সংগীত জগতত নিজৰ বাৰেৰহণীয় অৱদানেৰে সমৃদ্ধিশালী কৰি তোলা জনতাৰ নিভাজ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ খবৰ সঁচাকৈয়ে অকল্পনীয় আৰু অবিশ্বাস্য। জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰা, সৰ্বস্তৰৰ আদৰৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত গৰৈমাৰী চিৰতন্নবী লাইব্ৰেৰী, গৰৈমাৰী টাউন ক্লাব, পূব ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থা, গৰৈমাৰী বজাৰ সমিতি আৰু ব্যৱসায় সন্থা, স্থানীয় আমছু গোটৰ উপৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

## কচুৱা আৰক্ষীৰ অভিযানত পুনৰ তীৰ খেলৰ লগত জড়িত দুজনক আটক

**অসম বাৰ্তা, কচুৱা, ২০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীৰ অবৈধ তীৰ খেলৰ বিৰুদ্ধে অভিযান। এক গোপন সূত্ৰৰ ভিত্তিত নিশা অভিযান চলাই কচুৱা থানাৰ অন্তৰ্গত মাধৱপাৰা বজাৰৰ পৰা তীৰ আৰু এণ্ডিং খেলৰ বুকি দুজনক আটক কৰিবলৈ সক্ষম হয়। ধৃত লোকদুজন মাধৱপাৰা গাঁৱৰ মুছলিম উদ্দিন (৬৩) আৰু বিল্লাল হুছেইন (৩০) বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ধৃত লোক দুটাই বহু বছৰ ধৰি মাধৱপাৰা বজাৰত অবৈধ তীৰ আৰু এণ্ডিং খেলৰ টিকট বিক্ৰীৰ কামত নিয়োজিত হৈ আহিছিল বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। ধৃত লোক দুজনক আজি জেললৈ প্ৰেৰণ কৰে। ইয়াৰ আগতেও কচুৱা আৰক্ষীয়ে দুদিন পূৰ্বে তীৰ খেলৰ লগত জড়িত থকাৰ অভিযোগত দুজনক আটক কৰি জেললৈ প্ৰেৰণ কৰা হৈছিল।

### মাতৃৰ পৰিয়ালত শোকাকূল পৰিৱেশ

# জুবিন গাৰ্গৰ আকস্মিক মৃত্যু

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২০ ছেপ্টেম্বৰ ঃ** নৰ্থ-ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে ছিংগাপুৰলৈ গৈ সাগৰত স্কুবা ডাইভিং কৰি থাকোঁতে আকস্মিকভাৱে দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন অৱস্থাত আজি দিনৰ ২-৪৫ বজাত শেষ নিঃশ্বাস ত্যাগ কৰা হাৰ্টথ্ৰব জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ সমগ্ৰ ৰাজ্যখনতে প্ৰচাৰ হোৱাত সৰ্বত্ৰে শোকাকূল পৰিৱেশৰ সৃষ্টি হৈছে। ৰাজ্যৰ অন্যান্য স্থানৰ লগতে যোৰহাটত আজি বিয়লি আৰু নিশা হ'বলগীয়া সকলোবোৰ অনুষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যসূচী বাতিল কৰিলে। বহু অনুষ্ঠানত জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ পাই শোক প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে সন্ধিয়া ঠায়ে-ঠায়ে বন্তি প্ৰজ্বলন কৰি শিল্পীজনাৰ প্ৰতি শ্ৰদ্ধা জনাইছে। জুবিন গাৰ্গৰ মাতৃ ইলা বৰঠাকুৰৰ গৃহ যোৰহাট পুলিবৰ সৰুচৰাই আলিৰ কাষৰ পৰিয়ালটোৰ লগতে পশ্চিম যোৰহাট অঞ্চলটোতে শোকাকূল পৰিৱেশৰ সৃষ্টি হৈছে। যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অধ্যয়ন কৰি থাকোঁতেই জুবিন গাৰ্গ মাতৃৰ গৃহ অৰ্থাৎ মোমায়েকৰ ঘৰত থাকি কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল। ৰেঞ্জাৰ বাইচাইকেল লৈ সেই সময়ত অঞ্চলটোত অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীবোৰত আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিছিল। ১৯৮৯ চনৰ ব'হাগ মাহৰ শেষৰ ফালে যোৰহাটৰ পশ্চিম দিশৰ ৰাষ্ট্ৰীয় পথ আৰু উপপথৰ সংযোগ স্থলৰ আহল-বহল ঠাইত স্থানীয় সাংস্কৃতিক কৰ্মীসকলে ৰঙালী বিহু সন্মিলন অনুষ্ঠিত কৰিছিল। সেই বছৰ যোৰহাটৰ জিলাখনৰ অঞ্চলসমূহত অনুষ্ঠিত হোৱা বিহু সন্মিলনবোৰৰ ভিতৰত এই বিহু সন্মিলনখনি শ্ৰেষ্ঠ বিহু সন্মিলন হৈছিল বুলি আজিও বহুলোকে কয়। সেই বিহু সন্মিলনৰ লগত সংগতি ৰাখি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাও উলিয়াইছিল। সেই শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ শিল্পীসকলে নৃত্য প্ৰদৰ্শন কৰি আকৰ্ষণীয় কৰি তুলিছিল। নিশালৈ অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত স্থানীয় যুৱক-যুৱতীসকলে গীত পৰিৱেশন কৰিছিল। তাৰ ভিতৰৰে এজন আছিল জুবিন গাৰ্গ। জুবিন গাৰ্গে কণ্ঠশিল্পীৰূপে জীৱনত প্ৰথম সফলতা অৰ্জন কৰিছিল ১৯৯২ চনত যুৱ মহোৎসৱত পাশ্চাত্য একক গীত পৰিৱেশন কৰি স্বৰ্ণ পদক লাভ কৰিছিল। সেয়াই তেওঁৰ জীৱনৰ টাৰ্ণিং পইণ্ট বুলি আজি যোৰহাটৰ বহুসংখ্যক লোকে মন্তব্য কৰিছে। জুবিন গাৰ্গৰ মৃত্যুত যোৰহাটৰ জাতীয়-জনগোষ্ঠীয় সংগঠনসমূহৰ লগতে যোৰহাট জিলা কোঁচ ৰাজবংশী সন্মিলনেও শোক প্ৰকাশ কৰিছে বুলি প্ৰবীণ বৰাই উল্লেখ কৰিছে।

# ডুমডুমাত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ** আজি ছিংগাপুৰত এক দুৰ্ঘটনাত পতিত হৈ আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰব জুবিন গাৰ্গলৈ আজি সন্ধিয়া ডুমডুমাত ৰাইজে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। সদৌ অসম ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত ডুমডুমা নগৰৰ গান্ধী মূৰ্তিৰ সমীপত অনুষ্ঠিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ডুমডুমাবাসী ৰাইজে দল - মত নিৰ্বিশেষে স্বতঃস্ফুৰ্তভাৱে অংশগ্ৰহণ কৰে। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতীম নেওগে আঁত ধৰা অনুষ্ঠানটিত প্ৰাক্তন ছাত্ৰ নেতা জিতু ডেকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক সুৰজিৎ মৰাণ, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, সম্পাদক নিত্যানন্দ দাস, ডুমডুমা নামঘৰৰ সমিতিৰ সভাপতি মৃগেন শইকীয়া, সাংবাদিক অভিজিৎ খাটনিয়াৰ, সাংস্কৃতিক কৰ্মী সাৰংগ নাথে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অনুষ্ঠানত আটছা, সদৌ মৰাণ ছাত্ৰ সন্থা, আটাছু, প্ৰমুখ্যে বিভিন্ন দল সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইপিনে ডুমডুমা নাট্য মন্দিৰ সমিতিয়েও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। নাট্য মন্দিৰত আজি সন্ধিয়া অনুষ্ঠিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সমিতিৰ সভাপতি ডাঃ প্ৰণৱ জ্যোতি ডেকা, প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা আৰু জিতেন ডেকা, সম্পাদক হেমন্ত মহন্ত, সহকাৰী সম্পাদক দেবেন ডেকা আৰু কুলধৰ বৰ্মন, কোষাধ্যক্ষ পংকজ শৰ্মা, সাংস্কৃতিক সম্পাদক নয়ন ডেকা, প্ৰমুখ্যে সমিতিৰ ভালেসংখ্যক বিষয়ববীয়া আৰু সদস্যই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

# অৰুণাচল প্ৰদেশৰ পৰা আৰু দুগৰাকী কিশোৰী উদ্ধাৰ কৰিলে ডুমডুমা আৰক্ষীয়ে; দুজন গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ** এক ক্ষিপ্ৰ অভিযানত ডুমডুমা আৰক্ষীয়ে দুগৰাকীকৈ ১৬ আৰু ১৭ বছৰীয়া কিশোৰীক অৰুণাচল প্ৰদেশৰ ইটানগৰৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিশোৰী দুগৰাকীক গৃহকৰ্মীৰ চাকৰি দিয়াৰ প্ৰলোভনেৰে অৰুণাচল প্ৰদেশলৈ নিয়া হৈছিল। দুয়োগৰাকী কিশোৰী ডুমডুমা থানাৰ অন্তৰ্গত অঞ্চলৰ বাসিন্দা। অভিযোগ পঞ্জীয়নৰ ৭২ ঘণ্টাৰ ভিতৰত আৰুণাচল প্ৰদেশৰ ইটানগৰ পৰা তেওঁলোকক উদ্ধাৰ কৰা হয়। উপ পৰিদৰ্শক প্ৰাঞ্জল ফুকনৰ নেতৃত্বত, ডুমডুমা থানাৰ আৰক্ষীৰ এটা দলে থানাখনত ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৬১(২)(ক)/১৪৩(৫)ৰ অধীনত পঞ্জীয়ন হোৱা গোচৰ নং - ১৭৯/২০২৫ তদন্ত কৰি অৰুণাচল প্ৰদেশ আৰক্ষীৰ সহযোগত এই অভিযান চলাইছিল। এই সংক্ৰান্তত আৰক্ষীয়ে দুজন অভিযুক্তকো গ্ৰেপ্তাৰ কৰে। তেওঁলোকে হ'ল মেগেলা, তলাপৰ নাৰায়ণ তাঁতী ওৰফে অজয় (৩০) আৰু তলাপ, পুলিবাৰীৰ অমৰ নায়ক (৩০)। অমৰ বৰ্তমান ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত বস্তি লাইনৰ বাসিন্দা। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে যোৱা ১৪ ছেপ্টেম্বৰৰ দিনাও ডুমডুমা আৰক্ষীয়ে আৰুণাচল প্ৰদেশৰ তেজুৰ পৰা অপহৃত এজনী স্কুলীয়া ছাত্ৰীক অভিযোগ পঞ্জীয়নৰ ৪৮ ঘণ্টাৰ ভিতৰত উদ্ধাৰ কৰিছিল আৰু ঘটনাত জড়িত চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল।

## ৰূপহী সাংস্কৃতিক মঞ্চৰ শোক প্ৰকাশ

**অসম বাৰ্তা, ৰূপহীহাট, ২০ ছেপ্টেম্বৰ ঃ** যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ অকাল বিয়োগত নগাঁৱৰ বৃহত্তৰ ৰূপহী সাংস্কৃতিক গোষ্ঠীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। বৃহত্তৰ ৰূপহী সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক মনি বৰা আৰু সভাপতি ইকবাল হুছেইনে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ লগে লগে অসমীয়া আধুনিক সংগীত জগতৰ এটা যুগৰ অৱসান বুলি কয়। শিল্পী গৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি সাংস্কৃতিক সমন্বয় গোষ্ঠীয়ে অনাগত দিনত প্ৰতিগৰাকী অসমীয়াৰ প্ৰাণত তেওঁৰ কৰ্মৰাজী জীয়াই থাকিব প্ৰকাশ কৰে।

# সংগীতৰ সূৰ্যৰ আজি অস্ত গ'ল; অসম সত্ৰ মহাসভা

**অসম বাৰ্তা, লাহৰীঘাট, ২০ ছেপ্টেম্বৰ ঃ** এগৰাকী প্ৰসিদ্ধ কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে মৰ্মাহত কৰিছে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ প্ৰতিগৰাকী সংগীত অনুৰাগীক। ১৯৭২ চনৰ ১৮নৱেম্বৰ তাৰিখে জন্মগ্ৰহণ কৰা জুবিন গাৰ্গে অসমীয়া, হিন্দী, বঙালী, বড়ো, উৰিয়া, তামিল, তেলেগু, ভোজপুৰী আদি বিভিন্ন ভাষাত গীত ৰচনা কৰি সুৰোপিত কৰাৰ লগতে নেপথ্যৰ গায়ক, সংগীত পৰিচালক, সুৰকাৰ, গীতিকাৰ, অভিনেতা, পৰিচালক, বাদ্যযন্ত্ৰী লগতে কবি হিচাপে জনপ্ৰিয়তা অৰ্জন কৰি প্ৰতিজন অসমীয়াৰ হৃদয়ত নিগাজীকৈ স্থান ল'বলৈ সক্ষম হোৱাৰ উপৰিও আৰ্তজনৰ ওচৰত প্ৰতিটো মুহূৰ্ততে থিয় দি মানৱতাৰ পৰিচয় দি অহা জুবিন গাৰ্গে ১৯ ছেপ্টেম্বৰ তাৰিখে চিংগাপুৰত নৰ্থ ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ স্কুভা ড্ৰাইভিংত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ ২: ৪৪ বজাত আকস্মিকভাৱে মৃত্যু হোৱা খবৰে মৰ্মাহত কৰিছে অসম সত্ৰ মহাসভাক। গুৰুজনাৰ অমূল্য সৃষ্টিৰাজি প্ৰাণৱন্ত কৰি আধ্যাত্মিকতাৰ বীজ সিঁচা জুবিন গাৰ্গৰ মৃত্যুত সংগীতৰ সূৰ্য আজি অস্ত গ'ল বুলি মত পোষণ কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান তথা মৰিগাঁৱৰ কালশিলা সত্ৰৰ সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্ত আৰু সভাপতি তথা ধুবুৰীৰ ৰামৰায় কুটীৰ সত্ৰৰ সত্ৰাধিকাৰ জিতেন্দ্ৰ প্ৰধানীয়ে। সংগীত সূৰ্যৰ প্ৰস্থানত গভীৰ শোক প্ৰকাশ কৰি অসম সত্ৰ মহাসভা গুৱাহাটী মহানগৰ সমিতিৰ সম্পাদক কমল কুমাৰ আৰু সভাপতি ডাঃ কণক চন্দ্ৰ তালুকদাৰে জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোক প্ৰস্তাৱ প্ৰেৰণ কৰে। অসম সত্ৰ মহাসভা কেন্দ্ৰীয় সমিতিৰ লগতে অসম সত্ৰ মহাসভা গুৱাহাটী মহানগৰ জিলা সমিতিৰ তৰফৰ পৰা বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে শোকগ্ৰস্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

## চামগুৰিত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, পুৰণিগুদাম, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী হিয়াৰ আমঠু হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ আজি ছিংগাপুৰত অকাল মহাপ্ৰয়াণ ঘটাত দেশৰ লগতে অসমৰ প্ৰতিজন অসমীয়া আজি শোকত মিয়মান। নৱপ্ৰজন্মৰ শিল্পী জুবিন গাৰ্গৰ আজি মহাপ্ৰয়াণৰ বাতৰি বিয়পি পৰাৰ পিছতেই ৰাজ্যখনৰ লগতে নগাঁও জিলাৰ চামগুৰিতো বিভিন্ন দল সংগঠনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। চামগুৰি তিনিআলিৰ সমীপত আজি সন্ধিয়া চামগুৰি আঞ্চলিক ছাত্ৰ সন্থা, পুৰণিগুদাম মণ্ডল বিজেপিৰ লগতে স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে প্ৰিয় শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। আনহাতে, নৱপ্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ অকাল মৃত্যুত চামগুৰিৰ সমূহ সাংবাদিকসকলৰ লগতে পুৰণিগুদাম প্ৰেছ ক্লাৱ, অৰ্নিবাণ গোষ্ঠী, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, চম্পাৱতী ৰঙালী বিহু উদ্‌যাপন সমিতি, কলং কলা কেন্দ্ৰ পুৰণিগুদাম, চামগুৰি আঞ্চলিক ছাত্ৰ সন্থা, পুৰণিগুদাম মণ্ডল বিজেপি আৰু স্থানীয় ৰাইজে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

### বন্তি প্ৰজ্বলনেৰে আছুৰ শ্ৰদ্ধাঞ্জলি

# জুবিন গাৰ্গৰ মৃত্যুত গেৰুৱাত শোকৰ ছাঁ

**অসম বাৰ্তা, ভূৰাগাঁও, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ স্বাভিমান, হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ অসমৰ লগতে মৰিগাঁও জিলাৰ গেৰুৱাতো শোকৰ ছা পৰিছে। সাগৰৰ দৰে বহল হৃদয়ৰ শিল্পীজন যেন সাগৰতে হেৰাই গ'ল। শিল্পী গৰাকীৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱা মাত্ৰকে লাহৰীঘাট, প্ৰেছ ক্লাব, গেৰুৱা যুৱ নাট্য মঞ্চ, গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাকে প্ৰমোখ্য কৰি বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ সমান্তৰালকৈ গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু গেৰুৱাবাসী ৰাইজৰ সহযোগত গেৰুৱা চাৰিআলিত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ জৰিয়তে শিল্পী গৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰে সংগতি ৰাখি আছুৰ উদ্যোগত ১০১ গছি বন্তি প্ৰজ্বলন কৰি শিল্পী গৰাকীৰ বিদেহী আত্মাৰ সংগতি কামনা কৰে। একেদৰে ভূৰাগাঁও, লাহৰীঘাট আদি অঞ্চলতো শিল্পীজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে গুণমুগ্ধই।

# শিৱসাগৰ জিলাত বিশাল কলেৱৰত অসম সংগীত পৰিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত বৈঠক সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ মাজত একতা, সাংস্কৃতিক প্ৰমূল্য, জাতীয় চেতনা বৃদ্ধিৰ লক্ষ্যৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ জন্মজয়ন্তী উদযাপন উপলক্ষে সমগ্ৰ ৰাজ্যজুৰি ১ কোটি জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে অসমৰ চহকী ঐতিহ্য আৰু দেশপ্ৰেমৰ চেতনা উদ্বুদ্ধ কৰা বেজবৰুৱাদেৰৰ অমৰ সৃষ্টি অসম সংগীত "অ' মোৰ আপোনাৰ দেশ" বিশাল কলেৱৰত পৰিবেশনৰ এক প্ৰস্তুতি আৰম্ভ কৰা হৈছে। শিৱসাগৰ জিলাত এই অনুষ্ঠান আয়োজনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ অৰ্থে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্ত (সাংস্কৃতিক পৰিক্ৰমা) গৌৰীপ্ৰিয়া দেউৰীৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে যে উক্ত অনুষ্ঠানৰ সন্দৰ্ভত শিৱসাগৰ জিলাৰ বাবে ৪ লাখ অংশগ্ৰহণকাৰীৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে, যাৰ ভিতৰত বিধানসভা সমষ্টি পৰ্যায়ত শিৱসাগৰৰ বাবে ১.৩৫ লাখ, ডিমৌৰ বাবে ১.৩০ লাখ আৰু নাজিৰাৰ বাবে ১.৩৫ লাখ অংশগ্ৰহণকাৰী থিৰাং কৰা হৈছে। বৈঠকত অসম সংগীতৰ বাবে পৰিবেশন থলীসমূহৰ স্থান চয়ন সন্দৰ্ভতো আলোচনা কৰা হয়। জিলাখনৰ বিভিন্ন স্তৰৰ জনসাধাৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে চৰকাৰী বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীৰ অংশগ্ৰহণ সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয়। আজিৰ বৈঠকত সহকাৰী আয়ুক্তত্ৰয় নিমাশ্ৰী ডাউকা, বিদিশা শইকীয়া আৰু কল্যাণ জ্যোতি হাজৰিকা, অসম টাই যাদুঘৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া নিলোৎপল ৰাজকোঁৱৰ, শিৱসাগৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া মুনমী শ্যাম, পৌৰসভাসমূহৰ কাৰ্যবাহী বিষয়াসকল আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

## ৰূপহীহাটৰ লটানী চাপৰি বজাৰত দোকানৰ ভিতৰত ছাগলী চোৰৰ গাড়ী

**অসম বাৰ্তা, ৰূপহীহাট, ২০ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ লটানী বজাৰত যোৱানিশা এক ভয়ংকৰ ঘটনা সংঘটিত হয়। যোৱা নিশা ছাগলী চোৰৰ দল এটাই এএছ-১২-এজে-৪৯৩৯ নম্বৰৰ এখন বিলাসী বাহনেৰে ছাগলী চুৰি কৰি আহি আছিল। এই খবৰ আমবাগান আৰক্ষীয়ে গম পাই ছাগলী চোৰৰ পিছে পিছে খেদি আহে। আৰক্ষী অহাৰ উমান পাই ছাগলী চোৰৰ দলটোৱে তীব্ৰবেগে পলায়নৰ চেষ্টা কৰে। চোৰৰ দলটোৱে লটানী বজাৰ পোৱাৰ লগে লগে গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে এখন পান দোকানত খুন্দামাৰি এটা চাহৰ দোকানত সোমাই পৰে। লগে লগে ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হয় যদিও ছাগলী চোৰৰ দলটো আন্ধাৰৰ সুযোগ লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে গাড়ীখনৰ পৰা দুটা ছাগলী আৰু গাড়ীখন জব্দ কৰে।

### শোকসভাত প্ৰিয় শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ

# জুবিন গাৰ্গৰ মৃত্যুত পুৰণিগুদামত শোক

**অসম বাৰ্তা, পুৰণিগুদাম, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আজি মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে সমগ্ৰ ৰাজ্যবাসীৰ লগতে নগাঁও জিলাৰ পুৰণিগুদামবাসী ৰাইজ শোকস্তব্ধ হৈ পৰিছে। আজি পুৰণিগুদামৰ আগশাৰীৰ সামাজিক অনুষ্ঠান অনিৰ্বাণ গোষ্ঠীৰ সমীপত অনুষ্ঠিত হয় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু চম্পাৱতীৰ আহ্বান ক্ৰমে আয়োজন হোৱা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অনিৰ্বাণ গোষ্ঠী, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম প্ৰেছ ক্লাবকে ধৰি পুৰণিগুদামৰ বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া উপস্থিত থাকি মৰমৰ শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায়। কেন্দ্ৰীয় ৰঙালী বিহু চম্পাৱতীৰ সভাপতি জ্যোতিৰ্ময় গোস্বামীয়ে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ কৰ্মকৰ্তা আৰু স্থানীয় পুৰুষ-মহিলাই প্ৰিয় শিল্পীজনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। অনিৰ্বাণ গোষ্ঠীৰ সম্পাদক প্ৰখ্যাত কুমাৰ ভূঞাই আঁট ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পুৰণিগুদামৰ বিশিষ্ট সমাজকৰ্মী প্ৰফুল্ল শইকীয়া, পূৰ্ণানন্দ ভূঞা, শিল্পী-শিক্ষক কুলপ্ৰদীপ দাস উপস্থিত থাকি প্ৰিয় শিল্পীগৰাকীৰ অকাল মৃত্যু অসমৰ বাবে অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে।

## লখিমপুৰ জিলা আন্তঃক্লাব মহিলা ফুটবল লীগৰ দ্বিতীয়খন ছেমি ফাইনেল সম্পন্ন

**অসম বাৰ্তা, বান্দৰদেৱা, ২০ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰেইনব ক্ৰীড়া সন্থা আৰু এম ডী এফ চি, হাৰমতিৰ সহযোগত হাৰমতি চাহ বাগিছা খেলপথাৰত অনুষ্ঠিত হৈ থকা তৃতীয় বাৰ্ষিক লখিমপুৰ জিলা আন্তঃক্লাব মহিলা ফুটবল লীগৰ দ্বিতীয়খন ছেমি ফাইনেল খেলত শুক্ৰবাৰে এম দি এফ চি (এ) দলে ৰামপুৰ বগীবিল ফুটবল ক্লাবক ৩-২ গলত পৰাজিত কৰি চূড়ান্ত খেলত উপনীত হয়। আগন্তুক চূড়ান্ত খেল খনিত অংশগ্ৰহণ কৰিব এম দি এফ চি (এ) দল আৰু বি আৰ এফ চি দলে।

## বাক্সাৰ নবস্তিত জুবিনলৈ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, বাক্সা, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু, হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ ছিংগাপুৰত অকাল মহাপ্ৰয়াণ ঘটাত দেশৰ লগতে অসমৰ প্ৰতিজন অসমীয়া আজি শোকত ম্ৰিয়মাণ। নৱ প্ৰজন্মৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ বাতৰি বিয়পি পৰাৰ পিছতে ৰাজ্য খনৰ লগতে বাক্সা জিলাৰ নবস্তিটো বিভিন্ন দল সংগঠনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি প্ৰিয় শিল্পীজনৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নবস্তি বণিক সন্থাৰ উদ্যোগত আজি স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল সংগঠনে প্ৰিয় শিল্পী গৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অঞ্চলৰ বিভিন্ন গণ্য মান্য ব্যক্তি উপস্থিত হৈ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, নবস্তি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ পৰিচালনা সমিতি, মধ্য বাক্সা নেপালী সাহিত্য সভা, গোৰ্খা ছাত্ৰ সন্থাৰ, ক্ষেত্ৰীয় সমিতিৰ সভাপতি, বৰিকাদঙা প্ৰাথমিক বিদ্যালয়, খৈৰাণী প্ৰাথমিক বিদ্যালয়, নবস্তি শাখা ছাত্ৰ সন্থা, বিকাশ জাতীয় বিদ্যালয় নয়াবস্তি, নবস্তি আঞ্চলিক প্ৰগতি সংঘ আদি সংগঠন সমূহে শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰিও শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## বিদায় জুবিন দা, পথালিপাহাৰ তিনিআলিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, বান্দৰদেৱা, ২০ ছেপ্টেম্বৰ ঃ** আজি সন্ধিয়া লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰ তিনিআলিত খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ খেৰাজখাত শাখা, পথালিপাহাৰ ব্যৱসায়ী সন্থা, ভিভা ক্লাব পথালিপাহাৰ, পথালিপাহাৰ সন্মিলিত নাট্য সমাজ আৰু প্ৰায় দুই শতাধিক স্থানীয় ৰাইজকে ধৰি অঞ্চলটোৰ আন কেইবাটাও স্বেচ্ছাসেৱী অনুষ্ঠানে একত্ৰিত হৈ ৰাজহুৱা ভাৱে আজি অসমৰ হিয়াৰ আমঠু, অসমৰ জনতাৰ হাৰ্টথ্ৰৱ শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত তেখেতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি তেওঁৰ বিদেহী আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা পৰিলক্ষিত হয়।

# জুবিন গাৰ্গৰ মৃত্যুত বেবেজীয়াৰ বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, বেবেজীয়া, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ হাৰ্টথ্ৰৱ জনপ্ৰিয় শিল্পী, ছবি নিৰ্মাতা, অন্যতম পৰিচালক, সুৰকাৰ, গীতিকাৰ, জুবিন গাৰ্গৰ অনাকাঙ্খিত মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ ৰাজ্য চুকে কোনে শোকস্তব্ধ হৈ পৰিছে গুণমুগ্ধ জনতা। সমান্তৰালকৈ নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ হাতীচোং, জাজৰি, বটদ্ৰৱা, ৰাইদঙীয়া, চকলাঘাট, কাকমাৰী, কপাহেৰা, ডুমডুমীয়া-বালিসত্ৰ আদি অঞ্চলত শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে এক শোকাকুল পৰিবেশে বিৰাজ কৰা দেখা গৈছে। শুক্ৰবাৰে সন্ধ্যা শিল্পীজনাৰ অনুৰাগী সকলে বৃহত্তৰ ডুমডুমীয়া-বালিসত্ৰ অঞ্চলৰ ৰাজহুৱা স্থানত মহান শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰে তেখেতক শ্ৰদ্ধাঞ্জলি জনাই তেখেতৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰে। আনহাতে শিল্পী জনাৰ মৃত্যুত শ্ৰীশ্ৰী নৰোৱা বালিসত্ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ ভূঞা, কাৰ্যকৰী সভাপতি ৰুহিত কলিতা আৰু সাধাৰণ সম্পাদক মাণিক বৰাই শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ আৰু সঞ্চালক ৰাহুল দেৱ বৰদলৈয়ে এক শোক বাৰ্তাত কয় যে "জুবিন অসমৰ সকলো শ্ৰেণীৰ জনতাৰ প্ৰাণৰ শিল্পী আছিল। জুবিনৰ আকস্মিক মৃত্যু অতি অসহণীয়। অসমৰ কাৰণে অপূৰণীয় ক্ষতি। জুবিন বিহীন অসমৰ সাংস্কৃতিক জগতখন সঁচাকৈয়ে অধৰুৱা।" একেদৰে দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠীয়ে শুক্ৰবাৰে ভূপেন হাজৰিকা মুকলি মঞ্চত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। গোষ্ঠীৰ সভাপতি প্ৰবীন চন্দ্ৰ বৰদলৈ আৰু সম্পাদক সীমান্ত বৰদলৈৰ লগতে গোষ্ঠীৰ কৰ্মকৰ্তা আৰু গুণমুগ্ধ ৰাইজে শিল্পী গৰাকীৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। একেদৰে দলংঘাট আদৰ্শ চিকিৎসালয়ৰ কৰ্তৃপক্ষই চিকিৎসালয় প্ৰাংগণত সন্ধ্যা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। ইফালে আজি জাজৰি বাছ আস্থানত জাজৰি আঞ্চলিক শতদল শাখা সাহিত্য সভা, বে-চৰকাৰী সংস্থা 'নভা ফাউণ্ডেচন' আৰু অন্যান্য অনুষ্ঠানে যৌথ ভাৱে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়জন কৰি জনতাৰ শিল্পী জুবিন গাৰ্গলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে।

## কচুৱাৰ মাধৱপাৰাত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, কচুৱা, ২০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ মাধৱপাৰা দোকানী সন্থাৰ উদ্যোগত অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে গভীৰ শ্ৰদ্ধাঞ্জলি জনাই আত্মাৰ সদগতিৰ বাবে ১ মিনিট মৌন প্ৰাৰ্থনা কৰে। জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই বন্ধ ৰাখিলে মাধৱপাৰা বজাৰৰ সকলো দোকান পোহাৰ। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে সন্থাৰ সভাপতি আবুল কাসেম, জেষ্ঠ সাংবাদিক বাহাৰুল ইছলাম, সমাজসেৱক মতিউৰ ৰহমান, উমৰ আলী, ফকৰ উদ্দিন, ফৰিদ আহমেদ, মিনাল বৰা, জিতু হাজৰিকা, মহোন বৰাসহ বজাৰ কমিটিৰ বিষয়ববীয়া আৰু সমাজৰ বহু বিশিষ্ট ব্যক্তি সকল।

### বিভিন্ন দল সংগঠন, গুণমুগ্ধৰ প্ৰিয় শিল্পীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

# কান্দি-কান্দি জুবিনৰ গানেৰে নগৰত সমদল

### জোৱাঁইৰ মৃত্যুত গোলাঘাটত শোকৰ বন্যাঃ স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰিল দোকান-পোহাৰ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ ৰাইজৰ হিয়াৰ আমঠু, জনতাৰ শিল্পী, অসমীয়া সংগীতৰ ভোটাতৰা, নৱ প্ৰজন্মৰ প্ৰাণ স্পন্দন জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত শোকত ম্ৰিয়মাণ হৈ পৰিছে সমগ্ৰ অসমবাসী। জনতাৰ প্ৰাণৰো প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যুৰ বাতৰিয়ে শোকস্তব্ধ কৰি তুলিছে জুবিন গাৰ্গৰ শহুৰৰ চহৰ গোলাঘাটবাসীক। শিল্পীগৰাকীৰ আকস্মিক বিয়োগৰ খবৰতো বিয়পি পৰাৰ লগে-লগে শোকত ম্ৰিয়মাণ হৈ পৰে সৰ্বস্তৰৰ ৰাইজ। এক প্ৰকাৰ গোলাঘাটখনক নিজৰ ঘৰ বুলি ভবা আৰু গোলাঘটীয়া ৰাইজেও জুবিনক গোলাঘাটৰ সন্তান বুলিয়েই গণ্য কৰিছিল। কিয়নো ২০০২ চনত গোলাঘাট নগৰৰ শান্তিপুৰ অঞ্চলত বসবাস কৰা সুৰেন শইকীয়া আৰু ৰুণুমী শইকীয়াৰ কন্যা গৰিমাৰ শইকীয়াৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছিল জুবিন। অৱশ্যে পৰৱৰ্তী সময়ত গৰিমাৰ পৰিয়ালে শান্তিপুৰৰ মাটি-ভেটি বিক্ৰী কৰি গুৱাহাটীৰ বাসিন্দা হৈ পৰে। আজি সন্ধিয়া গোলাঘাট নগৰৰ বাটা পইণ্টত বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি, গুণমুগ্ধই ভীৰ কৰি ধূপ-ধুনা, বন্তি প্ৰজ্বলনেৰে প্ৰাণৰ শিল্পীগৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগতো জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সমুখভাগত বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানৰ সহযোগত আয়োজন কৰে অনুষ্ঠান। অন্যহাতে অগণণ গুণমগ্ধই সন্ধিয়া জুবিনৰ হৰ্ডিং লৈ কান্দি কান্দি জুবিনৰ গীত গাই গোলাঘাট নগৰত সমদল কৰি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে।

## জুবিন গাৰ্গৰ আকস্মিক বিয়োগত স্থগিত দিহা নাম প্ৰতিযোগিতা

**অসম বাৰ্তা, আমগুৰি, ২০ ছেপ্টেম্বৰ ঃ** দৰদী কণ্ঠশিল্পী, অভিনেতা, চিত্ৰ নিৰ্মাতা, জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগত যোৰহাট জিলাৰ জাঁজী হাঁহচৰাত ২০ ছেপ্তেম্বৰত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব লগা দিহা নাম প্ৰতিযোগিতা সাময়িকভাৱে স্থগিত ৰখা হৈছে। অগ্ৰগামী চেমনীয়া দিহা নাম দ'লৰ উদ্যোগত অনুষ্ঠিত হ'ব লগা উক্ত দিহা নাম প্ৰতিযোগিতাখন ২০ ছেপ্তমবৰৰ পৰিবৰ্তে অহা ২৭ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব বুলি সভানেত্ৰী পৰিণীতা গগৈ আৰু সম্পাদিকা অঞ্জু বৰুৱাই জানিবলৈ দিছে।

## নাজিৰাৰ বিভিন্ন স্থানত শিল্পী জুবিন গাৰ্গৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, নামতি, ২০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নাজিৰাতো যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ শিল্পী জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰে। সন্ধিয়া ৬ বজাৰ লগে লগে নাজিৰা নগৰৰ সকলো ব্যৱসায় প্ৰতিষ্ঠান বন্ধ হৈ পৰে। সন্ধিয়া ৬-৩০ বজাত নাজিৰা নগৰৰ কেন্দ্ৰস্থল নাজিৰা নাট্য মন্দিৰ, এছ বি আই, মিলন মন্দিৰ, নাজিৰা বোলছবি গৃহৰ প্ৰাংগণ, নাজিৰা চাৰিআলি আদি স্থানত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনায় অগণন অনুৰাগীয়ে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নাজিৰাৰ শিল্পী সমাজ, জুবিন ফেন ক্লাব, আছু, আটাছু, অসমীয়া যুৱ মঞ্চ, নাজিৰা প্ৰেছ ক্লাব, নাজিৰা সাংবাদিক মঞ্চ, নাজিৰা চাৰিআলি যুৱ সমাজ, ব্যৱসায়ী সন্থাকে আদি কৰি বিভিন্ন দল সংগঠনে অংশ গ্ৰহণ কৰে।

# মৰিগাঁও ভূৰবন্ধাত কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২০ ছেপ্টেম্বৰ ঃ** যি গান শুনিলে অসংখ্যজন নিমিষতে আনন্দত আত্মহাৰা হৈ পৰিৱেশ উত্তাল কৰি তোলে, সেই গান শুনি আজি সকলোৰেই দুচকুত অশ্ৰু ভৰি পৰিছে। অশ্ৰুসিক্ত দুচকুৰে সকলোৱে ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰে অন্তিম বিদায় জনাইছে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তথা অসমৰ হাৰ্টথ্ৰৱ কলিজাৰ টুকুৰাযেন অনুভৱ কৰা প্ৰিয় কণ্ঠশিল্পীজনক। সমগ্ৰ ৰাজ্যৰ লগতে আজি সমগ্ৰ অসমৰ লগতে ভূৰবন্ধাটো হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগৰ বাতৰিয়ে সকলোকে শোকস্তব্ধ কৰি তুলিলে। যেন প্ৰিয় কণ্ঠশিল্পীজনৰ এই খবৰে হকলোৱে হৃদয় ভাঙি পেলাইছে। সমগ্ৰ অসম তথা ভাৰতবৰ্ষৰ স্বতঃস্ফূৰ্তভাৱে স্থবিৰ হৈ পৰিল। ইয়াৰ সমান্তৰালভাৱে ভাৱে মৰিগাঁও ভূৰবন্ধাও ব্যক্তিক্ৰম নহ'ল। এই লৈ আজি সন্ধিয়া ভূৰবন্ধা অঞ্চলৰ বহু লোকে ঠায়ে ঠায়ে প্ৰিয় শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ সমবেত হৈ জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰে সকলোৱে জনালে শ্ৰদ্ধাঞ্জলি।

# জুবিন গাৰ্গলৈ পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ২০ ছেপ্টেম্বৰ ঃ** কলং কলা কেন্দ্ৰৰ উদ্যোগত পুৰণিগুদামস্থিত কলং সংগ্ৰহালয় প্ৰাঙ্গণত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান আজি বিয়লি ৰূপায়ণ হৈ যায়। অনুষ্ঠানৰ উপ-সভাপতি অশ্বিনী শৰ্মা আৰু সম্পাদক চিত্তৰঞ্জন বৰাৰ পৰিচালনাত অনুষ্ঠিত কাৰ্যসূচী শুভাৰম্ভ কৰা হয় জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যৰ্পন কাৰ্যসূচীৰ জৰিয়তে। মাল্যৰ্পন কাৰ্যসূচী শুভাৰম্ভ কৰে লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী আৰু শিক্ষাবিদ পুলিন হাজৰিকাই। তাৰ পিছতে অনুষ্ঠিত স্মৃতিচাৰণ তথা পৰ্যালোচনা সভাত পুলিন হাজৰিকা, কৃষ্ণ গোস্বামী, যতীন্দ্ৰমোহন বৈৰাগী, বিকাশ হাজৰিকা, অনিল বৈৰাগী, গীতাঞ্জলী শইকীয়াই আৰু মমী গোস্বামীয়ে জুবিন গাৰ্গৰ বহুমুখী প্ৰতিভাৰ ভালেমান দিশ উন্মোচন কৰি বক্তব্য ৰাখে। মণ্টুল কুমাৰ শৰ্মাই জুবিন গাৰ্গৰ বিষয়ে লিখা এটি কবিতা পাঠ কৰে। অনুষ্ঠানত জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে কুমাৰিকা বৰা আৰু দুৰৰি কাশ্যপ শইকীয়াই। উল্লেখযোগ্য যে, কলং কলা কেন্দ্ৰই জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনাই তিনিদিনৰ বাবে অনুষ্ঠানৰ পতাকা অৰ্দ্ধনিৰ্মিত কৰি ৰাখিছে। ইফালে, পুৰণিগুদাম, বড়মপুৰকে ধৰি বিভিন্ন স্থানত সকলোৱে হিয়াৰ আমঠু জনপ্ৰিয় শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনায়। আজি পুৱাৰ ভাগত বড়মপুৰ শ্বহীদ ঠগী সূত ক্ৰীড়া প্ৰকল্পত জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে এখন বিশেষ সভাৰ আয়োজন কৰে। খেলুৱৈ, অভিভাৱক, স্থানীয় ৰাইজ, জোনাকী সাংস্কৃতিক গোষ্ঠীৰ বিষয়ববীয়াসকল উপস্থিত থাকি জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বড়মপুৰ ক্ৰীড়া সন্থাৰ সম্পাদক প্লাৱন বৰুৱা, সমাজকৰ্মী মৃণাল বৰা উপস্থিত থাকি জুবিন গাৰ্গক সোঁৱৰণ কৰে। ইফালে, সন্ধ্যা পুৰণিগুদাম মুছলিম সমাজৰ পুৰুষ-মহিলাই জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সমীপত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণ কৰি শতাধিক পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায়। পুৰণিগুদামৰ সমীপৰ চলচলি ব্ৰাহ্মণ গাঁও চাৰিআলিত বৃহত্তৰ চলচলি অঞ্চলৰ প্ৰায় পাঁচ শতাধিক পুৰুষ-মহিলা যুৱক-যুৱতীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাই তেওঁৰ কৰ্মৰাজিক সোঁৱৰণ কৰে। ইফালে, পুৰণিগুদাম আৰু চামগুৰিৰ দোকান-বজাৰ, সকলো ব্যৱসায়িক প্ৰতিষ্ঠান আজি দিনটোৰ কাৰণে সম্পূৰ্ণ বন্ধ ৰখাৰ লগতে পুৰণিগুদাম আঞ্চলিক জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কাৰ্যালয়, গড়মূৰ তিনিআলি, পুৰণিগুদাম দুৰ্গাপূজা মণ্ডপৰ সন্মুখত, ইমন কাৰ বজাৰ সন্মুখত, পুৰণিগুদাম দৈনিক বজাৰৰ সন্মুখত জুবিন গাৰ্গক সোঁৱৰণ কৰে পুৰণিগুদামবাসীয়ে। ইয়াৰ উপৰিও পুৰণিগুদাম, বড়মপুৰৰ বিভিন্ন গাঁৱৰ ৰাইজে ৰাজহুৱা স্থান আৰু ঘৰে-ঘৰে বন্তি প্ৰজ্বলন কৰি প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়।

## সম্পাদকীয়

# বিভীষিকাময়

জুবিন গাৰ্গ আৰু নাই। অসমৰ সংগীতজগতৰ এই নিৰ্ভীক, সৰল, সদাহাস্যময় আৰু অসাধাৰণ প্ৰতিভাশালী শিল্পীজনৰ আকস্মিক মৃত্যুৱে গোটেই ৰাজ্য শোকাকূল কৰি তুলিছে। চিংগাপুৰত স্কুবা ডাইভিং কৰোঁতে হোৱা দুৰ্ঘটনাত মাত্ৰ ৫২ বছৰ বয়সত তেখেতৰ দেহাৱসান হ'ল। এই ঘটনাই অসমৰ সংস্কৃতি জগতখনত এক অপূৰণীয় ক্ষতি সাধন কৰিলে। জুবিন গাৰ্গ কেৱল এজন গায়ক নাছিল, তেখেত আছিল অসমীয়া সংস্কৃতিৰ এক জীৱন্ত প্ৰতীক। তেখেতৰ কণ্ঠত অসমীয়া ভাষা-সংস্কৃতিয়ে এক নতুন মাত্ৰা পাইছিল। 'কাঁচ', 'দাগ', 'মিলন', 'ৰং', 'বৰষুণ' আদি চিনেমাৰ জৰিয়তে তেখেতে অসমীয়া সংগীতক নতুন প্ৰাণ দিছিল। ২০০৬ চনত বলীউডৰ ছবি 'গেংষ্টাৰ'ৰ 'ইয়া আলি' গানটোৱে তেখেতক জাতীয় স্তৰত পৰিচিত কৰি তুলিছিল। অসমৰ বাহিৰেও বাংলা, হিন্দীকে ধৰি বহু ভাষাত গান গাই তেখেতে অসমীয়া সংগীতৰ পৰিচয় বহু দূৰলৈ কঢ়িয়াই নিছিল। শিল্পীজনৰ এই আকস্মিক মৃত্যুৱে সাধাৰণ মানুহৰ মনত কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্নও উত্থাপন কৰিছে- এজন মৃগী ৰোগী হিচাপে স্কুবা ডাইভিং কৰাটো নিৰাপদ নে? কৰ্তৃপক্ষই ইয়াৰ বাবে অনুমতি দিয়াটো যুক্তিসংগত নে? নিৰাপত্তামূলক ব্যৱস্থা যথেষ্ট আছিল নে? জুবিন গাৰ্গৰ মৃত্যুৰ পিছত অসম চৰকাৰে শ্ৰদ্ধাঞ্জলি স্বৰূপে স্কুলসমূহৰ পৰীক্ষা স্থগিত ৰখাৰ ঘোষণা কৰিছে। কিন্তু অনুৰাগীৰ মাজত চৰকাৰ আৰু শ্যামকানু মহন্তৰ ভূমিকা সম্পৰ্কেও প্ৰশ্ন উত্থাপিত হৈছে- শ্যামকানু মহন্তই নৰ্থ ইষ্ট ফেষ্টিভেলত জুবিন গাৰ্গক অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ সময়ত তেখেতৰ স্বাস্থ্যৰ অৱস্থাটো বিবেচনা কৰিছিল নে? ইফালে নৰ্থ ইষ্ট ফেষ্টিভেল সম্পৰ্কেও এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপিত হৈছে- অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি প্ৰদৰ্শন কৰিবলৈ এই অনুষ্ঠানবোৰ সদায় দিল্লী, মুম্বাই আদিতহে কিয় হয়? আমাৰ নিজৰ ৰাজ্যত আমাৰ সংস্কৃতি প্ৰদৰ্শনৰ সুযোগ কিয় সীমিত? এইবোৰ অনুষ্ঠানত স্থানীয় শিল্পীসকলৰ স্বাস্থ্য আৰু সুৰক্ষাৰ বিষয়টোৱে প্ৰাধান্য পায় নে? জুবিন গাৰ্গৰ মৃত্যুৱে অসমীয়া সংগীত উদ্যোগক এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে। ভূপেন হাজৰিকাৰ পিছত অসমক বিশ্বমানসম্পন্ন সংগীত প্ৰদান কৰা শিল্পীসকলৰ মাজত জুবিন গাৰ্গই শীৰ্ষস্থান দখল কৰি আছিল। তেখেতৰ গানে অসমীয়া যুৱসমাজক এক নতুন দিশতৰে আগবাঢ়িবলৈ প্ৰেৰণা যোগাইছিল। জুবিন গাৰ্গৰ মৃত্যুৱে আমাক কেইটামান গুৰুত্বপূৰ্ণ কথাও মনত পেলাই দিছে- শিল্পীসকলৰ স্বাস্থ্যৰ প্ৰতি আমাৰ বিশেষ দৃষ্টি ৰখাটো আৱশ্যক, অনুষ্ঠানত অংশগ্ৰহণ কৰোঁতে স্বাস্থ্যৰ অৱস্থা সম্পৰ্কে সচেতন হোৱাটো অতি প্ৰয়োজনীয়, আমাৰ সাংস্কৃতিক অনুষ্ঠানবোৰ আমাৰ নিজৰ মাটিত অনুষ্ঠিত কৰিবলৈ মনোনিবেশ কৰা উচিত। জুবিন গাৰ্গৰ স্মৃতি আৰু তেখেতৰ সংগীতে আমাৰ মাজত সদায় জীয়াই থাকিব। তেখেতৰ আত্মাৰ শান্তি কামনা কৰিলোঁ।



# জুবিন মাথোঁ এজন শিল্পী নহয়, আছিল নিজেই এটি অনুষ্ঠান

### প্ৰদীপ বৈশ্য

বিয়লি বেলালৈ (১৯ চেপ্তেম্বৰ, ২০২৫, শুক্ৰবাৰ) মোবাইলৰ পৰ্দাত হাৰ্টথ্ৰব জুবিনে চিংগাপুৰত দুৰ্ঘটনাবশত: অসুস্থ হৈ পৰা খবৰটো পাইছিলোহে মাথোন, কিছুপৰ পাছতেই জীয়ৰীয়ে কান্দি কান্দি ফোনযোগে আটাইতকৈ দুঃখবৰটো দিলে যে জুবিন আৰু এই পৃথিৱীত নাই। অন্তৰখন যেন মোচৰ খাই গ'ল, প্ৰচণ্ড শিল এচটাই যেন বুকুত আঘাত কৰিলেহি। কথাটো বিশ্বাসেই কৰিব পৰা নাছিলোঁ, সকলোৰে বাবে নোৱাৰাৰ কথাহে ! আমাক সকলোকে কন্দুৱাই জুবিন কোনেও নেদেখা অন্য এখন পৃথিৱীলৈ যাত্ৰা কৰিলে। বহুমুখী প্ৰতিভাৰ আকৰ এই শিল্পীজনহে মাথোঁ নোহোৱা হৈ গ'ল এনে নহয়, অকালতে স্তব্ধ হৈ ৰ'ল জুবিনক লৈ গঢ়ি উঠা এটা বৃহৎ অনুষ্ঠান। সুধাকণ্ঠৰ পাছতেই নব্বৈৰ দশকৰ পৰা প্ৰতিজন অসমীয়াৰ হৃদয়ত, বিশেষকৈ নৱপ্ৰজন্মৰ হিয়াৰ আমঠু হৈ পৰা জুবিনৰ প্ৰতিভাৰ কথা কৈ অন্ত কৰিব নোৱাৰি। টিভি বা ৰেডিঅ'ত ৰাতিপুৱা বন্দনা বা ভক্তিগীত অনুষ্ঠানত আৰম্ভ হোৱা বৰগীত, দিহানামৰ পৰা আৰম্ভ কৰি বনগীত, টোকাৰী, লোকগীত, বিহুগীত, আধুনিক অসমীয়া সকলো গীততেই জুবিনৰ সুমধুৰ কণ্ঠস্বৰে প্ৰতিজন অসমীয়াৰ অন্তৰ চুই যায়। জুবিনৰ সুৰীয়া কণ্ঠ, সুৰৰ টান ঈশ্বৰপ্ৰদত্ত বুলিব লাগিব। মাথোন ৫২ বছৰ বয়সতেই ৩৮ হাজাৰতকৈও অধিক গীত গাই গাই চমক সৃষ্টি কৰি থৈ গ'ল। অসমীয়া গীতৰ উপৰিও উত্তৰ পূৰ্বাঞ্চলৰ কেইবাটাও জনজাতীয় ভাষাত গোৱা গীতসমূহে প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰিছে। শিল্পীগৰাকীয়ে কেইবাটাও হিন্দী গীতত কণ্ঠদান কৰি হলিউদ জগততো সমাদৃত হৈছিল। তেওঁ একেৰাহে এজন গায়ক, কবি, গীতিকাৰ, সুৰকাৰ, অভিনেতা, সংগীত আৰু বোলছবি পৰিচালক, বোলছবি নিৰ্মাতা, সমাজসেৱক তথা প্ৰকৃতিপ্ৰেমী। জুবিনৰ আটাইতকৈ ভাললগা স্বভাৱটো অছিল যে তেওঁ আছিল এজন সৎ সাহসী অসমীয়া, সঁচা কথাবোৰ খোলাখোলিকৈ ক'বলৈ আছিল অদম্য সাহস, যিটো অন্য শিল্পীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। জুবিনৰ অন্তৰখন আছিল কোমল, এটি শিশুৰ দৰেই। মানুহৰ মাজত সৰু-ডাঙৰ এইবোৰ লৈ তেওঁ কাহানিও বিভাজন কৰা নাছিল। নিজৰ উপাৰ্জনখিনি দুখীয়া-নিছলা সকলোকে পাৰ্যমানে বিলাই দি উদাৰ স্বভাৱৰ পৰিচয় দিছিল। জুবিনৰ কাহিলিপাৰাস্থ বাসগৃহত সেয়েহে তেওঁৰ আৰ্থিক সহায় বিছাৰি দৈনিক অনেক লোকৰ সমাগম হৈছিল। এবাৰ আৰ্থিক সাহায্য লোৱাজনে জুবিনৰ ওচৰত হেনো দ্বিতীয়বাৰো একেধৰণে সাহায্য বিচাৰি আহিছিল। এই কথা জুবিনে নিজমুখে কৈছিল। জুবিনৰ নিজা ষ্টুডিঅ'ৰ লগতে আছিল তেওঁৰ লগত বাদ্যযন্ত্ৰত সহায় কৰা এটা বৃহৎ বাহিনী। আজি শিল্পীগৰাকী অকস্মাৎ আমাৰ মাজৰ পৰা হেৰাই যোৱাত এই সকলোবোৰ অসহায় হৈ পৰিব, শূন্যতাই বিৰাজ কৰিব। অসমীয়া বোলছবি জগতখনেও জুবিনহীন জগতত বৃহৎ শূন্যতাত ভুগিব। প্ৰতিখন আধুনিক অসমীয়া বোলছবিত জুবিনে কণ্ঠদান কৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। থলুৱা যুৱকে যাতে নিজাকৈ উৎপাদিত খাদ্যসামগ্ৰী বিক্ৰীৰ জৰিয়তে সংস্থাপন পায়, সেই উদ্দেশ্যে জুবিনে গুৱাহাটী মহানগৰীত 'বৃন্দাবন' নামৰ চুপাৰ মাৰ্কেটৰো জন্ম দিছিল। একেই আৰ্হিত আন দুখনমান ব্যৱসায়িক প্ৰতিষ্ঠানো গঢ় লৈছিল।

আজি জুবিনৰ মৃত্যুত অসমৰ লগতে সমগ্ৰ দেশে এজন উদীয়মান গায়কক অকালতে হেৰুৱালে। এয়া নিয়তিৰ নিষ্ঠুৰ পৰিহাস, হয়তো জুবিনৰ আয়ুসৰেখাডাল আজিলৈকে সীমাবদ্ধ আছিল! আজি সকলো শোকস্তব্ধ। শিল্পীগৰাকীৰ কৰ্মস্থান গুৱাহাটীত আজি সন্ধিয়াৰ ভাগলৈ হঠাৎ এজাক ডোপালপিটা বৰষুণ হৈ গ'ল, প্ৰকৃতিয়েও যেন জুবিনক হেৰুৱাই চকুলো টুকিছে জুবিন আজি নাই কিন্তু, জুবিনৰ সুৰীয়া গীতসমূহে তেওঁক আমাৰ মাজত অনন্ত কাললৈ জীয়াই ৰাখিব। জুবিনৰ গীতসমূহেই শিল্পীগৰাকীক আমাৰ মাজত ভোটাতৰাৰ দৰে উজলাই ৰাখিব। শিল্পীগৰাকীৰ আত্মাই চিৰশান্তি লাভ কৰক!

> কেছেটত জুবিনৰ গান শুনাৰ পৰা আজি হাতৰ মুঠিতে মোবাইলত ঘৰুৱা কাম কৰি থকাৰ মাজতে গাড়ীৰে দীঘলীয়া যাত্ৰাত জুবিনৰ দৰদী কণ্ঠৰ গীতে আমাৰ মন মগজু ভৰাই তোলে। জুবিনৰ ব্যতিক্ৰমী কৰ্ম কাণ্ডত খং কৰিব নোৱাৰি, অভিমান হে কৰিব পাৰি। জুবিন গাৰ্গক ২০১৬ চনত গুৱাহাটীৰ কাছাৰী ঘাটত জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত চিলা উৰুৱা উৎসৱত ওচৰৰ পৰা পাইছিলো।

# পাখি মেলি অজান দেশলৈ জুবিন গাৰ্গ

### ড° ৰীণা ৰাণী দাস

"পাখি মেলি দিয়ে মোৰ গানে আজি" সঁচাকৈয়ে আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গে পাখি মেলি বিদেশৰ বুকুৰ পৰা কোনোবা অচিন অজান দেশলৈ উৰি গুচি গ'ল আমাক সকলোকে হিয়া ঢাকুৰি কান্দিবলৈ এৰি দি। অভিমানী হৈ কৈছো, হয়তো স্বদেশত সাহস কৰিব নোৱাৰিলেহেঁতেন তেওঁ হেজাৰজনৰ বুকু আজুৰি গুচি যাবলৈ। 'জুবিন গাৰ্গ' কি বুলি ক'ম, অসমীয়াৰ সত্তা নে, ভাৰতীয় সত্তা নে বিশ্বৰ সত্তা। সুখৰ নে দুখৰ সত্তা। সমগ্ৰ অসমত যেন এটি হঠাত ভূমিকম্পৰ জোকাৰণি 'জুবিন দা নাই'। মানি ল'ব পাৰি নে? নোৱাৰি।

'জুবিন গাৰ্গ' নামেই যাৰ পৰিচয়। বিতৰ্কই লগ এৰি নিদিয়া, ভিন্নজনে পাগল বুলি কোৱা, অতি সাধাৰণ, ৰাজনীতিৰ মেৰপেচৰ পৰা সদায় দূৰত অৱস্থান কৰা, অসমক তীব্ৰ ভাৱে ভালপোৱা যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ চিৰ বিদায় এতিয়াও যেন মানি লব পৰা নাই অসমবাসীয়ে। মানৱদৰদী জুবিনে আৰ্থিক ভাৱে দুখীয়া, অসহায় মানুহক যথেষ্ট সহায় কৰিছিল। জুবিনে নিজৰ মুখেৰেই কৈছে- গুৱাহাটীৰ বাটে-পথে থকা পাগল কিছুমানে তেওঁক খুব ভালপায়। অকল মানুহকে নহয় জুবিনে পশু-পক্ষীকো যথেষ্ট ভাল পাইছিল। খাৰঘূলিৰ জুবিনৰ ঘৰত বিভিন্ন জন্তু আৰু চৰাই পুহি ৰাখিছে।

আশীৰ দশকত আমি ৰেডিঅত কল্পতৰু, গীতিমালিকাত ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, খগেন মহন্ত, অৰ্চনা মহন্ত, দ্বিপেন বৰুৱা, নমিতা ভট্টাচাৰ্য্য, পুলক বেনাৰ্জী, নীলিমা খাতুন আৰু বহুতৰে গীত শুনি শিক্ষা জীৱন পাৰ কৰাৰ পিছত কৰ্ম জীৱনৰ আৰম্ভণিৰে পৰা সৰু ল'ৰা এজনৰ গীতে দেখোন "মায়া মাথোঁ মায়া"ৰে একেবাৰে আজিলৈকে তেওঁৰ গীতৰ মাজেৰে মায়াৰে বন্দী কৰি পেলালে। গীতৰ কথা, সুৰ, কণ্ঠই যেন হেজাৰ হেজাৰ জনক মোহিত কৰি পেলালে।

কেছেটত জুবিনৰ গান শুনাৰ পৰা আজি হাতৰ মুঠিতে মোবাইলত ঘৰুৱা কাম কৰি থকাৰ মাজতে গাড়ীৰে দীঘলীয়া যাত্ৰাত জুবিনৰ দৰদী কণ্ঠৰ গীতে আমাৰ মন মগজু ভৰাই তোলে। জুবিনৰ ব্যতিক্ৰমী কৰ্ম কাণ্ডত খং কৰিব নোৱাৰি, অভিমান হে কৰিব পাৰি। জুবিন গাৰ্গক ২০১৬ চনত গুৱাহাটীৰ কাছাৰী ঘাটত জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত চিলা উৰুৱা উৎসৱত ওচৰৰ পৰা পাইছিলো। ব্যতিক্ৰমী সাজ সজ্জা জুবিনৰ প্ৰিয় যেন লাগে। গৃহস্থ, আমাৰ ছোৱালীজনী জুবিনৰ গীতৰ মুগ্ধ শ্ৰোতা। জুবিনে অসমক হাড়ে-হিমজুৱে ভাল পাইছিল। মুম্বাইত প্ৰতিষ্ঠিত হৈ বলীউদত তেওঁ বহুত উৰ্ধলৈ যাব পাৰিলোহেঁতেন কিন্তু তেওঁ অসম এৰি নিগাজিকৈ কতো নগ'ল। স্বাভিমানী জুবিনে কাৰো পৰা কোনো সুবিধা নলৈ তেওঁ নিজেই একক হৈ থাকিল। প্ৰেমৰ গীত গালেও জুবিনৰ গীতত মাটিৰ গোন্ধ পোৱা যায়। তেওঁৰ কণ্ঠই সকলোৰে হিয়া মন জোকাৰি পেলায়।

আজি জুবিন গাৰ্গৰ মৃত্যুৰ খবৰত গোটেই অসমবাসী কান্দোনত ভাগি পৰিছে। মই আৰু ছোৱালীজনীয়েও আজি চকুপানী ৰাখিব পৰা নাই। দুনাই এজন জুবিন গাৰ্গ পাবলৈ আমাক হয়তো হেজাৰ বছৰ লাগিব। জুবিন যতেই নাথাকক আমাৰ হৃদয়ত সদায় জীয়াই থাকিব।

# মৃত্যু জানো ইমান সুলভ

মৃত্যু যদি শিল্প হয়
মৃত্যু কিদৰে সুলভ!

### সত্যব্ৰত বৰা

জুবিনেই গাইছিল এদিন! অৱশেষত তাৰেই মৃত্যু ইমান সুলভ হ'ল! মৃত্যু সকলোৰে হ'ব। ই চিৰসত্য। কিন্তু অকাল মৃত্যু! সহজে ল'ব নোৱাৰি অকাল মৃত্যু! আৰু সেই মৃত্যু যদি জুবিনৰ হয় তেন্তে আৰু নোৱাৰি! জানো সি অলপ উশৃংখল আছিল! কিন্তু প্ৰতিভা! কি নাছিল জুবিনৰ! এক যাদুকৰী কণ্ঠ যিয়ে লাখ লাখ অসমীয়াক মোহিত কৰিছিল. এগৰাকী অত্যন্ত প্ৰতিভাৱান গায়ক, গীতিকাৰ, সুৰকাৰ, অভিনেতা আৰু সবাতোকৈ ওপৰত এটা বহল মন! এখনি সাগৰতকৈও বিশাল হৃদয়! নোৱাৰি !কল্পনা কৰিবও নোৱাৰি !অনামিকাৰ পৰা আৰম্ভ হোৱা সেই গৌৰৱময় যাত্ৰা! জীৱনটো সঁচাকৈ মায়া। জুবিনেই গাইছিল "মায়া,মায়া মাথো মায়া!" অসমৰ সংগীত জগতখনক এক ভাবিব নোৱাৰা উচ্চতালৈ লৈ গৈছিল জুবিনে।পাহৰণিৰ গৰ্ভত লিপ্ত হ'ব খোজা অসমৰ চিনেমা জগতখনক নতুনকৈ প্ৰাণ দিছিল জুবিনে যাদুকৰী সংগীতেৰে। ইচ্ছা কৰা হ'লে বলিউডতো অৰিজিত সিঙৰ দৰে ৰাজত্ব কৰিব পাৰিলেহেঁতেন জুবিনে। য়ালীয়ে কিদৰে জুই লগাইছিল বলিউডত!

জুবিন গাৰ্গ আৰু নাই! মিঠা সুৰৰ যাদুৰে প্ৰজন্মৰ পাছত প্ৰজন্মক মোহিত কৰা সেই প্ৰতিভাশালী জুবিন গাৰ্গ আৰু নাই! ছিংগাপুৰত স্কুবা ডাইভিংৰ এক দুৰ্ঘটনাত ৫২ বছৰতে জুবিনে ধৰাৰ পৰা বিদায় মাগিলে। এই মৃত্যু অসহনীয়! অসমীয়া সংগীতৰ আত্মা আছিল জুবিন। পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ সেতু আছিল জুবিন। অসমৰ জাতিটোৰ আত্মাৰ অটুট প্ৰতিনিধি আছিল জুবিন।

অত্যন্ত প্ৰতিভাশালী আছিল জুবিন! আধুনিক গীত,বিহু গীত, লোক গীত, বৰগীত, হিন্দী গীত আৰু কত কি যে গাব পাৰিছিল জুবিনে! জুবিন গাৰ্গ আছিল আছিল সংগীতৰ এক সম্পূৰ্ণ পেকেজ! জুবিনক বিশেষ কৰিলে তেওঁৰ গানৰ মিশ্ৰণে। তেওঁ ১২ বিধতকৈও অধিক বাদ্যযন্ত্ৰ বজাব জানিছিল। ডটাৰা, ঢোলৰ পৰা কীব'ৰ্ডলৈকে! পশ্চিমীয়া ৰকক বিহুৰ সৈতে মিহলাই পেলাইছিল জুবিনে! অসমীয়া সংগীতৰ বাবে নতুন আছিল সেই দিশটো।

মেঘালয়ৰ তুৰাত থকা অসমীয়া ব্ৰাহ্মণ পৰিয়ালত মোহিনী মোহন বৰঠাকুৰ আৰু প্ৰয়াত ইলী বৰঠাকুৰৰ ঘৰত জন্মগ্ৰহণ কৰিছিল জুবিনে। সংগীত সুৰকাৰ জুবিন মেহতাৰ নামেৰে নামাকৰণ কৰি তেওঁৰ গোত্ৰ গাৰ্গক উপাধি হিচাপে ব্যৱহাৰ কৰে। তেওঁৰ পিতৃ মোহিনী বৰঠাকুৰ এগৰাকী দণ্ডাধীশ আৰু মাতৃ ইলী বৰঠাকুৰ এগৰাকী গায়িকা আছিল।দেউতাকে কবিতা আৰু গীত লিখিছিল কপিল থাকুৰৰ নামেৰে। দেউতাকৰ চাকৰিৰ বাবে পৰিয়ালটো বহু ঠাইলৈ সময়ে সময়ে স্থানান্তৰ হ'ব লগা হৈছিল। মাকৰ কোলাত বহি জুবিনে অসমীয়া গান শিকিছিল। মাকে জুবিনক কৈছিল যে সংগীতে মানুহক একত্ৰিত কৰে আৰু সংগ দিয়ে। ভণ্টি জংকীয়েও গান গাইছিল আৰু অভিনয় কৰিছিল। কিন্তু ২০০২ চনত এক মটৰ দুৰ্ঘটনাত জংকীয়ে মৃত্যুবৰণ কৰিলে। এই দুখে জুবিনক গভীৰভাৱে প্ৰভাৱিত কৰিলে আৰু তেওঁৰ গানত দুখৰ ছায়া পৰিল।

জুবিনৰ পঢ়াশুনা তামুলপুৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু গুৱাহাটীৰ বি. বৰুৱা কলেজত হৈছিল। তেওঁ বিজ্ঞান পঢ়িছিল কিন্তু সংগীতেহে আকৰ্ষণ কৰিছিল। বিদ্যালয়ত পঢ়ি থাকোতেই জুবিনে গান লিখিছিল চাহ বাগিচা আৰু বৰষুণৰ পৰা অনুপ্ৰাণিত হৈ! ১৯৯২ চনত এক যুৱ সন্মিলনত তেওঁ পশ্চিমীয়া শৈলীত গান গাই স্বৰ্ণ পদক লাভ কৰে। এইয়া আছিল জুবিনৰ পেছাদাৰী জীৱনৰ আৰম্ভণি। ২০ বছৰ বয়সত জুবিনৰ প্ৰথম এলবাম "অনামিকা"ই মুক্তি লাভ কৰে। পশিমীয়া সংগীত আৰু অসমীয়া সুৰ মিহলাই সৃষ্টি কৰা অনামিকাৰ গান বিলাকে অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰে।

অনামিকাৰ সফলতাই জুবিনক ৪০টাৰো অধিক এলবাম নিৰ্মাণ কৰিবলৈ উৎসাহিত কৰিলে। প্ৰত্যেক এলবামতে বৈচিত্ৰ্য দেখা গৈছিল। "আশা" নামৰ এলবামটোৱে আশাৰ আলোক দেখুৱাইছিল ১৯৯০ চনৰ অস্থিৰ সময়ত। "মায়া"ত আছিল প্ৰেমৰ গান। "মুক্তি"ৰ দেশপ্ৰেম মূলক গানে মানুহক একত্ৰিত কৰিছিল। "মেঘৰ বৰণে" মেঘময় আকাশৰ প্ৰেম বোৱাইছিল ধৰালৈ। "ৰং"য়ে জীৱনৰ ৰং দেখুৱাইছিল লোক সংগীত আৰু পপ সংগীতৰ মিশ্ৰনত। "দিলৰুবা"ৰ চুফী গানে সকলোকে প্ৰভাৱিত কৰিছিল।

জুবিনৰ প্ৰভাৱ চিনেমাতো আছিল। ২০০০ চনত তেওঁ "তুমি মোৰ মাথোঁ মোৰ"ত অভিনয় কৰিছিল। চিনেমাখনৰ গানসমূহো অতি জনপ্ৰিয় হৈছিল। তেওঁ ২৪ খনতকৈও অধিক চিনেমাৰ বাবে সংগীত ৰচনা কৰিছিল। প্ৰেম, দুখ আৰু সংগ্ৰামৰ কাহিনীসমূহক তেওঁৰ সুৰে শক্তিশালী কৰিছিল। কোনে পাহৰিব হিয়া দিয়া নিয়াৰ সেই যাদুকৰী সংগীতক! "মন যায়"ৰ বাবে(২০০৮) তেওঁ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিলে সৰ্বোত্তম সংগীতৰ বাবে। ইয়াত গানসমূহে ৰাগ আৰু লোকসংগীতক মিহলাই আবেগৰ সৃষ্টি কৰিছিল। "প্ৰিয়াৰ প্ৰিয়" (২০১৭) , "ৰ'দৰ চিঠি"ৰ গান বিলাকো জনপ্ৰিয় হৈছিল।

জুবিন অভিনয় আৰু গান দুয়াটাতে সমানে পাৰদৰ্শী আছিল। "মিছন চাইনা"ত (২০১৭) তেওঁ সুঅভিনয় কৰিছিল আৰু চিনেমাখনে ৬ কোটিৰো অধিক আয় কৰিছিল। "কাঞ্চনজংঘা"ই (২০১৯) ৭ কোটি আয় কৰিছিল। গানসমূহে চাৰ্টত উঠিছিল। ষ্টুডিঅ' আৰু চিনেমাৰ বাহিৰেও জুবিনে লাইভ শ্ব' আৰু সমাজসেৱাত ব্ৰতী আছিল।

তোমাৰ কণ্ঠ অসমৰ বতাহত বলি থাকিব চিৰকাল! তুমি অমৰ হৈ থাকিবা প্ৰতিজন অসমীয়াৰ হৃদয়ত! জুবিন তুমি অমৰ! তোমাৰ প্ৰভাৱ কেতিয়াও শেষ হ'ব নোৱাৰে!

# জুবিন গাৰ্গ যুৱ প্ৰজন্মৰ বাবে আদৰ্শ স্বৰূপ

### অজিত বৰুৱা

জুবিন গাৰ্গ অসমীয়া সংগীত জগতৰ খনৰ সৈতে ইমানেই একাত্ম হৈ পৰিছিল যে তেখেতৰ নাম অবিহনে যেন অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখন স্থবিৰ হৈ পৰিব। তেখেতক কোৱা হয় একবিংশ শতিকাৰ শ্ৰেষ্ঠ অসমীয়া বুলি। নিঃসন্দেহে জুবিন গাৰ্গ অবিহনে আধুনিক অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখন আধৰুৱা। অসমীয়া সাংস্কৃতিক জগতৰ বাবে জুবিন গাৰ্গৰ যি অৱদান সেয়া সঁচাকৈ অতুলনীয়। জুবিন গাৰ্গৰ যে কেৱল অসমীয়া সংগীত জগততে আধিপত্য আছে তেনেকুৱা নহয়, তেওঁ অসমীয়া ভাষাৰ উপৰিও হিন্দী, বঙালী ভাষাৰ লগতে অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষাৰ সংগীতত কণ্ঠদান কৰিছিল।

জুবিন গাৰ্গৰ যি অৱদান সেয়া যে কেৱল অসমীয়া সাংগিতিক ক্ষেত্ৰ খনতে সীমাবদ্ধ আছিল বুলি ক'লে ভুল কৰা হ'ব। তেখেতে মৃতপ্ৰায় অসমীয়া বোলছবি উদ্যোগটিক জীয়াই তুলিবলৈ যি প্ৰচেষ্টা হাতত লৈছিল সেয়া সচাঁকৈ প্ৰশংসনীয় পদক্ষেপ আছিল বুলিব পাৰি। যদিহে জুবিন গাৰ্গে অসমীয়া বোলছবি উদ্যোগত হাত নিদিলে হয় তেনে হ'লে এদিন অসমৰ এই বোলছবি উদ্যোগটো হয়তো চিৰদিনৰ বাবে অতীতৰ গৰ্ভত বিলীন হৈ গ'লহেঁতেন। এইধৰণৰ কৰ্মৰ বাবে জুবিন গাৰ্গৰ যদি নাম লোৱা নহয় তেনে হ'লে সেয়া মহানুভৱ ব্যক্তি গৰাকীৰ প্ৰতি ডাঙৰ অপকাৰ কৰা হ'ব। এই অসম দেশত জুবিন গাৰ্গৰ নতুন প্ৰজন্মই হওক বা তৰুণ সকলেই হওক সকলোৰে ওপৰত এক বিশেষ প্ৰভাৱ আছিল। ইতিমধ্যে অসমৰ যুৱপ্ৰজন্মই জুবিন গাৰ্গক নিজৰ আদৰ্শ হিচাপে মানি লৈ তেওঁৰ জীৱন শৈলীৰ পৰা আৰম্ভ কৰি প্ৰতিটো দিশ অনুসৰণ কৰা আমি দেখিবলৈ পাইছোঁ। জুবিন গাৰ্গক অসমৰ যুৱপ্ৰজন্মই নিজৰ আদৰ্শ হিচাপে অনুসৰণ কৰাত আচৰিত হ'বলগীয়া একো কথা নাই কাৰণ জুবিন গাৰ্গে অসমীয়া সংগীত জগতৰ উপৰিও অসমৰ বিভিন্ন ক্ষেত্ৰৰ বাবে যি অৱদান আগবঢ়ালে সেই সকলোবোৰৰ বাবে আজিৰ দিনত জুবিন গাৰ্গ কেৱল এগৰাকী ব্যক্তি হৈ থকা নাই, বৰ্তমান জুবিন গাৰ্গ নামটো এটা বৃহৎ অনুষ্ঠানলৈ ৰূপান্তৰিত হ'ল। অতুলনীয় প্ৰতিভাৰ গৰাকী হোৱাৰ পিছতো, সমাজত সীমাহীন প্ৰভাৱ আৰু কৰ্তৃত্ব থকাৰ পিছতো কিন্তু বিতৰ্কই জুবিন গাৰ্গক কেতিয়াও লগ এৰা নাছিল। বহু সময়ত ইচ্ছাকৃতভাৱে আৰু বহু সময়ত অনিচ্ছাকৃতভাৱে কৰা কিছুমান মন্তব্যই জুবিন গাৰ্গক চাৰিও দিশৰ পৰা ঘেৰি পেলাইছিল বুলিব পৰা যায়।

বহু সময়ত জুবিন গাৰ্গে কৰা কিছুমান মন্তব্যই বিতৰ্কৰ সৃষ্টি কৰাৰ উপৰিও সমাজত বিশেষকৈ যুৱপ্ৰজন্মৰ মাজত কিছু পৰিমাণে বিৰূপ প্ৰভাৱ পেলাইছিল। অৱশ্যে আমি এটা কথা নিশ্চিত ভাৱে ক'ব পাৰোঁ যে জুবিন গাৰ্গে সকলো বিতৰ্ক ইচ্ছাকৃতভাৱে সৃষ্টি কৰা নাছিল। দেখা যায় বহু সময়ত জুবিন গাৰ্গে প্ৰকাশ কৰিব বিচৰা কিছুমান অনুভৱক অন্য ধৰণে প্ৰচাৰ কৰাৰ ফলত বহু বিতৰ্কৰ সূত্ৰপাত ঘটিছিল। এবাৰ ৰঙালী বিহুৰ এক অনুষ্ঠানত জুবিন গাৰ্গে বিহু সমিতি সমূহে ছপা কৰি উলিওৱা স্মৃতি গ্ৰন্থৰ ওপৰত এক ৰাজহুৱা মন্তব্য আগবঢ়াছিল। তেখেতৰ এই মন্তব্যই ইতিমধ্যে বিতৰ্কৰ সূচনা কৰাৰ লগতে সামাজিক মাধ্যমত তোলপাৰ লগাইছিল। বিহু সমিতি সমূহে ছপা কৰি উলিওৱা স্মৃতি গ্ৰন্থ সমূহৰ পঢ়ুৱৈৰ সংখ্যা বহুত কম হোৱা হেতুকে সেই গ্ৰন্থ সমূহ ছপা কৰিবলৈ যি ধন ব্যয় কৰা হয় সেয়া গ্ৰন্থ ছপা কৰাৰ পৰিবৰ্তে কাৰোবাক দি দিবলৈ মন্তব্য আগবঢ়াইছিল। আচলতে শিল্পীগৰাকীয়ে যি উদ্দেশ্য আগত ৰাখি অথবা যি কথা চিন্তা কৰি এই মন্তব্য আগবঢ়াইছিল সেয়া অনুভৱ কৰাসকলে ভালকৈয়ে বুজি উঠিছিল। জুবিন গাৰ্গে কৰা এই মন্তব্যখিনি যদি আমি সূক্ষ্মভাৱে পৰ্য্যালোচনা কৰি চাও তেনেহ'লে নিশ্চিতভাৱে দেখিবলৈ পাম যে তুলনামূলকভাৱে দিনক দিনে অসমীয়া গ্ৰন্থৰ বিক্ৰী আৰু পঢ়ুৱৈৰ সংখ্যা যথেষ্ট হ্ৰাস পাই আহিছে। এয়া প্ৰকৃতাৰ্থত অসমীয়া ভাষা সাহিত্যৰ প্ৰতি থকা অপাৰ ভালপোৱাৰ ফলত সৃষ্টি হোৱা ক্ষোভৰহে বহিৰ্প্ৰকাশ আছিল জুবিন গাৰ্গৰ। হয়তো এনেবোৰ কাৰকৰ বাবে অসমীয়া ভাষা আৰু অসমীয়া সাহিত্য আৰু কিমানদিনলৈ জীয়াই থাকিব তাক লৈ সততে প্ৰশ্ন উত্থাপন হৈ আহিছে। অৱশ্যে পঢ়ুৱৈৰ সংখ্যা হ্ৰাস হোৱা বাবে গ্ৰন্থ ছপা কৰা বাদ দিয়াটো আচলতে সমাধান কেতিয়াও হব নোৱাৰে। তেনে কৰিলে অতি কম দিনৰ ভিতৰতে অসমীয়া সাহিত্য আৰু ভাষা বিলুপ্তিৰ পথত গতি কৰিব। ইয়াৰ পৰিবৰ্তে সৃষ্টি হোৱা সমস্যা সমূহ কিদৰে সমাধান কৰিব পৰা যায় তাৰ বাবে সমাধান সূত্ৰ উলিয়াবলৈ চেষ্টা কৰিব লাগিব।

> জুবিন গাৰ্গক অসমৰ যুৱপ্ৰজন্মই নিজৰ আদৰ্শ হিচাপে অনুসৰণ কৰাত আচৰিত হ'ব লগীয়া একো কথা নাই কাৰণ জুবিন গাৰ্গে অসমীয়া সংগীত জগতৰ উপৰিও অসমৰ বিভিন্ন ক্ষেত্ৰৰ বাবে যি অৱদান আগবঢ়ালে সেই সকলোবোৰৰ বাবে আজিৰ দিনত জুবিন গাৰ্গ কেৱল এগৰাকী ব্যক্তি হৈ থকা নাই, বৰ্তমান জুবিন গাৰ্গ নামটো এটা বৃহৎ অনুষ্ঠানলৈ ৰূপান্তৰিত হ'ল। অতুলনীয় প্ৰতিভাৰ গৰাকী হোৱাৰ পিছতো, সমাজত সীমাহীন প্ৰভাৱ আৰু কৰ্তৃত্ব থকাৰ পিছতো কিন্তু বিতৰ্কই জুবিন গাৰ্গক কেতিয়াও লগ এৰা নাছিল।

নিশ্চিতভাৱে জুবিন গাৰ্গ এগৰাকী আমাৰ দৰেই তেজ মঙহৰেই মানুহ আছিল। গতিকে তেওঁ কৰা প্ৰতিটো কামেই নিখুঁত হ'ব লাগিব বুলি কোনো বাধ্যবাধকতা থাকিব নোৱাৰে। তেওঁ কৰা কামবোৰৰ মাজত হয়তো কিছুমান কামত কিবা আসোঁৱাহ থাকি যাব পাৰে। কিন্তু আসোঁৱাহ থকা কামটো জুবিন গাৰ্গে কৰিছে বাবে চকু বন্ধ কৰি লৈ শুদ্ধ হোৱা বুলি কোৱাটো কেতিয়াও উচিত নহয়। তাক গঠনমূলক ভাৱে পৰামৰ্শৰে নিৰসনৰ ব্যৱস্থা কৰিব পৰা হ'লে হয়তো সততে এই স্বভাৱ শিল্পী গৰাকী ইমানবোৰ বিতৰ্কৰ সৈতে সাঙোৰ খাই নপৰিল হেঁতেন। কিন্তু নিজকে প্ৰগতিশীল সমালোচক বুলি দাবী কৰাসকলে এই দিনবোৰ কোনোদিনেই গঠনমূলক দৃষ্টিভংগীৰে গ্ৰহণ নকৰিলে ই। এটা কথা ঠিক যে জুবিন গাৰ্গৰ আৰম্ভণি সময়ছোৱাতকৈ শেষৰ সময়খিনিত বৃদ্ধি পাইছিল বিয়াগোম অন্ধ সমৰ্থকৰা। এইসকলৰ দ্বাৰা শিল্পী গৰাকীৰ গৰিমাত বহু বাৰ কালিমা সনাৰ অপচেষ্টা চলোৱা হৈছিল। সোঁৱে বাওৱে লাগি থকা এইসকল ৰঘুমলা সদৃশ সমৰ্থকক বিচাৰি উলিয়াওতে তেওঁৰ বহু পলমো হৈছিল। তাৰে একাংশই তেওঁক ব্যৱহাৰ কৰি কেৱল মুনাফাহে লুটিলে বুলি ক'লেও বঢ়াই কোৱা নহয়।



মানুহ হিচাপে জুবিন গাৰ্গ এগৰাকী মানৱ দৰদী তথা প্ৰকৃতিপ্ৰেমী লোক আছিল বুলিব পাৰি। আৰ্তজনৰ ওচৰত তেওঁ সদায় থিয় দিছিল আৰু দুখৰ সময়ত জীয়াই থকাৰ প্ৰেৰণা যোগাইছিল। অমাত জীৱ জন্তু দেখিলে দৌৰ মাৰি কোলাত তুলি লোৱা বা অলপ মৰম কৰি দিয়া কথাটোৱে তেওঁৰ কোমল অন্তৰৰ কথাকে প্ৰতিপন্ন কৰে। জুবিন গাৰ্গৰ এই দিশবোৰ আমাৰ যুৱপ্ৰজন্মৰ বাবে আদৰ্শস্বৰূপ বুলিব পৰা যায়। যদি আমাৰ যুৱপ্ৰজন্মই এই কথাবোৰক সঠিক মূল্য দিবলৈ শিকে তেনে হ'লে ক'ব পাৰোঁ যে আমাৰ পৃথিৱীখন সৰগলৈ ৰূপান্তৰিত হ'ব। অসমীয়াৰ প্ৰাণৰ শিল্পী গৰাকীয়ে সেইটোৱেই বিচাৰিছিল।

# প্ৰিয় শিল্পী 'জুবিন দা'ৰ প্ৰতি মোৰ অনুভৱৰ একলম

"আকাশে গাতে ল'বৰে মন
সাগৰৰ তলিত শুবৰে মন।"

### দীপশিখা বৰা

সঁচাকৈ আপুনি সাগৰৰ বিশাল বুকুত আমাক সকলোকে কন্দুৱাই চিৰদিনৰ বাবে শুই পৰিল। শ্ৰদ্ধাৰ প্ৰিয় মহান শিল্পী "জুবিন গাৰ্গ" দাদা আপুনি আমাৰ মাজত নাই বুলি মানি ল'বলৈ বহু কষ্ট পাইছো মনটো ক'তো বহুৱাব পৰা নাই অস্থিৰ হৈ পৰিছো। গোটেই প্ৰকৃতি জগত খনেই যেন আজি স্তব্ধ হৈ পৰিছে। মানুহ, জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-গছনি, নদ-নদী আদিকে ধৰি সমগ্ৰ প্ৰকৃতিক ভাল পোৱা মানুহজন বহু সোনকালে গুচি গ'ল এখন নেদেখা পৃথিৱীলৈ। আকাশখন যেন কলিয়া ডাৱৰে ঢাকি পেলালে। প্ৰকৃতিও আপুনি নোহোৱা খবৰ পাই চকুলো টুকিছে। চাৰিওফালে শোকাকূল পৰিৱেশ। সকলো যেন সলনি হৈ পৰিল। শাৰদীয় বতৰত সকলোৰে মন- প্ৰাণ উকা হৈ পৰিল।

আপুনি অসম তথা অসমীয়া জাতিৰ, মাটিৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ এজন আপুৰুগীয়া সম্পদ আছিল। যি সম্পদক আজি আমি হঠাতে হেৰুৱাব লগা হ'ল। অতিকৈ মৰমৰ হিয়াৰ আমঠু সুৰেৰে জগত জিনা আপোনাৰ গানে, আপোনাৰ কণ্ঠই আকাশে-বতাহে চৌদিশ সুবাসিত কৰি তুলিছিল। আপোনাক বেয়া পোৱাৰ কোনো কাৰণে নাছিল। প্ৰথম সৰুৰ পৰা অঁনাতাৰ মাধ্যম ৰেডিঅ'ৰ যোগেদি আপোনাৰ গীত শুনাৰ সৌভাগ্য হৈছিল। যেতিয়া ৰেডিঅ'ত আপোনাৰ গান বাজি উঠিছিল তেতিয়া য'তে নাথাকো ত'ৰে পৰা দৌৰি আহি কাণ পাতি শুনিছিলো–দিহিঙৰ গৰা..., অ' মোৰে ল'ৰাৰ মাক..., পাখি পাখি এই মন ..., কঁকাল খামুচিয়া গাল গুলপীয়া..., আহে বা নাহে ঘুমটি...এন্ধাৰ হ'ব নোৱাৰো..., মায়া মাথোঁ মায়া... সোণেৰে সজোৱা পজা...কলিয়া মেঘে ঢাকিছে ঐ..., Ya Ali Reham Wali... আদি বহুটো গান আজিও কাণত বাজি উঠে।

বহু শিল্পীৰ গান শুনিছো কিন্তু তাৰ মাজতে কোনোৱে কাৰ গান শুনি ভালপোৱা বুলি ক'লে - আপোনাৰ নামটো, আপোনাৰ প্ৰতিচ্ছবিখনে প্ৰথম চকুৰ আগত ভাহি আহিছিল। আপোনাক কাষৰ পৰা এবাৰো দেখা সৌভাগ্য নহ'ল যদিও মন মানসত সদায় আপুনি প্ৰিয় হৈ থাকিব।

সকলোৰে পৰিচিত আমাৰ জুবিন দা। যি জনক ন কৈ পৰিচয় কৰাই দিয়া কোনো প্ৰয়োজন নাই। তেওঁ কোন আৰু কিয় আমাৰ অসমৰ প্ৰতিজন মানুহৰ আৱেগ সেয়া সৰুৰ পৰা বৃদ্ধলৈকে চিনি পায়। তেওঁ আমাৰ জাতিৰ মেৰুদণ্ড স্বৰূপ আছিল। আজি সেই মেৰুদণ্ড ডালে ভাঙি গ'ল। সেয়েহে মনত বহু ভয়-শংকা এটা ভাব বেঢ়ি ধৰিছে। কাৰণ ভৱিষ্যত প্ৰজন্মই এনে এজন আদৰ্শ ব্যক্তিক দ্বিতীয়বাৰ কেতিয়াও লগ নাপাব। সঁচাকৈ মৃত্যু কেতিয়া কোন সময়ত আহে ধৰিব নোৱাৰি। তথাপি মৃত্যু প্ৰকৃতিৰ চিৰন্তন সত্য আৰু নিয়ম। যাক কোনেও ধৰি ৰাখিব নোৱাৰি।

সেই মহান শিল্পী আপোনাক প্ৰণাম। যদিও আপুনি গুচি গ'ল তথাপি আপোনাৰ কণ্ঠত নিগৰা সকলো গীত, আপোনাৰ অমূল্য অৱদান, আপোনাৰ আদৰ্শ, কৰ্মৰাজি চিৰযুগমীয়া হৈ থাকিব। সদৌ শেষত আপোনাৰ আত্মাৰ সদগতি কামনা কৰিলোঁ। আকৌ যাতে আপুনি অতি সোনকালে মানৱ জীৱন পায় আৰু এৰি যোৱা কামবোৰ পূৰ্ণ কৰে তাৰে কামনা কৰি আপোনাৰ এটি শেষ ইচ্ছাৰ গীতেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

"মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত......। "

## পুষ্পসজ্জিত বাহনত

আনা হয়। জুবিনক শেষবাৰৰ বাবে এবাৰ দৰ্শনৰ আশাত হাজাৰ হাজাৰ অনুৰাগী খাৰঘূলী, কাহিলীপাৰা, আৰু সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পথত সমাগম কৰিছে, যাৰ ফলত মহানগৰীৰ ৰাস্তা-ঘাটত মানুহৰ শাৰীৰ অভাৱনীয় ভিৰৰ সৃষ্টি হৈছে। গুৱাহাটীত উপস্থিত হোৱাৰ পিছত জুবিনৰ নশ্বৰ দেহ প্ৰথমে তেওঁৰ ভগদত্তপুৰৰ বাসগৃহলৈ নিয়া হৈছে, য'ত পৰিয়ালৰ সদস্যসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ইয়াৰ পিছত তেওঁৰ দেহ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পলৈ লৈ যোৱা হ'ব, য'ত সাধাৰণ ৰাইজৰ বাবে শ্ৰদ্ধাঞ্জলিৰ ব্যৱস্থা কৰা হৈছে। এই স্থানত লাখ লাখ অনুৰাগীৰ সমাগমৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী যান-বাহন আৰক্ষীয়ে শৃংখলা বজাই ৰাখিবলৈ কেইবাটাও পথত যান-বাহন চলাচলৰ ওপৰত বিধিনিষেধ আৰোপ কৰিছে। যান-বাহনৰ চলাচলৰ নিয়মাৱলীৰ ভিতৰত, ২১ ছেপ্টেম্বৰৰ পুৱা ৬ বজাৰ পৰা ৰাতি ১১ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ-২৭ আৰু ৰাষ্ট্ৰীয় ঘাইপথ-১৭ত সকলো বাণিজ্যিক সামগ্ৰী কঢ়িয়াই নিয়া যান-বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞা পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত বলৱৎ থাকিব। অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত শ্ৰদ্ধাঞ্জলিৰ বাবে অহা লোকসকলক ৰাষ্ট্ৰীয় ঘাইপথ-২৭ৰ ৰংমন পইণ্টত নামি গেট নং ১ৰ জৰিয়তে প্ৰৱেশ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। শ্ৰদ্ধাঞ্জলিৰ পিছত তেওঁলোকে গেট নং ৩ৰ জৰিয়তে প্ৰস্থান কৰি নামঘৰ পথ, গৰলীয়া পথ, বা হলি গগৈ পথৰ জৰিয়তে ৰাষ্ট্ৰীয় ঘাইপথ-২৭ বা চাৰ্ভিচ ৰোডৰ দিশে যাব পাৰিব। ক্ৰীড়া প্ৰকল্পৰ ভিতৰত কোনো যান-বাহনৰ প্ৰৱেশৰ অনুমতি দিয়া নহ'ব। অৱশ্যে, জৰুৰীকালীন যান-বাহন যেনে অগ্নিনিৰ্বাপক বাহন, এম্বুলেন্স, জীৱনৰক্ষাকাৰী ঔষধ বা অক্সিজেন চিলিণ্ডাৰ কঢ়িয়াই নিয়া বাহন, বিদ্যালয়ৰ বাহন, আৰু স্থানীয় ৰাইজৰ বাবে কোনো বিধিনিষেধ থাকিব নোৱাৰিব। জৰুৰীকালীন আৰু মিডিয়াৰ (DSNG) যান-বাহনসমূহক গেট নং ১ৰ জৰিয়তে প্ৰৱেশৰ অনুমতি দিয়া হ'ব, আৰু সেইবোৰ ইনড'ৰ ষ্টেডিয়ামৰ সন্মুখত ৰখাৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰীয় ঘাইপথ-২৭ৰ চাৰ্ভিচ ৰোডৰ লখৰা আণ্ডাৰব্ৰিজৰ পৰা নালাগাৰা পৰ্যন্ত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ সন্মুখৰ অঞ্চলটো যান-বাহন চলাচল নিষিদ্ধ অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। খানাপাৰাৰ ফালৰ পৰা অহা যান-বাহনৰ বাবে লখৰা বিহুতলী, চাগলপাৰা পথৰ মহিন্দ্ৰা ট্ৰেক্টৰ ষ্টক য়াৰ্ড ৰোড, চাইকেল ট্ৰেক, সোণকুছি, বাঁথৌপুৰী বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়, বড়ো সাহিত্য সভা, বি চি জৈন পাৰ্কিং, গণেশ কটা, মইনা পাৰিজাত, আৰু বৰাগাঁও পথৰ শ্বহীদ নিবাস ফিল্ডত পাৰ্কিংৰ ব্যৱস্থা কৰা হৈছে। জালুকবাৰীৰ ফালৰ পৰা অহা বাহনৰ বাবে বশিষ্ঠ মন্দিৰ পথ, জি এম চি পাৰ্কিং, গ্ৰীণউড ৰিজৰ্ট, এ ডি আৰ পাৰ্কিং, পিংকু পাৰ্কিং, ইনলেণ্ড ৱাটাৰ ট্ৰেন্সপৰ্ট পাৰ্কিং, বালাজী পাৰ্কিং, আৰু সোণকুছি সোণালী সংঘ ফিল্ডত পাৰ্কিংৰ সুবিধা থাকিব। অসামৰিক আৰু আৰক্ষী প্ৰশাসনৰ বাহনৰ বাবে দক্ষিণ গুৱাহাটী জুনিয়ৰ মহাবিদ্যালয় আৰু হকী ষ্টেডিয়ামত পাৰ্কিংৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষীৰ লোকসকলৰ বাহনৰ বাবে পুৰণি ৰাষ্ট্ৰীয় ঘাইপথ পাৰ্কিং আৰু নিউ তামুলীত পাৰ্কিংৰ সুবিধা থাকিব। এই ব্যৱস্থাৰ জৰিয়তে গুৱাহাটী আৰক্ষীয়ে শৃংখলা বজাই ৰাখিবলৈ প্ৰয়াস কৰিছে, যাতে জুবিন গাৰ্গৰ শেষ শ্ৰদ্ধাঞ্জলিৰ কাৰ্যসূচী মৰ্যাদাৰ সৈতে সম্পন্ন হয়। জুবিনৰ সুৰ আৰু স্মৃতি অসমৰ হৃদয়ত চিৰকাল জীয়াই থাকিব, আৰু এই শোকৰ মুহূৰ্তত তেওঁৰ অনুৰাগীসকলে তেওঁক শেষ শ্ৰদ্ধা জনোৱাৰ সুযোগ লাভ কৰিব।

## তিনিদিনীয়া ৰাজ্যিক শোক

(২০ ছেপ্টেম্বৰ, ২০২৫) ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই এক্সৰ এটা পোষ্টত এই ঘোষণা কৰে। গায়ক, চলচ্চিত্ৰ নিৰ্মাতা আৰু প্ৰখ্যাত সাংস্কৃতিক ব্যক্তিত্ব জুবিন গাৰ্গৰ মৃত্যুত অসম চৰকাৰে গভীৰ শোক প্ৰকাশ কৰি এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে ২০ৰ পৰা ২২ ছেপ্টেম্বৰলৈকে ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত কোনো ধৰণৰ চৰকাৰী মনোৰঞ্জন, নৈশভোজ বা চৰকাৰী অনুষ্ঠান অনুষ্ঠিত নহ'ব। অৱশ্যে স্বাস্থ্য শিবিৰ, টিবি ৰোগীৰ বাবে নিক্ষয় মিত্ৰৰ সমৰ্থন, বৃক্ষ ৰোপণ অভিযান আদি সেৱামুখী কাৰ্যসূচীসমূহ অব্যাহত থাকিব। উল্লেখ্য যে, শুকুৰবাৰে দুপৰীয়া ছিংগাপুৰত এক অনাকাংক্ষিত দুৰ্ঘটনাৰ সন্মুখীন হৈ জুবিন গাৰ্গৰ অকাল মৃত্যু ঘটাৰ পিছৰে পৰা শোক সাগৰত ডুবিছে সমগ্ৰ অসম। সুদূৰ ছিংগাপুৰৰ পৰা অহা সেই দুসংবাদটোৱে স্তব্ধ কৰি তুলিছে অসমৰ জন-জীৱন।

## জুবিন গাৰ্গৰ নশ্বৰ

পৰা বিশেষ বিমানযোগে তেওঁৰ দেহ গুৱাহাটীৰ বিমান বন্দৰত আনি তাৰ পৰা পোনে পোনে কাহিলীপাৰাস্থিত বাসগৃহলৈ লৈ যোৱা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিনৰ অনুৰাগীসকলৰ প্ৰতি এক বিশেষ আহ্বান জনাইছে। তেওঁ কাহিলীপাৰাৰ বাসগৃহত জুবিনৰ পৰিয়ালৰ সদস্যসকলৰ সৈতে নিবিড়ভাৱে কিছু সময় কটাবলৈ অকলশৰীয়া সময়ৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। তেওঁ অনুৰাগীসকলক এই সময়ত ধৈৰ্য ধৰি পৰিয়ালক কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নকৰিবলৈ অনুৰোধ জনাইছে। তেওঁৰ মতে, পৰিয়ালৰ ইচ্ছানুসৰি জুবিনৰ নশ্বৰ দেহ বাসগৃহত কিছু সময় ৰখাৰ পিছত সৰুসজাই ষ্টেডিয়ামলৈ লৈ যোৱা হ'ব। প্ৰশাসনে জানিবলৈ দিছে যে, সৰুসজাই ষ্টেডিয়ামত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ জৰিয়তে অনুৰাগীসকলে তেওঁক শেষ শ্ৰদ্ধা জনাবলৈ সুযোগ পাব। ইয়াৰ উপৰিও, প্ৰশাসনে দেওবাৰে ৰাষ্ট্ৰীয় ঘাইপথেৰে ট্ৰাক চলাচলৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে, যাতে শোকৰ এই সময়ত শান্তি আৰু নিৰৱতা বাজি থাকে। মুখ্যমন্ত্ৰীয়ে আকৌ এবাৰ সকলোকে সংযত আৰু শান্তিপূৰ্ণভাৱে জুবিনৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰিবলৈ আহ্বান জনাইছে, যাতে পৰিয়ালৰ সদস্যসকলে এই স্পৰ্শকাতৰ মুহূৰ্তত তেওঁলোকৰ প্ৰিয় শিল্পীৰ সৈতে কিছু ব্যক্তিগত সময় কটাব পাৰে।

## জুবিনৰ মৃত্যু সন্দৰ্ভত

প্ৰকাশ কৰিছিল বুলি অভিযোগ উত্থাপিত হৈছে। এই মন্তব্যই জুবিনৰ অনুৰাগীসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰে। শনিবাৰে, ২০ চেপ্টেম্বৰ, ২০২৫ তাৰিখে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত ক্ষুব্ধ অনুৰাগীসকলে প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। জানিব পৰা মতে, যোৱা নিশা প্ৰফুল্ল ভৰালীয়ে নিজৰ সামাজিক মাধ্যমৰ পে-টফৰ্মত এনে এক পোষ্ট শ্বেয়াৰ কৰিছিল, যিটোৱে জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি অসন্মানজনক বুলি অনুৰাগীসকলে মনে কৰিছে। এই ঘটনাৰ পাছত অনুৰাগীসকলৰ মাজত প্ৰতিক্ৰিয়া তীব্ৰতৰ হৈ পৰে, আৰু তেওঁলোকে আইনী ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লয়। উল্লেখ্য যে, প্ৰফুল্ল ভৰালীয়ে পৰৱৰ্তী সময়ত নিজৰ ফেচবুক প্ৰফাইলৰ পৰা বিতৰ্কিত পোষ্টটো আঁতৰাই দিছে। তথাপি, এই পোষ্টৰ প্ৰভাৱ ইতিমধ্যে অনুৰাগীসকলৰ মনত গভীৰ ক্ষতৰ সৃষ্টি কৰিছে, আৰু তেওঁলোকে এই বিষয়ত ন্যায় বিচাৰি আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছে। জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পাছত তেওঁৰ অনুৰাগীসকলৰ মাজত শোকৰ ছায়া এতিয়াও বিৰাজমান, আৰু এনে ঘটনাই তেওঁলোকৰ আৱেগক আৰু অধিক উত্তপ্ত কৰিছে। এই ঘটনাৰ তদন্তৰ বাবে আৰক্ষীয়ে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ লগতে এই বিষয়ত ন্যায়ৰ দাবীত অনুৰাগীসকলৰ এই পদক্ষেপে সামাজিক মাধ্যমতো ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে।

## জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ

সকলোৰে প্ৰতি আহ্বান জনাইছে। তেওঁ স্পষ্টভাৱে কাহিলীপাৰাস্থিত জুবিনৰ বাসগৃহত ৰাতি ৯ বজাৰ পিছত কোনো অনুৰাগী বা ব্যক্তিৰ উপস্থিতিৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিছে। কাহিলীপাৰাত উপস্থিত হৈ আয়ুক্ত মহন্তই কয়, "জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ কাহিলীপাৰাৰ বাসগৃহলৈ কেৱল তেওঁৰ পিতৃ আৰু পৰিয়ালৰ সদস্যসকলৰ বাবে অনা হ'ব। এই সময়ত পৰিয়ালৰ সদস্যসকলে জুবিনৰ সৈতে নিবিড়ভাৱে কিছু সময় কটাব পাৰে, তাৰ বাবে আৰক্ষী প্ৰশাসনে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিছে।" তেওঁ আৰু জনায় যে, এই স্পৰ্শকাতৰ মুহূৰ্তত কাহিলীপাৰাত উপস্থিত হৈ পৰিয়ালটোক কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নকৰিবলৈ সকলোকে অনুৰোধ কৰা হৈছে। আয়ুক্ত মহন্তই জানিবলৈ দিয়ে যে, কাহিলীপাৰাৰ পিছত জুবিনৰ নশ্বৰ দেহ সৰুসজাই ষ্টেডিয়ামত ৰখা হ'ব, য'ত অনুৰাগী আৰু সাধাৰণ ৰাইজে তেওঁক শেষ শ্ৰদ্ধা জনাবলৈ সুযোগ পাব। তেওঁ সকলোকে শ্ৰদ্ধাঞ্জলিৰ নামত কোনো ধৰণৰ উদ্ভণ্ডালি বা অশান্তি সৃষ্টি নকৰিবলৈ সতৰ্ক কৰি দিছে। তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে, যদি কোনো অশান্তিকৰ ঘটনা বা উদ্ভণ্ডালিৰ সম্ভাৱনা দৃষ্টিগোচৰ হয়, তেন্তে তৎক্ষণাত ১১২ নম্বৰৰ জৰিয়তে আৰক্ষীক অৱগত কৰিবলৈ তেওঁ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তেওঁৰ মতে, এনে ক্ষেত্ৰত আৰক্ষী প্ৰশাসন কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। জুবিন গাৰ্গৰ এই বিদায়ৰ সময়ত তেওঁৰ পৰিয়ালৰ গোপনীয়তা আৰু শান্তিৰ প্ৰতি সন্মান জনাই শান্তিপূৰ্ণভাৱে শ্ৰদ্ধাঞ্জলি প্ৰকাশ কৰিবলৈ আয়ুক্ত মহন্তই সকলোৰে সহযোগিতা কামনা কৰিছে।

## ভাতৃতুল্য সিদ্ধাৰ্থ শৰ্মাৰ

অকাল মৃত্যুৰ বাবে অনুৰাগীসকলে জগৰীয়া কৰিছে ছিংগাপুৰলৈ লৈ যোৱা নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তৰ লগতে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক। শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে হত্যাৰ অভিযোগ তুলি ঠায়ে ঠায়ে গোচৰ ৰুজু কৰা হৈছে। এককথাত কবলৈ হ'লে দুয়োজনৰ বিৰুদ্ধে ৰাজ্যজুৰি ক্ষোভৰ উদ্গীৰণ ঘটিছে। এই পৰিপ্ৰেক্ষিতত শিল্পীগৰাকীৰ শেষযাত্ৰা শান্তিপূৰ্ণ আৰু সুকলমে অনুষ্ঠিত কৰাৰ বাবে তেওঁ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যম ফেচবুকৰ জৰিয়তে ৰাজ্যবাসীলৈ কাতৰ অনুৰোধ জনাইছে। গৰিমা শইকীয়া গাৰ্গে কয়, "মই সমগ্ৰ অসমবাসী ৰাইজক অনুৰোধ জনাইছে যে, জুবিন এতিয়া আহিব, আপোনালোকে তেওঁ জীয়াই থকা সময়ত সদায়ে বহুত মৰম আৰু আশীৰ্বাদ দি আহিছে, আৰু আপোনালোককো জুবিনে সিমানে ভালপায়। গতিকে মই আপোনালোকৰ ওচৰত অনুৰোধ জনাইছো এতিয়া তেওঁ আহিব আৰু তেওঁ এই শেষযাত্ৰা অপোনালোকে শান্তিপূৰ্ণভাৱে আৰু ভালকৈ হৈ যাবলৈ দিয়ক। জুবিনৰ এই শেষযাত্ৰাত যাতে একো বাধা বিঘিনি নঘটাকৈ হৈ যাবলৈ দিয়ক। আমাক আৰক্ষী প্ৰশাসনে বহু সহায় কৰি আছে। কোনোবাই যদি কিবা অকমানো সন্দেহ কৰিছে যে, কিবা এটা খেলি মেলিও হৈছে, কৰোবাত কিবা সংঘাত ঘটিছে, সেইবোৰ যাতে নহওক। আমি সকলোৱে শেষবাৰৰ বাবে জুবিনক একেলগে চাম আৰু বিদায় দিম।" তেওঁ সিদ্ধাৰ্থ শৰ্মাক জুবিনৰ ভাতৃ তুল্য আছিল বুলি উল্লেখ কৰি লগতে কয়, "আমাৰ নিজৰ ভাইৰ নিচিনা সিদ্ধাৰ্থ আৰম্ভণিৰ পৰায়ে জুবিনৰ যত্ন লৈ আছে। আপোনালোকে জানে ২০২০ চনত যেতিয়া কোভিডৰ সময়ত জুবিনৰ এটা ডাঙৰ চিজাৰ এটেক হৈছিল সেইখিনি সময়ত তেওঁক চিকিৎসাৰ বাবে মুম্বাই লৈ যাব লগা হৈছিল। সেই সময়ত নিজৰ জীৱনকো বিপদাপন্ন কৰি সিদ্ধাৰ্থই বাহিৰত ওলাই গৈ খোৱা খাদ্যকে ধৰি অন্যান্য যাৱতীয় সামগ্ৰীৰ জুবিনক যোগান ধৰিছিল। আমি কেতিয়াবা তাক কিবা এষাৰ গালি পাৰিলেও জুবিনে তাক কেতিয়াও বেয়াকৈ কোৱা নাছিল বা কোনো মানুহকে ক'বলৈও দিয়া নছিল। সেয়েহে মই আপোনালোক সকলোকে অনুৰোধ জনাইছো আজি জুবিনৰ শেষ যাত্ৰাত সিদ্ধাৰ্থক লগত থাকিবলৈ দিয়ক। সিদ্ধাৰ্থক লৈ যদি আপোনালোকে কিবা ভাবিছে অনুগ্ৰহ কৰিছো যে, অপোনালোকে মনৰ পৰা উলিয়াই দিয়ক আৰু তাক জুবিনৰ শেষ যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ দিয়ক। সকলো থাকক একেলগে, আমৰ পৰিয়ালটো একেলগে থাকক। কাৰণ মই জানো কাইলৈ মোক সিদ্ধাৰ্থৰ সমৰ্থনৰ প্ৰয়োজন হব। কাৰণ জুবিনৰ বহুত আধৰুৱা কাম আছে, যিবোৰ সিদ্ধাৰ্থৰ অবিহনে মই কৰিব নোৱাৰিম। তাৰ বিপক্ষে যি এজাহাৰ দিছে বা যি কৰিছে আপোনালোকে সেইবোৰ অনুগ্ৰহ কৰি পৰিহাৰ কৰক।" উল্লেখ্য যে, ২০ ছেপ্টেম্বৰত নৰ্থ ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ ছিংগাপুৰলৈ গৈছিল জুবিন গাৰ্গ। এক সংগীতানুষ্ঠানৰ বাবে ছিংগাপুৰলৈ যোৱা জুবিন গাৰ্গে শুকুৰবাৰে ভাৰতীয় সময় অনুসৰি আবেলি ২.৪৫ বজাত শেষ নিশ্বাস ত্যাগ কৰে বুলি ছিংগাপুৰ বিদেশ মন্ত্ৰালয়ে ভাৰত চৰকাৰক জানিবলৈ দিয়ে। তেওঁৰ আকস্মিক মৃত্যুৱে অনুৰাগী আৰু সমগ্ৰ অসমীয়া সমাজক স্তম্ভিত কৰি তুলিছে আৰু ভাৰতৰ সংগীত জগতত গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে।

## গুৱাহাটীত জুবিন গাৰ্গৰ

কেন্দ্ৰীয় মন্ত্ৰী তথা জুবিনৰ ঘনিষ্ঠ বন্ধু পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিমল বৰা। ইতিমধ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নতুন দিল্লীত উপস্থিত হৈছে। দিল্লীত পোৱাৰ লগে লগে তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে প্ৰায় এঘণ্টা ধৰি এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছিল। এই বৈঠকত কি আলোচনা হৈছিল সেয়া স্পষ্টকৈ প্ৰকাশ কৰা নহয়, তথাপি জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰসঙ্গৰ লগতে অন্যান্য বিষয়ে আলোচনা হোৱা বুলি ধাৰণা কৰা হৈছে। বৈঠকৰ পিছত মুখ্যমন্ত্ৰী অসম ভৱনলৈ উভতি আহে। পিছত সংবাদ মাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে, জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰিবলৈ দেওবাৰে সন্ধিয়া ৬ বজাত কেবিনেট বৈঠক অনুষ্ঠিত হ'ব। তেওঁ আৰু কয় যে, ৰাজ্য চৰকাৰে শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জুবিনৰ পাৰ্থিৱ দেহ গুৱাহাটীত উপস্থিত হোৱাৰ পিছত জি এম চি এইছৰ চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰা হ'ব বুলিও তেওঁ জানায়। মুখ্যমন্ত্ৰীয়ে জুবিনৰ অনুৰাগীসকলক শান্তিপূৰ্ণভাৱে এই শোকৰ সময় পাৰ কৰাৰ আহ্বান জনাইছে। তেওঁ কয়, "আইনৰ ওপৰত কোনোৱেই নহয়। কোনো কাৰণতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ অনুৰোধ কৰিছো।" তেওঁ লগতে জানিবলৈ দিয়ে যে, জুবিনক মৰ্যাদাৰে শেষ বিদায় জনোৱাৰ বাবে ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে প্ৰস্তুত। দেওবাৰৰ পৰা দোকান-পোহাৰ খোলাৰ বাবেও তেওঁ আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড° শৰ্মা নিশা ১১ বজাত অসম ভৱনৰ পৰা বিমানবন্দৰলৈ ৰাওনা হ'ব আৰু জুবিনৰ পাৰ্থিৱ দেহ গ্ৰহণ কৰিব। তাৰ পিছত তেওঁ পুৱাৰ ভাগত ডেৰাডুন অভিমুখে যাত্ৰা কৰিব। ৰাজ্য চৰকাৰৰ এই পদক্ষেপ আৰু মুখ্যমন্ত্ৰীৰ আহ্বানে জুবিনৰ অনুৰাগীসকলৰ মাজত শান্তি আৰু শৃংখলা বজাই ৰখাৰ প্ৰতি গুৰুত্ব দিছে, যাতে শিল্পীগৰাকীক যথোচিত সন্মানেৰে বিদায় দিয়া যায়।

## দুদিন ধৰি প্ৰয়োজনীয়

ব্যৱস্থা কৰা হৈছে। তাৰ পিছত এয়াৰ এম্বুলেন্সৰ জৰিয়তে জুবিনৰ পাৰ্থিৱ শৰীৰ প্ৰথমে দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰত অৱতৰণ কৰিব। দিল্লীৰ পৰা গুৱাহাটীৰ খানাপাৰালৈ তেওঁৰ দেহ অনা হ'ব, য'ত কেৱল পৰিয়ালৰ সদস্য আৰু ঘনিষ্ঠ আত্মীয়সকলৰ বাবে শেষ দৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পিছত জুবিনৰ নশ্বৰ দেহ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়াঙ্গনলৈ লৈ যোৱা হ'ব, য'ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে সাধাৰণ জনতাৰ সুবিধা কৰা হ'ব। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত নতুন নতুন তথ্য পোহৰলৈ আহি আছে, যিয়ে তেওঁৰ মৃত্যুৰ পিছৰ কাৰণৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। জুবিনৰ ঘনিষ্ঠ হৰেশ্বৰ মহন্তৰ বক্তব্য অনুসৰি, ১৩ ছেপ্টেম্বৰত জুবিনৰ সৈতে সাক্ষাৎকাৰৰ সময়ত তেওঁ স্পষ্টভাৱে জনাইছিল যে তেওঁৰ স্বাস্থ্যৰ অৱস্থা দুৰ্বল হোৱাৰ বাবে তেওঁ ছিংগাপুৰলৈ যাবলৈ ইচ্ছুক নাছিল। কিন্তু নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তই জোৰজবৰদস্তি কৰি জুবিনক সিংগাপুৰলৈ লৈ গৈছিল। উল্লেখযোগ্য যে, জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰো সিংগাপুৰলৈ যোৱাৰ কথা আছিল, কিন্তু ভিছাৰ জটিলতাৰ বাবে তেওঁ যাত্ৰা কৰিব নোৱাৰিলে। আন এক চাঞ্চল্যকৰ তথ্য অনুসৰি, জুবিন গাৰ্গে ছিংগাপুৰত থকাৰ সময়ত দুদিন ধৰি তেওঁৰ প্ৰয়োজনীয় ঔষধসমূহ গ্ৰহণ কৰা নাছিল। এই অৱহেলাৰ বাবে প্ৰধানকৈ শ্যামকানু মহন্ত আৰু জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক দায়ী কৰা হৈছে। তেওঁলোকৰ এই অসাৱধানতাৰ ফলত জুবিনৰ স্বাস্থ্যৰ অৱনতি ঘটে, যাৰ পৰিণতিত স্কুবা ডাইভিংৰ সময়ত দুৰ্ঘটনা ঘটি তেওঁৰ অকাল মৃত্যু হয় বুলি অভিযোগ উত্থাপিত হৈছে। এই ঘটনাই জনমানসত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে, আৰু শ্যামকানু মহন্তৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন স্থানত এজাহাৰ দাখিল কৰা হৈছে। এই ঘটনাৰ তদন্তৰ দায়িত্ব অসম পুলিচৰ CIDক অৰ্পণ কৰা হৈছে, আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই DGPক এই বিষয়ে পুংখানুপুংখ তদন্তৰ নিৰ্দেশ দিছে। জুবিন গাৰ্গৰ মৃত্যুৰ এই ঘটনাই কেৱল অসমৰ সাংস্কৃতিক জগততেই নহয়, সামাজিক আৰু আইনী ক্ষেত্ৰতো গুৰুতৰ প্ৰশ্নৰ সৃষ্টি কৰিছে। তেওঁৰ অনুৰাগীসকলৰ মাজত এতিয়া এই তদন্তৰ ফলাফলৰ প্ৰতীক্ষাৰ লগতে তেওঁৰ শেষ যাত্ৰাৰ বাবে শোকৰ পৰিৱেশ বিৰাজ কৰিছে। জুবিনৰ সুৰ আৰু স্মৃতি অসমৰ হৃদয়ত চিৰকাল জীয়াই থাকিব, কিন্তু তেওঁৰ মৃত্যুৰ পিছৰ কাৰণৰ সত্য উদঘাটনৰ বাবে সকলোৱে অপেক্ষা কৰি আছে।

## দক্ষিণৰ চুপাৰষ্টাৰ অভিনেতা

বিশ্বনাথনক ৫৩ সংখ্যক দাদাচাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। শনিবাৰে এই কথা ঘোষণা কৰিছে কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে। মোহনলালে চাৰি দশকৰ কেৰিয়াৰত ৪০০ৰো অধিক ছবিত অভিনয় কৰিছে। মালয়ালম ছবি 'থিৰানোত্তম'ৰ জৰিয়তে তেওঁ চলচ্চিত্ৰ জগতত আত্মপ্ৰকাশ কৰে। দক্ষিণৰ ছবিত মোহনলালৰ অৱদান বেছি। অৱশ্যে তামিল, হিন্দী, তেলেগু আৰু কানাড়া ছবিতো দেখা গৈছে অভিনেতাগৰাকীক। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অফিচিয়েল ই-হেণ্ডলে এই খবৰ ঘোষণা কৰি কয় যে, "দাদাচাহেব ফালকে বঁটা বাছনি সমিতিৰ পৰামৰ্শৰ ভিত্তিত ভাৰত চৰকাৰে ঘোষণা কৰি আনন্দিত হৈছে যে মোহনলালক ২০২৩ চনৰ দাদাচাহেব ফালকে বঁটা প্ৰদান কৰা হ'ব।" ইয়াত লগতে কোৱা হয় যে দক্ষিণৰ অভিনেতা মোহনলালৰ অভিনয় জীৱনে পৰৱৰ্তী প্ৰজন্মক অনুপ্ৰাণিত কৰিছে। ভাৰতীয় চিনেমা জগতলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে এই বিশেষ সন্মানেৰে সন্মানিত কৰা হৈছে কিংবদন্তি অভিনেতা, পৰিচালক আৰু প্ৰযোজকগৰাকীক। তেওঁৰ অতুলনীয় অভিনয় প্ৰতিভা আৰু নিৰালস্য সাধনাই ভাৰতীয় চিনেমাৰ ইতিহাসত এক সোণালী আদৰ্শৰ সৃষ্টি কৰিছে। ২৩ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে তাৰকাগৰাকীক এই বঁটা প্ৰদান কৰিব।

## জুবিন গাৰ্গৰ শোকৰ মাজতেই

প্ৰচাৰ কাৰ্যকলাপ কিছু সময়ৰ বাবে স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ঘোষণা কৰিছে যে আগন্তুক ২৫ ছেপ্টেম্বৰত ২০২৫-২৬ বৰ্ষৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচন নিৰ্ধাৰিত সময় অনুসৰি অনুষ্ঠিত হ'ব। ১৯ ছেপ্টেম্বৰত স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ ৰিটাৰ্নিং অফিচাৰে উপাচাৰ্যৰ নিৰ্দেশ অনুসৰি এক অধিসূচনা জাৰি কৰি সকলো প্ৰাৰ্থী আৰু তেওঁলোকৰ সমৰ্থকসকলক জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী প্ৰচাৰ তৎক্ষণাৎ বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। অধিসূচনাখনত প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ কথা উল্লেখ কৰি প্ৰচাৰ পুনৰ আৰম্ভৰ বিষয়ে পৰৱৰ্তী নিৰ্দেশনা মানি চলিবলৈ কোৱা হৈছিল। কিন্তু মাত্ৰ এদিন পিছত, ২০ ছেপ্টেম্বৰত নিৰ্বাচনী সমিতিৰ এক বৈঠকত জুবিন গাৰ্গৰ পৰিয়াল আৰু অনুৰাগীসকলৰ প্ৰতি শোক প্ৰকাশ কৰাৰ লগতে প্ৰাৰ্থীসকলক তেওঁলোকৰ নিৰ্বাচনী কাৰ্যকলাপ পুনৰ আৰম্ভ কৰাৰ নিৰ্দেশ দিয়া হয়। ইয়াৰ উপৰিও, নিৰ্বাচনী কেনভাছৰ সময়সীমা ২৪ ছেপ্টেম্বৰৰ পুৱা ৯ বজালৈ বৃদ্ধি কৰা হৈছে, যাতে প্ৰাৰ্থীসকলে ভোটদানৰ দিনৰ পূৰ্বে প্ৰস্তুতিৰ বাবে অধিক সময় লাভ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ শোকত ম্ৰিয়মাণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিৰ্বাচনী কাৰ্যকলাপ আগবঢ়োৱাৰ এই সিদ্ধান্তক লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু কৰ্তৃপক্ষ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে। বিশেষকৈ ননীগোপাল মহন্তৰ নেতৃত্বাধীন কৰ্তৃপক্ষৰ এই সিদ্ধান্তক অসংবেদনশীল বুলি গণ্য কৰা হৈছে, যিয়ে ৰাজ্যৰ সাংস্কৃতিক ইতিহাসৰ এই গুৰুত্বপূৰ্ণ ক্ষণত শোকৰ প্ৰতি সন্মান প্ৰকাশৰ পৰিৱৰ্তে নিৰ্বাচনী কাৰ্যকলাপক অগ্ৰাধিকাৰ দিয়াৰ অভিযোগ উত্থাপন কৰিছে।

## জুবিন গাৰ্গ আছিল এজন

হৈছে, য'ত সময় যেন স্তব্ধ হৈ পৰিছে তেওঁৰ হৃদস্পন্দনৰ সৈতে। জাতি, ধৰ্ম, বৰ্ণ, আৰু ৰাজনীতিৰ সীমা অতিক্ৰম কৰি সকলোৱে এই মহান সাংগীতিক ব্যক্তিত্বক হিয়া উজাৰি শ্ৰদ্ধাঞ্জলি জনাইছে। শনিবাৰে যোৰহাটৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ জুবিন গাৰ্গৰ কাহিলিপাৰাস্থিত বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰে। সংবাদ মাধ্যমৰ সৈতে কথা পাতোতে লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে কয়, "জুবিন গাৰ্গ আছিল এজন স্পষ্টবাদী আৰু নিৰ্ভীক ব্যক্তি। তেওঁ কেতিয়াও সোঁতৰ লগত নাযায়, বৰঞ্চ সোঁতৰ বিপৰীতে থিয় দিছিল। তেওঁ কাৰো প্ৰভাৱত নাহিছিল। এতিয়া আমি সকলোৱে তেওঁৰ আদৰ্শ আৰু ব্যক্তিত্বক স্মৰণ কৰাৰ সময়।" জুবিন গাৰ্গৰ মৃত্যুৰ কাৰণৰ বিষয়ে উত্থাপিত বিতৰ্কৰ প্ৰসংগত গৌৰৱ গগৈয়ে কয়, "ছিংগাপুৰত জুবিনদাৰ পোষ্টমৰ্টেম সম্পন্ন হৈছে। পোষ্টমৰ্টেম ৰিপোৰ্টত বহু অজ্ঞাত তথ্য পোহৰলৈ আহিব। চৰকাৰে জুবিনদাৰ সৈতে থকা ব্যক্তিসকলৰ পৰা তথ্য সংগ্ৰহ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। আমি আশা কৰোঁ, এই প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰকৃত সত্য প্ৰকাশ পাব।" তেওঁ কয়, "আমি জানিব পাৰিছোঁ যে ছিংগাপুৰত পোষ্টমৰ্টেম ৰিপোৰ্ট প্ৰস্তুত কৰা হৈছে। এই ৰিপোৰ্টত গুৰুত্বপূৰ্ণ তথ্য থাকিব, যাৰ জৰিয়তে আমি বহু কথা স্পষ্টভাৱে জানিব পাৰিম। চৰকাৰে জুবিনদাৰ সৈতে সেই সময়ত থকা লোকসকলৰ পৰা তথ্য ল'ব। এই তথ্যৰ ভিত্তিত আমি পৰৱৰ্তী সিদ্ধান্তগ্ৰহণ কৰিব পাৰিম।" জুবিন গাৰ্গৰ সমাধিস্থলৰ বিষয়ে গৌৰৱ গগৈয়ে কয়, "জুবিনদাৰ পত্নী গৰিমা বৌ আৰু তেওঁৰ পৰিয়ালে এই বিষয়ে যি সিদ্ধান্ত ল'ব, আমি তাক মানি ল'ম। তেওঁলোকেই জুবিনদাৰ বিষয়ে সৰ্বাধিক জানে।" গৌৰৱ গগৈয়ে শেষত কয়, "এই মুহূৰ্তত আমি জুবিনদাক স্মৰণ কৰা উচিত। তেওঁৰ আদৰ্শ, তেওঁৰ ব্যক্তিত্ব আৰু তেওঁৰ অৱদানৰ কথা মনত ৰখাৰ এই সময়। এই সময়ত ঘৃণা বা বিতৰ্কৰ সলনি তেওঁৰ প্ৰতি শ্ৰদ্ধা আৰু ভালপোৱা প্ৰকাশ কৰা উচিত।" এই শোকাৰ্ত পৰিৱেশত গোটেই অসম জুবিন গাৰ্গৰ অমৰ সৃষ্টি আৰু তেওঁৰ অৱদানক হৃদয়ত ধাৰণ কৰি তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

## কেন্দ্ৰীয় গৃহমন্ত্ৰীৰে বৈঠক

মৃত্যুৰ পাছত তেওঁৰ পাৰ্থিৱ শৰীৰ দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰত উপস্থিত হোৱাৰ পিছত ৰাজ্যবাসীৰ হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত টাৰ্মিনেল ৪ত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও অংশগ্ৰহণ কৰিব। শনিবাৰে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে এঘণ্টাৰ এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈ জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ বিষয়ৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰে। এই বৈঠকৰ বিষয়ে তাৎক্ষণিকভাৱে সংবাদ মাধ্যমক কোনো তথ্য প্ৰকাশ কৰা নাই যদিও, দিল্লীৰ অসম ভৱনত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সন্মুখত কেবাটাও উল্লেখযোগ্য মন্তব্য প্ৰকাশ কৰে। তেওঁ জানিবলৈ দিয়ে যে, জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ দিল্লীৰ বিমানবন্দৰত উপস্থিত হোৱাৰ পিছত শ্ৰদ্ধাঞ্জলিৰ আনুষ্ঠানিকতা সম্পন্ন কৰি তেওঁৰ নশ্বৰ দেহ গুৱাহাটীলৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি, এই বিখ্যাত শিল্পীৰ অন্ত্যেষ্টিক্ৰিয়াৰ বিষয়ে চূড়ান্ত সিদ্ধান্ত ল'বলৈ দেওবাৰে সন্ধিয়া ৬ বজাত কেবিনেটৰ এক বিশেষ বৈঠক অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু জানিবলৈ দিয়ে যে, জুবিন গাৰ্গক ৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদানৰ প্ৰস্তাৱ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে আলোচনা কৰা হৈছে, আৰু এই বিষয়ে তেওঁৰ সন্মতি লাভৰ বাবে প্ৰক্ৰিয়া আগবঢ়োৱা হৈছে। জুবিনৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত, জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা আৰু সিংগাপুৰলৈ যোৱা অসমৰ অন্যান্য ব্যক্তিসকলক তদন্তৰ আওতাত আনাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ উপৰিও, মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে, জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰ প্ৰত্যাহাৰৰ বাবে ৰাইজৰ ওচৰত আহ্বান জনোৱাৰ পৰিপ্ৰেক্ষিতত এই বিষয়ত মানৱীয় দৃষ্টিকোণৰ পৰা বিবেচনা কৰা হ'ব। উল্লেখযোগ্য যে, সিংগাপুৰত জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ কোনো আনুষ্ঠানিক প্ৰতিবেদন এতিয়ালৈকে মুখ্যমন্ত্ৰীৰ হাতত উপলব্ধ হোৱা নাই। সেয়েহে, তেওঁৰ পাৰ্থিৱ শৰীৰ গুৱাহাটীৰ জি এম চি এইচত পুনৰ পৰীক্ষাৰ বাবে পঠিওৱা হ'ব। জুবিন গাৰ্গৰ এই অকাল মৃত্যুৱে সমগ্ৰ অসমত গভীৰ শোকৰ সৃষ্টি কৰিছে, আৰু তেওঁৰ শেষ যাত্ৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

## নিয়ন্ত্ৰণহীন পৰিস্থিতি

ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰত উপস্থিত হোৱাৰ পিছত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰলৈ আনাৰ ব্যৱস্থা কৰা হৈছে। এই খবৰে জুবিনৰ অগণন অনুৰাগীৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে, যাৰ ফলত বৰঝাৰৰ বিমানবন্দৰৰ বাহিৰত হাজাৰ হাজাৰ অনুৰাগীৰ এক অভাৱনীয় ভিৰে সমাগম ঘটিছে। তেওঁলোকে এই প্ৰিয় শিল্পীগৰাকীৰ শেষ দৰ্শনৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল। কিন্তু এই অপৰিসীম ভক্তি আৰু শোকৰ মাজত বিমানবন্দৰৰ বাহিৰৰ পৰিস্থিতি ক্ৰমাৎ নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈ পৰিল। উত্তেজিত জনতাই নিৰাপত্তাৰ বাবে স্থাপন কৰা বেৰিকেড ভাঙি পেলোৱাত আৰক্ষীৰ বাবে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাটো অত্যন্ত কঠিন হৈ পৰিল। পৰিস্থিতি এনেকুৱা হৈ পৰিল যে আৰক্ষীয়ে শেষত লাঠিচাৰ্জৰ আশ্ৰয় ল'বলৈ বাধ্য হয়, যাতে ভিৰটোক পিছুৱাই ৰাখিব পৰা যায়। এই ঘটনাৰ মাজতো জুবিনৰ নশ্বৰ দেহ লৈ অহা বিমানখন সুৰক্ষিতভাৱে গুৱাহাটীৰ বিমানবন্দৰত অৱতৰণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত জুবিনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁৰ দেহ পৰিয়ালৰ ঘৰলৈ নিয়াৰ পিছত সাধাৰণ জনতাৰ শ্ৰদ্ধাঞ্জলিৰ বাবে সাৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়াঙ্গনত ৰখা হ'ব। এই শোকাকুল পৰিবেশত জুবিনৰ গীতৰ সুৰে যেন এতিয়াও অসমৰ হৃদয়ত গুঞ্জৰিত হৈ আছে, আৰু তেওঁৰ অমৰ সৃষ্টিয়ে চিৰকাল জনতাৰ মাজত জীয়াই থাকিব।

# জুবিন গাৰ্গৰ বিষয়ে কটু মন্তব্য কৰি ৰাইজৰ ৰোষত পৰিল গোলাঘাটৰ যুৱক

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ ৰাইজৰ হিয়াৰ আমঠু, নৱ প্ৰজন্মৰ হৃদস্পন্দন, জনতাৰ প্ৰাণৰো প্ৰাণৰ শিলপী জুবিন গাৰ্গৰ বিষয়ে বেয়াকৈ মন্তব্য কৰি জনতাৰ ৰোষত পৰিল গোলাঘাটৰ এজন যুৱক। গোলাঘাটৰ নপুৰৰ মোস্তাক আহমেদ নামৰ এজন যুৱকে জুবিন গাৰ্গ সম্পৰ্কত অশুভ মন্তব্য কৰাৰ বাবে জাতীয় দল-সংগঠনৰ লগতে জুবিন অনুৰাগীসকলে যুৱকজনক শাস্তি বিহিবলৈ দাবী জনায়। উল্লেখ্য যে জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ পিছতেই জুবিন অনুৰাগীৰ আহ্বানত কালি স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰিছিল গোলাঘাটৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ। কিন্তু মোস্তাক আহমেদৰ ব্যৱসায়িক প্ৰতিষ্ঠান খোলা আছিল। তেনে সময়তে কেইবাটাও জাতীয় সংগঠনৰ কৰ্মী ব্যৱসায়িক প্ৰতিষ্ঠানখনক উপস্থিত দোকান বন্ধ কৰাৰ বাবে অনুৰোধ জনায়। ইয়াতে খৰ্গহস্ত হৈ মদগৰ্বী যুৱকজনে ইংৰাজীত গালি গালাজ কৰি জুবিনক চিনি নাপাও বুলি কৈ সংগঠনৰ কৰ্মী কেইগৰাকীক দোকানৰ বাহিৰ হৈ যাবলৈ কয়। পৰৱৰ্তী সময়ত ৰাইজৰ ৰোষত পৰা যুৱকজনক গোলাঘাট আৰক্ষীয়ে আটক কৰি গোলাঘাট থানালৈ লৈ আহে। তাৰ পিছত গোলাঘাট আৰক্ষী থানাতো এক অভাৱনীয় পৰিবেশৰ সৃষ্টি হয়। অহংকাৰী যুৱকজনক ৰাইজে উত্তম মধ্যম শোধায়। তাৰ পিছত যুৱকগৰাকীয়ে কেমেৰাৰ সন্মুখত তেওঁৰ ভুলৰ বাবে ক্ষমা বিচাৰে যদিও গোলাঘাট আৰক্ষী থানাতে নিশাটো কটাবলগীয়া হয়।

### বিদেহী আত্মাৰ চিৰশান্তি কামনাৰ্থে শান্তি সমদল, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অশ্ৰু নিগৰিল জনতাৰ

## নাজিৰাত অশ্ৰুসিক্তৰ মাজেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, নামতি, ২০ ছেপ্টেম্বৰ ঃ** কালি বিয়লিৰে পৰা অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু - যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰৱ সংগীত শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ খবৰে শোকস্তব্ধ কৰি তুলিছে জনগণক। নাজিৰাতো যোৱা কালি বিয়লিৰ পৰা বৰ্তমানলৈকে সমগ্ৰ নাজিৰাত সামাজিক বন্ধৰ মাজতে শতসহস্ৰজনে অশ্ৰু নিগৰাই শোকত ম্ৰিয়মাণ হৈ পৰা পৰিলক্ষিত হয়। আজি সন্ধিয়া নাজিৰাৰ ৰাজপথৰ কাষত লখিমী আলিত ৰাইজে, বি বি মাৰ্কেটত অনুসূচিত জাতি ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজে, দৈনিক বজাৰৰ সমীপত বীৰ লাচিত সেনা, টাইপা, অসমীয়া যুৱ মঞ্চ, নাজিৰা সাংবাদিক মঞ্চ, নাজিৰা নাট্য মন্দিৰ সন্মুখত সদৌ তাই আহোম ছাত্ৰ সন্থা, ব্যৱসায়ী প্ৰতিষ্ঠান আৰু স্বতঃফুত ভাৱে সমবেত হোৱা সহস্ৰাধিক জনগণে অসমীয়াৰ হিয়াৰ আমঠু শিল্পীজনাৰ প্ৰতিচ্ছবি সন্মুখত মাল্যঅৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। জুবিন ফ্ৰেন ক্লাৱৰ শতাধিক কৰ্মীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি সম্বলিত বাহন, আৰু নাজিৰা ৰাইজৰ সহযোগত হাতে হাতে মমবাতি প্ৰজ্বলন কৰি লৈ শান্তি সমদল বাহিৰ কৰে সমগ্ৰ নাজিৰা নগৰত। জুবিন দা অমৰ হওক, মায়াবিনী, মই নথকাৰ দিনা আদি অমৰ সংগীতৰ সুৰেৰে মুখৰিত কৰি তুলে সমগ্ৰ নাজিৰা।

## গুৱাহাটীৰ ব্ৰহ্মপুত্ৰত জাপ

খবৰ অনুসৰি, গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী ৰজাদুৱাৰ অভিমুখী এম ভি সুদৰ্শন নামৰ জাহাজৰ পৰা এজন যুৱকে জাপ দিয়ে ব্ৰহ্মপুত্ৰত। গুৱাহাটীৰ পৰা ৬ বজাত ৰজাদুৱাৰ অভিমুখী জাহাজৰ পৰা ৰূপৰে খুটাৰ সমীপত জাপ দিছিল যুৱকজনে। লাইফ জেকেট পৰিধান কৰা ২২ বছৰীয়া যুৱকজনে হঠাৎ জাহাজৰ পৰা দিছিল জাপ। যুৱকজনৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। জুবিন অনুৰাগী যুৱকজনে নিশা গুৱাহাটীত অতিবাহিত কৰি শোকত ভাগি পৰি এই কাৰ্য সংঘটিত কৰা বুলি সন্দেহ কৰা হৈছে। এতিয়ালৈ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ লোক উপস্থিত হোৱা নাই।

# জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকাকূল জুৰীয়া; বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, জুৰীয়া, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হৃদয়ৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৱে সমগ্ৰ ৰাজ্যৰ লগতে জুৰীয়াতো শোকৰ ছাঁ পেলাইছে। অসমীয়া জাতিৰ বুকুৰ কুটুম শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰেই জনজীৱন যেন স্তব্ধ হৈ পৰিছে। ৰাজ্যজুৰি শোক পালন কৰা সময়তে জুৰীয়াতো শিল্পীজনৰ আত্মাৰ সদগতিৰ বাবে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত শোক পালন কৰা পৰিলক্ষিত হৈছে। জুৰীয়াৰ ভিন্ন বিদ্যাল, মহাবিদ্যালয়, মেলেকাধিং এম ই স্কুলৰ লগতে জুৰীয়া প্ৰেছগীল্ড, জুৰীয়া মণ্ডল বিজেপি, মেলেকাধিং হিৰকজ্যোতি ক্লাব, মেলেকাধিং যুৱ মঞ্চ, হিউমেন ৰাইটচ ডেভেলপমেণ্ট চছাইটিকে আদি কৰি বহু দল সংগঠনৰ লগতে দগাওঁ ক্ৰীড়া সন্থা আৰু সমবায় সমিতীয়ে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। আকৌ মেলেকাধিং জামে মছজিদকে আদি কৰি ভিন্ন ঠাইত আল্লাহৰ দৰবাৰত দোৱা প্ৰাৰ্থনা কৰা হৈছে। সকলোৱে জুবিন গাৰ্গৰ এই অকাল প্ৰয়াণত অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত এক অপূৰণীয় ক্ষতি বুলি কৈছে। শিল্পীজনৰ সপোন, সংগ্ৰাম আৰু শিল্পসৃষ্টি চিৰদিনে প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব বুলি সকলোৱে মত প্ৰকাশ কৰে। তেখেতৰ অকাল আৰু অসহনীয় মৃত্যুত শিক্ষিত যুৱক আহচানাল মাৰিফে গভিৰ শোক প্ৰকাশ কৰি কয় যেঃ-ব্ৰহ্মপুত্ৰ হ'লৈ ওভতাই পঠালে হেঁতেন, কিন্তু সেয়া বিদেশৰ সাগৰ আছিল....বুজি নাপালে তেওঁৰ গভীৰতা/ কল্পনাতীত, ভাষাহীন, অগ্ৰহণযোগ্য। এখেতৰ মৃত্যুত এটা যুগৰ অৱসান ঘটিল। এটা সূৰ্য নোহোৱা হ'ল। এটা জাতি বহুবছৰ পিছুৱাই গ'ল। অসমীয়া সংস্কৃতিৰ পীঠস্থান শূন্য হ'ল। কেতিয়াবা কেতিয়াবা কোনো ধৰণৰ ব্যক্তিগত সম্পৰ্ক নথকা ব্যক্তিৰ অকাল মৃত্যুৰ বাতৰিয়ে স্তব্ধ কৰি তুলে মন-মগজু। তেনে ব্যক্তি যদি অসমৰ সম্পদ হয় ভাষাহীন হৈ পৰো। কেনেকৈ প্ৰকাশ কৰো শোক। বৃহত্তৰ অসমীয়া সত্তাৰ আপুৰুগীয়া সম্পদ, গীতেৰে, সুৰেৰে এক আত্মীক সম্পৰ্ক গঢ়ি তুলা ভিন্ন ভাষা ভাষী ৰাইজৰ হিয়াৰ আমঠু জুবিন দাৰ আত্মাৰ সদগতি কামনা কৰিলো।

## জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকাকূল মৈৰাবাৰী; বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা, মৈৰাবাৰী, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হৃদয়ৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৱে সমগ্ৰ ৰাজ্যৰ লগতে মৈৰাবাৰী অঞ্চলতো শোকৰ ছাঁ পেলাইছে। অসমীয়া জাতিৰ বুকুৰ কুটুম শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰেই জনজীৱন যেন স্তব্ধ হৈ পৰিছে। ৰাজ্যজুৰি শোক পালন কৰা সময়তে মৈৰাবাৰীতো শিল্পীজনৰ আত্মাৰ সদগতিৰ বাবে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত শোক পালন কৰা পৰিলক্ষিত হৈছে মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, মৈৰাবাৰী মহাবিদ্যালয়, মৈৰাবাৰী টাউন ছোৱালী হাইস্কুল, মৈৰাবাৰী আৰক্ষী থানা, হিন্দু সমাজ, দক্ষিণ মৈৰাবাৰী যুৱ মঞ্চ, আজাদ ফাউণ্ডেচনকে আদি কৰি বহু সংগঠনে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। কোনোবা সংগঠনে শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আকৌ কোনো ঠাইত আল্লাহৰ দৰবাৰত দোৱা প্ৰাৰ্থনা কৰা হৈছে। সকলোৱে জুবিন গাৰ্গৰ এই অকাল প্ৰয়াণত অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত এক অপূৰণীয় ক্ষতি বুলি কৈছে।শিল্পীজনৰ সপোন, সংগ্ৰাম আৰু শিল্পসৃষ্টি চিৰদিনে প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব বুলি সকলোৱে মত প্ৰকাশ কৰে।

# হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ অকাল বিয়োগত শোকাকূল পৰিৱেশৰ মাজত বৰক্ষেত্ৰীৰ অজস্ৰ লোকৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২০ ছেপ্টেম্বৰ ঃ** মুকালমুৱাত বৰক্ষেত্ৰী আঞ্চলিক ছাত্ৰ সন্থা, বীৰ লাচিত সেনা, সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত বৰক্ষেত্ৰী কবি সন্মিলনৰ লগতে অজস্ৰ লোকৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন যুৱ প্ৰজন্মৰ লগতে অগণন গুণমুগ্ধৰ হিয়াৰ আমঠু হৈ পৰা জুবিন গাৰ্গলৈ। যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ খ্যাত জুবিন গাৰ্গ ছিংগাপুৰত অকালতে হেৰাই গ'ল। মৰমৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্যজুৰি আজি দ্বিতীয় দিনাও গভীৰ শোকৰ ছাঁ পৰে। শিল্পী গৰাকীৰ অকাল মৃত্যু কোনেও সহজভাৱে মানি ল'ব পৰা নাই। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নলবাৰী জিলাৰ মুকালমুৱাতো কালি নিশা মৰমৰ শিল্পীগৰাকীৰ অকাল বিয়োগত বহু লোকে শ্ৰদ্ধাঞ্জলি জনায়। মুকালমুৱাৰ চ'ক বজাৰত বৰক্ষেত্ৰী আঞ্চলিক ছাত্ৰ, বীৰ লাচিত সেনা, মুকালমুৱা আঞ্চলিক সমিতি আদিয়ে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কৌস্তৱ ৰয়, মুকালমুৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ গয়াৰী আদি অজস্ৰ লোকে মৰমৰ শিল্পীগৰাকীৰ অকাল বিয়োগত গভীৰভাৱে মৰ্মাহত হোৱাৰ লগতে গভীৰ শোক প্ৰকাশ কৰে। সকলোকে একমুখে জুবিন কেৱল এজন কণ্ঠশিল্পীয়েই নাছিল, তেওঁ এটা যুগক প্ৰতিনিধিত্ব কৰিছিল বুলিও দোহাৰে। আনহাতে, মৰমৰ শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মুকালমুৱা থানাৰ চৌহদত শ্ৰদ্ধাঞ্জলি জনায় আৰক্ষী বিষয়া, আৰক্ষী জোৱানসকলে। আনহাতে, মুকালমুৱা টাউন ক্লাবেও শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত বৰক্ষেত্ৰী কবি সন্মিলনৰ ফালৰ পৰাও শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৰক্ষেত্ৰী কবি সন্মিলনৰ সম্পাদক পিংকু মণি ৰায় চৌধুৰীৰ বাসগৃহস্থিত অস্থায়ী কাৰ্যালয়ত বৰক্ষেত্ৰী কবি সন্মিলনৰ সভাপতি দ্বিজেন ডেকা, উপ সভাপতি বিপিন চন্দ্ৰ দাস, সহ সম্পাদক ধনজিৎ বৈশ্যৰ লগতে সন্মিলনৰ সদস্য সদস্যাসকলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অন্যহাতে, যোৱা নিশা চি পি আই(এম) ৰ জাগাৰা কাৰ্যালয়ত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। জুবিন গাৰ্গৰ পত্নী, পিতৃ, পৰিয়ালৰ আন সদস্য সকল আৰু অগণন জুবিন অনুৰাগী লৈ গভীৰ সমবেদনা জ্ঞাপন কৰে চি পি আই এম ৰ সদস্যসকলে। অন্যহাতে, হিয়াৰ আমঠু জুবিন গাৰ্গলৈ জাগাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰীবৃন্দই য়ো অশ্ৰুশিক্ত নয়নেৰে শ্ৰদ্ধাঞ্জলি জনায়। ইউকো বেংক কালাচৰ শাখাৰ ফালৰ পৰাও শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মায়াবিনি ৰাতিৰ বুকুত গীত গাই শোকাকুল হৈ শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বৰক্ষেত্ৰীৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ।

## ডবকাত জুবিন গাৰ্গলৈ বিভিন্ন দল-সংগঠনৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, ডবকা, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জনপ্ৰিয় কণ্ঠশিল্পী কালি ইহলীলা ত্যাগ কৰাৰ পিছতে সমগ্ৰ দেশজুৰি শোকৰ ছাঁ পৰিছে। তাৰে সমান্তৰালকৈ আজি হোজাই জিলা আমছু, আছু, ডবকা টাউন প্ৰেছ ক্লাব, ডবকা লাইফকেয়াৰ হস্পিটাল, ডবকা ব্যৱসায়ী সন্থা, আমবাৰী ব্যৱসায়ী সন্থা আদিকৰি বিভিন্ন দল-সংগঠনে ডবকাৰ বিভিন্ন স্থানত কণ্ঠশিল্পী গৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি দিনৰ ভাগত ডবকা ব্যৱসায়ী সন্থাই জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দুপৰীয়া ১২ বজাৰ পৰা সন্ধিয়ালৈ ডবকা চহৰৰ সকলো ব্যৱসায়িক দোকান পোহাৰ বন্ধ ৰাখে। ইফালে সন্ধিয়াৰ ভাগত ডবকা টাউন প্ৰেছ ক্লাবৰ উদ্যোগত আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্টানত শ শ ৰাইজে জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰা পৰিলক্ষিত হয়।



# অসমী আইৰ সু-সন্তান, বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গক নগাঁও জিলা প্ৰশাসনৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা, নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** অসম তথা ভাৰতৰ বিশিষ্ট কণ্ঠ শিল্পী, গীতিকাৰ, সুৰকাৰ অসমী আইৰ সু-সন্তান জুবিন গাৰ্গে যোৱা কালি সকলোকে দুখৰ সাগৰত পেলাই পৰলোকলৈ গতি কৰে। যাৰ সুৰদী কণ্ঠই লাখ লাখ অনুৰাগীৰ হৃদয়ত আশা, আনন্দ, প্ৰেম, সাহস আৰু জীৱনৰ সুৰ অংকুৰিত কৰিছিল। তেওঁ কেৱল এজন গায়ক, সংগীতজ্ঞয়ে নাছিল, তেওঁৰ গীতসমূহ আছিল এক জীৱন্ত অনুভৱ, আছিল প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সকলোৰে স্বপ্ন আৰু অনুপ্ৰেৰণাৰ উৎস আছিল। এই গৰাকী অসামান্য শিল্পী, অসমৰ অমৰ সন্তান, জ্যোতিষ্ক স্বৰূপ জুবিন গাৰ্গৰ অকাল প্ৰয়াণে সমগ্ৰ অসমবাসীৰ লগতে নগাঁও জিলাবাসীৰ হৃদয়ত সৃষ্টি কৰিছে গভীৰ বিষাদ আৰু শূন্যতা। এই মহান শিল্পী গৰাকীক শ্ৰদ্ধাৰ্ঘ নিবেদনৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাংগণত এক শোকসভা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত প্ৰথমেই জিলা আয়ুক্ত দেৱাশিস শৰ্মাই শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতেই উপস্থিত সকলোৱে মহান শিল্পী গৰাকীৰ আত্মাৰ চিৰশান্তি কামনাৰে ১ মিনিট মৌন প্ৰাৰ্থনা জনায়। অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত, দেবযানী চৌধুৰী, জিলাৰ অতিৰিক্ত আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল, জিলা তথ্য আৰু জনসংযোগ বিষয়াকে প্ৰমুখ্য কৰি জিলা প্ৰশাসনৰ অন্যান্য বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকি শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মহান শিল্পী গৰাকীৰ আত্মাৰ সদগতি কামনাৰ্থে জিলাখনৰ সকলো শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয় আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। আনহাতে, আজি নগাঁৱৰ বিভিন্ন গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলটো বিশিষ্ট সংগীত শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই অগণন লোকে। আবাল বৃদ্ধ বনিতাৰ পৰা সকলো প্ৰজন্মৰ লোকে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত মাল্যাৰ্পণ কৰি চাকি বন্তি ধূপ ধূনা জলাই সংগীত শিল্পী গৰাকীৰ সংগীত সমূহত কণ্ঠ নিগৰাই নগাঁৱৰ আকাশ বতাহ মুখৰীত কৰি তুলে। নগাঁৱৰ মৰিকলং, বৰঘাট, পাথৰি চাৰিআলি, অৰ্জনতল, নৈ চৰিআলি, কঠীয়াতলি, দক্ষিণপাট, হাতীগড়, জাগিয়াল, বেবেজীয়া, ডিমৌ, শেঁতালী, চকলাঘাট, ৰাইদঙ্গীয়া, বটদ্ৰৱা, জামুগুৰি, কাছমাৰী, বৰভেটি, উৰিয়াগাঁও, পলাশনি, গটঙা, ৰূপহী আদিত সংগীত শিল্পী গৰাকীকৈ শ্ৰদ্ধা নিবেদন কৰে অসংখ্য লোকে।

## প্ৰতিভাসম্পন্ন শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত শোক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু, বহুমুখী প্ৰতিভাসম্পন্ন শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)-ৰ পৰিয়াল শোকত মৰ্মাহতহৈ পৰে। মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী মিলিত হৈ এখন শোকসভা অনুষ্ঠিত কৰে। অসমীয়া আধুনিক সঙ্গীতৰ জগতখনত তেওঁ প্ৰকৃতাৰ্থত এটা যুগ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল বুলি সভাত আলোচিত হয়। সভাত শিল্পীগৰাকীৰ ব্যক্তিত্বৰ আকৰ্ষণ, ৰচনাশৈলীৰ অতুলনীয়তা, কণ্ঠৰ মাধুৰ্য, গায়নশৈলীৰ অনন্যতা, সামাজিক জীৱনত সাহসী দৃষ্টিভঙ্গীৰ প্ৰকাশ আদি বিবিধ দিশৰ ওপৰত আলোকপাত কৰা হয়। ডিব্ৰুগড় হনুমানব' সূৰজমল কানৈ মহাবিদ্যালয়লৈ তেওঁৰ একাধিকবাৰ আগমনৰ স্মৃতিও সভাত বিভিন্নজনে ৰোমন্থন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় এনে এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিৰ আকস্মিক বিয়োগে প্ৰকৃততে সমগ্ৰ অসমীয়া জাতিৰ লগতে দেশৰ সাংস্কৃতিক ক্ষেত্ৰখনতো এক গভীৰ ক্ষতিৰ সৃষ্টি কৰিলে। তেওঁৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতা কাহানিও পূৰণ নহ'ব। এনে এজন ব্যক্তিক হেৰুৱাই সমগ্ৰ অসমীয়া জাতিৰ লগতে ডিব্ৰুগড় হনুমানব' সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)ৰ পৰিয়ালৰ প্ৰতিজন সদস্যই মৰ্মাহত হৈছে। অধ্যক্ষ গৰাকীয়ে লগতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ নামত মহাবিদ্যালয়খনৰ তৰফৰ পৰা অদূৰ ভৱিষ্যতে এটা অৰ্থপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁৰ পুণ্যাত্মাৰ সদ্গতিৰ অৰ্থে সভাই প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে ১৯ ছেপ্তেম্বৰৰ সন্ধ্যা মহাবিদ্যালয় চৌহদত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াকে প্ৰমুখ্য কৰি উপাধ্যক্ষ, ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু আঠ শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় আৰু শিল্পীগৰাকীৰ মৃত্যুত ম্ৰিয়মাণ হৈ মমবাটি জ্বলাই কানৈ মহাবিদ্যালয় চৌহদৰ পৰা থানা চাৰিআলিলৈকে দীঘলীয়া শোভাযাত্ৰা কৰে। ১৯ ছেপ্তেম্বৰত অনুষ্ঠিত মহাবিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক বৰ্ডৰ সভাত প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এক শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## দক্ষিণ জাজড়িত ভাদমহীয়া নাম-কীৰ্তনৰ সামৰণি

**অসম বাৰ্তা, বেবেজীয়া, ২০ ছেপ্টেম্বৰ ঃ**বেবেজীয়াৰ সমিপবৰ্তী দক্ষিণ জাজড়িত মাহজোৰা ভাদমহীয়া নামৰখা কাৰ্যসূচীৰ বুধবাৰে সামৰণি পৰে। পৰম্পৰাগত ভাৱে উদ্যাপন হৈ অহা দক্ষিণ জাজৰি সৰ্বজনীন শ্ৰীমন্ত শংকৰ মন্দিৰ প্ৰংগণত মাহজোৰা নামৰখা অনুষ্ঠানৰ সামৰণিৰ দিনা পুৱা ৫ বজাত প্ৰাত: প্ৰসংগৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰে মুনিন বৰদলৈয়ে। তেখেতক সহযোগ কৰে নামঘৰীয়া মাখন তামোলী বাপ, ৰাহুল বৰদলৈ, গীতম মহন্ত আৰু ভৱ বৰাই। তাৰ পিছতেই দুপৰীয়া মধ্যাহ্ন প্ৰসংগ পৰিচালনা কৰে ৰাহুল বৰদলৈ বাপ আৰু মনোজ মহন্তবাপে। বিয়লি ভাগত মাহজোৰা নাম-কীৰ্তনৰ পৰ্যালোচনা আৰু সন্ধ্যা প্ৰসংগ অনুষ্ঠিত হয়। প্ৰসংগৰ অন্তত উপস্থিত সকলো ভক্তপ্ৰাণ ৰাইজ, আইমাতৃসকল, যুৱক-যুৱতী, কণ কণ লৰা-ছোৱালীয়ে কৃপা প্ৰাৰ্থনা কৰে আৰু অনুষ্ঠানৰ সামৰণী পৰে। পবিত্ৰ ভাদ মাহৰ আৰম্ভণী সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি শেষৰ সংক্ৰান্তিলৈ প্ৰতিদিনে সৰ্বজনীন মন্দিৰভাগত সমূহীয়া নাম প্ৰসংগ পৰম্পৰাগত নিয়ম অনুসৰী চলি আহিছে। এই ক্ষেত্ৰত মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি মহেন্দ্ৰ মহন্ত, সম্পাদক পংকজ বৰদলৈ লগতে প্ৰাক্তণ সম্পাদক গীতম মহন্ত, সহকাৰী সম্পাদক ভৱ বৰা আৰু বিশেষকৈ যুৱক সকলে আগভাগ লৈ গুৰুজনাৰ আপূৰ্ব সৃষ্টি নাম-কীৰ্তনৰ চৰ্চা অব্যাহত ৰাখিছে।

## অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত নমাটিত গভীৰ শোক প্ৰকাশ

**অসম বাৰ্তা, নমাটি, ২০ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, অভিনেতা, সংগীত পৰিচালক, চলচ্চিত্ৰ পৰিচালক, সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল বিয়োগত নমাটিতো গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত আজি নমাটি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে ভগৱানৰওচৰত তেওঁৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰে। আনহাতে বাসন্তী হাইস্কুলৰ পৰিয়ালবৰ্গইও এখন শোকসভা অনুষ্ঠিত কৰি বৰেণ্য শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰি তেওঁৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি শোক প্ৰস্তাৱ গ্ৰহণ কৰে। সাংস্কৃতিক মহাসভা, অসমৰ নমাটি আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি প্ৰদীপ কুমাৰ পাঠকে অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে গভীৰ শোক প্ৰকাশ কৰে। তেওঁ জুবিন গাৰ্গৰ মৃত্যুত অসমৰ সংগীত জগতৰ অপূৰণীয় ক্ষতি হোৱা বুলি উল্লেখ কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। উল্লেখ্য যে অঞ্চলটোৰ বিভিন্ন ব্যক্তি আৰু দল সংগঠনেও জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

## ‘মৰম লগা ভণ্টিজনীৰ নাজানো ক'ত ঘৰ’ এই জনপ্ৰিয় গীতটি আজিও সকলোৰে মুখে মুখে

# গোলাঘাটত মাত্ৰ ৭ ঘণ্টাত ২২টা বিহু গীত বাণীবদ্ধ কৰি অভিলেখ সৃষ্টি কৰিছিল হাৰ্টথ্ৰৱ জুবিন গাৰ্গে

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২০ ছেপ্টেম্বৰ ঃ** গোলাঘাট আৰু জুবিন গাৰ্গ যেন এক এৰাব নোৱাৰা সম্পৰ্ক। এফালে যদি জুবিন গাৰ্গ গোলাঘাটৰ জোঁৱাই আনহাতে এই গোলাঘাটৰ লগত জড়িত হৈ আছে জুবিন গাৰ্গৰ বহু স্মৃতি। ইয়াৰ মাজৰে এটা হ'ল গোলাঘাট নগৰৰ শান্তিপুৰস্থিত ‘সমলয় ষ্টুডিঅ’। য'ত জুবিন গাৰ্গে বাণীবদ্ধ কৰিছিল ৪০ টাৰো অধিক গীত আৰু মাত্ৰ ৭ ঘণ্টাত ২২টা বিহুগীত বাণীবদ্ধ কৰিছিল মৰমৰ শিল্পী জুবিন গাৰ্গে। অঞ্চলটোৰ কিশোৰ দত্ত নামৰ এজন ব্যক্তিয়ে ২০০৩ বৰ্ষত স্থাপন কৰিছিল এই ‘সমলয় ষ্টুডিঅ’ আৰু ২০০৫ চনত প্ৰথম গীত বাণীবদ্ধ কৰিছিল জুবিন গাৰ্গে। এই সম্পৰ্কে ‘সমলয় ষ্টুডিঅ’ ৰ স্বত্বাধিকাৰী কিশোৰ দত্তই কয়- ২০০৩ চনৰ ৮ ছেপ্টেম্বৰত মোৰ ষ্টুডিঅ’ আৰম্ভ কৰিছিলোঁ আৰু ২০০৪ চনত জুবিন গাৰ্গ নিজে আহি উপস্থিত হৈ মোক লগ কৰিছিল। ২০০৫ চনত প্ৰথম গীত বাণীবদ্ধ কৰিছিল আৰু তাৰ পাছৰে পৰা ২০০৮ চনলৈকে ধাৰাবাহিকভাৱে এই ষ্টুডিঅ'তে গীত বাণীবদ্ধ কৰিছিল। এদিনত বিয়লি ৩.৩০ মিনিটৰ পৰা নিশা ১০ বজালৈকে সৰ্বাধিক ২২টা গীত বাণীবদ্ধ কৰিছিল। সেই সময়ত বিহু গীতত জুবিন গাৰ্গ নহ'লে নচলে। প্ৰথম জনপ্ৰিয় গীত গাইছিল ‘মৰম লগা ভণ্টিজনীৰ নাজানো ক'ত ঘৰ ’ শীৰ্ষক গীতটি। ইয়াৰ উপৰিও সেই সময়ত ‘অঞ্জনা’, ‘জানমণি’ আদি গীতৰ বাণীবদ্ধ ইয়াতে কৰিছিল জুবিন গাৰ্গে। লগতে ‘ভাল পাব নাজানিলো’ বোলছবিৰ এটা গীত বাণীবদ্ধ কৰিছিলোঁ। জুবিন মোৰ একে বয়সৰ হয় গতিকে এই সময়ত তেওঁৰ হৈ মই ক'বলগীয়া হোৱাটো ইয়াতকৈ দুখৰ বিষয় আৰু একো হ'ব নোৱাৰে। ২০০৮ চনত শেষবাৰৰ বাবে আহিছিল তাৰ পাছত ফোনত যোগাযোগ আছিল। মই ৪০ টাৰো অধিক গীত ডাবিং কৰিছোঁ। তেখেতে বিশাল ব্যক্তিত্বৰ গৰাকী আছিল। তেখেত ইমান গুণ সম্পন্ন মানুহ আছিল যে যিকোনো বাদ্যযন্ত্ৰ এবাৰ চালেই বজাই দিব পাৰিছিল যিটো আমাৰ ক্ষেত্ৰত ছমাহৰ প্ৰয়োজন হ'ব। আজি তেখেতৰ প্ৰয়াণত মই মুক পৰিছোঁ বুলি দত্তই কয়।

## প্ৰাণৰ শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনালে চেলেংহাটৰ বিভিন্ন প্ৰান্তত

## চেলেংহাটত হাৰ্টথ্ৰৱ জুবিন গাৰ্গলৈ বিষ্ণু-জ্যোতিৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, আমগুৰি, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গ অকালতে হেৰাই যোৱাত সমগ্ৰ ৰাজ্যৰ লগতে চেলেংহাটৰ বিভিন্ন প্ৰান্তত পৰিছে শোকৰ ছাঁ। প্ৰাণৰ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনাবলৈ ওলাই আহিছে ৰাইজ। যোৱা কালিৰ পৰা চেলেংহাটৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হৈ আছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। আজি চেলেংহাট ব্লক চাৰিআলিত চেলেংহাটৰ অন্যতম আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান বিষ্ণু জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। তাৰ লগতে উক্ত স্থানতেই বৰনগএ্যা গাঁৱৰ মহিলা সকলেও শিল্পীজনক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। চেলেংহাটৰ লুখুৰাখন গাঁৱৰ সমূহ গাঁওবাসী নামঘৰৰ সন্মুখত একত্ৰিত হৈ ধূপ দীপেৰে শিল্পীজনালৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পদুমনি জাপিসজীয়া গাঁওবাসী আৰু কাযবীয়া অঞ্চলত শতাধিক ৰাইজে পদুমনি চাৰিআলিত সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জাঁজী হাঁহচৰাতো অৰ্ধ সহস্ৰাধিক ৰাইজৰ উপস্থিতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হয়। সমান্তৰালভাবে চেলেংহাট কুকুৰাচোৱা যুৱ সমাজ, বৰনগএ্যা দচুক বাসী ৰাইজকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে নিজ নিজ গাঁৱৰ ৰাজহুৱা স্থানত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## জাঁজী, হাঁহচৰাত জুবিন গাৰ্গলৈ সহস্ৰাধিকৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, আমগুৰি, ২০ ছেপ্টেম্বৰ ঃ** আজি সন্ধিয়া জাঁজী হাঁহচৰাত আয়োজিত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সহস্ৰাধিক লোকে শিল্পী জুবিন গাৰ্গৰ প্ৰতি অশ্ৰুসিক্ত অঞ্জলি আগবঢ়াই। বৃহত্তৰ হাঁহচৰা যুৱ সমাজ, হাঁহচৰা পুৰেৰুণ কৃষ্টি সমাজ, হাঁহচৰা ৰাসোৎসৱ উদযাপন সমিতি, হাঁহচৰা শাখা সাহিত্য সভা, হাঁহচৰা দুৰ্গোৎসৱ উদযাপন সমিতি আদি বিভিন্ন সংগঠন, ব্যৱসায়িক প্ৰতিষ্ঠান, স্থানীয় যুৱক সকল, আৰু ব্যক্তিৰ উদ্যোগত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলনৰ শুভাৰম্ভ কৰে শিক্ষাবিদ ৰমাকান্ত গগৈ আৰু হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাধৱ গগৈয়ে। মনোজ হাজৰিকাই আঁতধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, ব্যক্তিয়ে বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে শিল্পী গৰাকীৰ প্ৰতি অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে জাঁজীতো স্থানীয় ৰাইজে প্ৰয়াত শিল্পী গৰাকীৰ প্ৰতি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জাঁজী নদীৰ দলঙৰ সমীপত হাজাৰ হাজাৰ গুণমুগ্ধই “ধুমুহাৰ সতে মোৰ..” গীত গাই হিয়াৰ শিল্পী গৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে।

# চামগুৰিৰ বিভিন্ন স্থানত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, পুৰণিগুদাম, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন স্থানত জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হোৱাৰ সমান্তৰালভাৱে নগাঁও জিলাৰ চামগুৰিৰ বিভিন্ন অঞ্চলত যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অসমৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ অকাল মৃত্যুত প্ৰতিজন লোক ম্ৰিয়মান হৈ পৰাৰ লগতে বন্তি প্ৰজ্বালন শ্ৰদ্ধাঞ্জলি জনায়। চামগুৰিৰ শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ বিশ্বম্ভৰ দেৱ পুথিভঁৰাল আৰু যুৱ সংঘৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আজি সন্ধিয়া এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে এক মৌন পদযাত্ৰা কৰে। ব্ৰহ্মচাৰী সত্ৰত জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো আঁট ধৰে প্ৰাক্তন শিক্ষক জয়ন্ত কুমাৰ শৰ্মাই। বিশ্বম্ভৰ দেৱ পুথিভঁৰালৰ সভাপতি বাবুল শৰ্মা, লাৰু শৰ্মা অঞ্জন কুমাৰ শইকীয়া, মামণি শইকীয়া বৰা, জয়ন্ত বৰঠাকুৰ, অনিল বৰঠাকুৰ, মৃদুল শৰ্মা, ইন্দ্ৰমোহন বৰা, কৃষ্ণ বৰা, প্ৰাঞ্জল শইকীয়াকে ধৰি ব্ৰহ্মচাৰী সত্ৰৰ যুৱকসকলৰ নেতৃত্বত আজি অনুষ্ঠিত হোৱা উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত দিগন্ত বৰঠাকুৰ আৰু উপস্থিত থকা পুৰুষ-মহিলাসকলে “মায়াবিনী” গীতটো পৰিবেশন কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ অন্তত প্ৰায় পাঁচ শতাধিক লোকে মৌন পদযাত্ৰা কৰে। আনহাতে, জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, অসম সত্ৰ মহাসভাৰ নগাঁও জিলা সমিতি ব্ৰহ্মচাৰী সত্ৰ পৰিচালনা সমিতি, ব্ৰহ্মচাৰী শিৱ মন্দিৰ পৰিচালনা সমিতি, ব্ৰহ্মচাৰী সত্ৰৰ বিশ্বম্ভৰ দেৱ পুথিভঁৰাল আৰু যুৱ সংঘকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। আনহাতে, অসমীয়াৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰিৰ পাছতেই আজি নগাঁও জিলাৰ বৃহত্তৰ চামগুৰি, আমনি, মিছা, সোণাৰীবালি, বৰমা, কাৰৈমাৰি আদিকে ধৰি বিভিন্ন অঞ্চলত ৰাইজে প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দোকান- পোহাৰ সম্পূৰ্ণ ৰূপে বন্ধ ৰাখে। অঞ্চলটোৰ বিভিন্ন অঞ্চলত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। ইপিনে, বৃহত্তৰ চামগুৰিৰ বিভিন্ন কাৰ্যালয়, বিদ্যালয়, মহাবিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলেও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা পৰিলক্ষিত হয়। আজি সন্ধিয়া চামগুৰিৰ জুবিন অনুৰাগী সকলে চামগুৰি তিনিআলি পূজা মণ্ডপৰ সন্মুখত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। লগতে চামগুৰি ৰাজহুৱা পুথিভঁৰাল আৰু চামগুৰি ফুকনটোল নামঘৰতো ৰাইজে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## লেখাপানী-জাগুনটো শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা বিশেষ, জাগুন, ২০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে দেশবাসী তথা বিশ্ব বাসীক শোকস্তব্ধ কৰি অজান দেশলৈ বুলি বাট বুলিলে সকলোৰে হিয়াৰ আমঠু যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ কিম্বদন্তি শিল্পী জুবিন গাৰ্গ। ছিংগাপুৰত অনুষ্ঠিত হোৱা নৰ্থ ইষ্ট ফেষ্টিৱেলত অংশ গ্ৰহণ কৰিবলৈ গৈ এক সাগৰীয় দুৰ্ঘটনাত পতিত হৈ শিল্পীগৰাকীৰ অকাল মৃত্যুৰ খবৰে শোকস্তব্ধ কৰি তুলিছে সমগ্ৰ অসমক। শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগেই শিশুৰ পৰা আৱাল বৃদ্ধ বনিতালৈ সকলোৰে চকুত কেৱল মাথোঁ চকুলো। শিল্পী গৰাকীৰ এই অকাল মৃত্যুত সমগ্ৰ অসমৰ লগতে সীমান্তৱৰ্তী অঞ্চল লেখাপানীৰ দিহিং পাটকাই আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ স্থলীত শেষবাৰৰ বাবে শ্ৰদ্ধাঞ্জলি জনায় অগণন গুণমুগ্ধই। পথাৰ শিল্পী লোহিত গগৈ, টিৰাপ মৌজাৰ মৌজাদাৰ বিছা মুণ্ডাম গাম চিংফৌৰ উপস্থিতিত টিৰাপ মৌজাৰ বিভিন্ন দল সংগঠন তথা সকলো জাতীয় জনগোষ্ঠীয় অগণন অনুৰাগী স্বতস্ফুৰ্ত ভাৱে ওলাই আহি হাতত কেণ্ডেল লৈ মহোৎসৱ স্থলীৰ পৰা ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে তিনি মাইল পৰ্য্যন্ত প্ৰায় তিনি কিলোমিটাৰ খোজেৰে এক শান্তি সমদলেৰে পদযাত্ৰা কৰে। সমান্তৰালভাৱে জাগুনটো অগণন গুণমুগ্ধৰ উপস্থিতিত শিল্পী গৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

# এ এম চিত স্ত্ৰীৰোগ বিভাগৰ প্ৰথমবাৰৰ বাবে উত্তৰ পূৰ্বাঞ্চলত জাতীয় অভিৱৰ্তন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় চহৰৰ ঐতিহ্যমণ্ডিত অসম চিকিৎসা মহাবিদ্যালয়ত তিনিদিনিয়াকৈ ভাৰতীয় স্ত্ৰীৰোগ সংস্থাৰ এখন জাতীয় পৰ্যায়ৰ অভিবৰ্তন অনুষ্ঠিত হয়। আয়োজক সমিতিৰ সভাপতি অধ্যাপক ডাঃ প্ৰণয় ফুকন আৰু যুটীয়া সম্পাদকদ্বয় ডাঃ প্ৰেৰণা কেযান আৰু ডাঃ ধূজুতি নন্দন দাসৰ তত্ত্বাৱধানত ডিব্ৰুগড় স্ত্ৰীৰোগ আৰু প্ৰসূতীৰোগ সংস্থাৰ সকলো সদস্যৰ সহযোগত এনে ধৰণৰ জাতীয় সন্মিলন প্ৰথমবাৰৰ বাবে উত্তৰ পূব ভাৰতত অনুষ্ঠিত হয়। ভাৰতৰ বিভিন্ন স্থানৰ পৰা অহা বিশেষজ্ঞ সকলে অধিৱেশনত স্ত্ৰী আৰু প্ৰসূতীৰোগ বিভাগৰ বিভিন্ন সমস্যাৰ ওপৰত বক্তৃতা প্ৰদান কৰে আৰু কৰ্মশালাত অংশগ্ৰহণ কৰে। উত্তৰ পূব ভাৰতত সঘনাই প্ৰাদুৰ্ভাৱ হোৱা স্ত্ৰীৰোগ সমূহ যেনে কেন্সাৰ আৰু বৰ্ধিত মাতৃ মৃত্যুৰহাৰৰ ওপৰত বিতং আলোচনাৰ উপৰি গৰ্ভস্থ সন্তানৰ বিসংগতি সমূহ জন্মৰ আগতেই নিৰ্ণয় কৰা সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত হয়। এইক্ষেত্ৰত মেডিকেল কলেজৰ চৌহদত অৱস্থিত টাটা কেন্সাৰ হস্পিতেলেও সহায় সহযোগ আগবঢ়ায়। উত্তৰ পূব ভাৰতৰ বাহিৰৰ ৰাজ্যসমূহৰ পৰা অহা শতাধিক বিশেষজ্ঞ চিকিৎসক আৰু অধ্যাপকৰ বিশেষজ্ঞ ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা আলোচনা সত্ৰসমূহত উত্তৰ পূব ভাৰতৰ বিভিন্ন ৰাজ্যৰ তিনিশতাধিক স্ত্ৰীৰোগ বিশেষজ্ঞ আৰু মেডিকেল কলেজৰ ছাত্ৰ-ছাত্ৰী সমূহে বিশেষ ভাৱে উপকৃত হয়। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা বিশেষজ্ঞসকলে তেওঁলোকৰ গৱেষণাপত্ৰ পাঠ কৰে। আয়োজক সমিতিৰ সভাপতি ডাঃ প্ৰণয় ফুকনে অভিবৰ্তনখন সফলভাৱে অনুষ্ঠিত হোৱাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে।

# মৈৰাবাৰী থানাকে ধৰি নাগৰিক কমিটি আৰু মৈৰাবাৰীৰ বিভিন্ন স্থানত বন্তি প্ৰজ্বলনেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, লাহৰীঘাট/মৈৰাবাৰী, ২০ ছেপ্টেম্বৰ ঃ** ছিংগাপুৰৰ সাগৰত স্কুবা ডাইভিং কৰিবলৈ গৈ অকালতে মৃত্যুক সাবটি লোৱা প্ৰসিদ্ধ সংগীত শিল্পী, অভিনেতা, বোলছবি পৰিচালক, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতি মৈৰাবাৰীবাসীয়ে গভীৰ শ্ৰদ্ধা নিৱেদন কৰে। প্ৰিয় শিল্পীজনৰ মৃত্যুৰ বাতৰি পাই শোকত ম্ৰিয়মাণ হৈ পৰিছে মৈৰাবাৰী সংগীত জগতৰ লগতে সকলো শ্ৰেণীৰ ৰাইজ। সন্ধিয়া মৈৰাবাৰীৰ বিভিন্ন প্ৰান্তৰ লগতে মৈৰাবাৰী থানাৰ চৌহদত বন্তি প্ৰজ্বলন, গীত পৰিৱেশনেৰে শিল্পী গৰাকীলৈ অশ্ৰুসিক্ত নয়নেৰে সমজুৱা ভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি সন্ধিয়া স্বতঃস্ফুৰ্তভাৱে মৈৰাবাৰী অঞ্চলৰ জুবিনৰ অনুৰাগী সকল ওলাই আহি মৈৰাবাৰীবজাৰৰ তিনি আলিত ৰাজহুৱা ভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। হাতে-হাতে মম বন্তি প্ৰজ্বলন কৰি এক মিনিট সময় প্ৰাৰ্থনা কৰে। ইপিনে মৈৰাবাৰী থানাৰ নাগৰিক কমিটিৰ হৈ থানাৰ পৰিদৰ্শক পংকজ দাসে হাৰ্টথ্ৰৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে। পৰিদৰ্শক গৰাকীয়ে কয় অসমৰ সংগীত জগতৰ ভোটাতাৰা স্বৰূপ অসমীয়াৰ প্ৰানৰ শিল্পীজন শুক্ৰবাৰে অগণন অনুৰাগীক কন্দুৱাই হঠাতে এই ধৰাৰ পৰা গুচি গ'ল। অসমৰ আকাশৰ পৰা খহি পৰিল সাংস্কৃতিক উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গ। মহান শিল্পী গৰাকীলৈ আমি সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। আৰু শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

## মৰিগাঁও ভূৰবন্ধা সমবায় সমিতিৰ সাধাৰণ সভা স্থগিত

**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ২০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধা সমবায় সমিতিৰ উদ্যোগত আজিৰ দিনটোত অনুষ্ঠিত হ'ব বুলি নিৰ্ধাৰিত সাধাৰণ সভাখন প্ৰয়োজনতকৈ কম সংখ্যক সদস্যৰ উপস্থিতিৰ বাবে স্থগিত ঘোষণা কৰা হয়। সভাস্থলীত উপস্থিত হোৱা সমিতিৰ সদস্যসকলৰ তথ্য অনুসৰি, বিধিগত নিয়ম অনুসাৰে নিৰ্দিষ্ট সংখ্যক সদস্যৰ উপস্থিতি নথকাৰ ফলত কাৰ্যসূচী আৰম্ভ কৰিব নোৱাৰি সভাপতিগৰাকীয়ে সভাখন স্থগিত ঘোষণা কৰে। ইয়াৰ পৰিবৰ্তে আগন্তুক শনিবাৰে দিনৰ ১১ বজাত পুনৰ এই সভা খনি আয়োজন কৰা হ'ব বুলি সমবায় সমিতিৰ পক্ষৰ পৰা জনায়। আজি এই সভাত উপস্থিত থাকে ভূৰবন্ধা সমবায় সমিতিৰ লিমিটেডৰ সভাপতি ক্ষিতেশ্বৰ বৰা, সম্পাদক প্ৰকাশ মেধি, মৰিগাঁও জিলা সমবায় সমিতি সমূহৰ পৰ্যবেক্ষক ক্ৰমে আলতাব হুছেইন, উজলা থাউচেনৰ সহ ভূৰবন্ধা সমবায় সমিতিৰ বহু কেইগৰাকী অংশীদাৰ। এই ঘোষণা আগ মুহূৰ্তত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তথা অসমৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ মৃত্যুৰ বাবে এক শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ অনুষ্ঠান আয়োজন কৰে।

## বৰপেটা জিলা আয়ুক্ত কাৰ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, বৰপেটা সদৰ, ২০ ছেপ্টেম্বৰ ঃ** আজি বৰপেটা জিলা আয়ুক্ত কাৰ্য্যালয়ত এক শোকসভা অনুষ্ঠিত হয়। সভাখনত যুগান্তকাৰী শিল্পী শ্ৰদ্ধাৰ জুবিন গাৰ্গ আৰু সদ্যপ্ৰয়াত জিলা ভাৰপ্ৰাপ্ত উপ সঞ্চালক, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, বৰপেটাৰ দিলীপ কৰ্মকাৰ দুয়োজনলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সভাখনত জিলাৰ সকলো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে আৰু গভীৰ শোক প্ৰকাশ কৰি আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে। বক্তাসকলে জুবিন গাৰ্গৰ শিল্প সাধনাৰ অসাধাৰণ অৱদানক স্মৰণ কৰি কয় যে তেওঁৰ সৃষ্টিৰে অসমৰ সাংস্কৃতিক পৰিচয় সমৃদ্ধ হৈছে। তেনেদৰে জিলা ভাৰপ্ৰাপ্ত উপ সঞ্চালক, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, বৰপেটাৰ দিলীপ কৰ্মকাৰৰ জিলা প্ৰশাসনত থকা অৱস্থাত তেওঁৰ নিষ্ঠাবান সেৱাৰো উচ্চ মূল্যায়ন কৰে। দুয়োজনৰ স্মৃতিত এক মিনিটৰ নীৰৱতা পালন কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন